Le

# OFFICIAL ERPORT

SEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

VOL-VII

No. 26 — 35

The 2nd May 1988

Price Rs. 19·00

CONTENTS

# Budget Session

## Volume—1

## No. 26

Dated, the 2nd May 1988


| | | Page |
|---|---|---|
| 1. | Questions and Answers .... .... | 1 |
| 2. | Voting on Demands for Grants ... ... | 46 |
| 3. | Adjournment .... .... | 96 |
| 4 | Annexure .... .... | 97 |


—o—

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Tuesday, 2nd May 1988

The House met at 9 A. M. in the Assembly Chamber at Dispur with Mr. Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS

(To which oral answers were given)

### বিষয় ঃ শিক্ষা উপদেষ্টা কমিটি।

শ্ৰীগণেশ বড়োয়ে সুধিছে ঃ

* ৪০১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শিক্ষক নিযুক্তিৰ বাবে চূড়ান্ত বাচনি মহকুমা পৰ্য্যায়ৰ শিক্ষা উপদেষ্টা কমিটিয়ে কৰাটো সঁচানে ?

(খ) কোকৰাঝাৰ মহকুমাত প্ৰাথমিক শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত শিক্ষা উপদেষ্টা কমিটিয়ে প্ৰযোজ্য নিয়ম কানুনবোৰ মানি চলা হৈছেনে ?

শ্ৰীযতীন মালী (ৰাজ্যিক শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সঁচা।

(খ) নিযুক্তিৰ বিষয়ত নীতি নিয়ম মনা নাই বুলি পোৱা অভিযোগৰ ভিত্তিত বিষয়টো তদন্ত কৰি প্ৰতিবেদন পোৱা হৈছে আৰু কোকৰাঝাৰ মহকুমাৰ প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদখন ইতিমধ্যে ভঙ্গ কৰি দিয়া হৈছে।

শ্ৰীগণেশ বড়ো ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এই প্ৰশ্ন প্ৰস্তুত কৰাৰ পিছতো বহুতো দুৰ্ভাগ্যজনক ঘটনা ঘটি গ'ল যাৰ কাৰণে মন্ত্ৰী মহোদয়ে কৈছে কোকৰাঝাৰ মহকুমাৰ প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদখন ভাঙ্গি দিয়া হল। এতিয়া কথা হ'ল এই শিক্ষা উপদেষ্টা পৰিষদখন ভাঙ্গি দিয়াৰ ফলত কিবা লাভ লোকচান হৈছেনে নাই নেজানো কিমান দিনযে স্কুলৰ শিক্ষক নোহোৱাৰ ফলত সেইটো ভূগিবলগীয়া হৈছে। উপদেষ্টা শিক্ষা পৰিষদখন ভঙ্গ কৰি দিয়াৰ ফলত আৰু কিমান দিন এই স্কুল বিলাকে ভূগিব লাগিব, তাৰ কিবা এটা উত্তৰ মন্ত্ৰী মহোদয়ে দিবনে ?

শ্ৰীযতীন মালী (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো তদন্ত কৰি পেলাইহে শিক্ষা উপদেষ্টা পৰিষদখন ভঙ্গ কৰি দিয়া হৈছে, আৰু মাননীয় সদস্য

গৰাকীয়ে নিয়োগৰ ক্ষেত্ৰত যিটো কথা কৈছে নতুন বোৰ্ড গঠন হোৱাৰ পিচত আমি এইটো বিবেচনা কৰিম।

শ্ৰীগণেশ বড়ো : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে এই কাম কৰোতে কিমান দিন লাগিব আৰু কিমান দিন ভূগিব লাগিব। য'ত নেকি স্কুল বিলাকত শিক্ষক নাই।

শ্ৰীযতীন মালী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এইবিলাক সমাধা কৰিবলৈ যিমান পাৰি সোনকালে আমি কৰিবলৈ চেষ্টা কৰিম।

Shri Altaf Hussain Mazumdar : Mr. Speaker, Sir, will the Hon'ble Minister state who is the actual appointing authority ? Whether the D. I. is the sole authority as per the recommendation of the Board or the Director Elementary Education ? My second point is that there are lots of allegations against other Boards. Will the Government take action ?

শ্ৰীযতীন মালী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, চাৱডিভিজনেলত এলিমেণ্টৰী বোৰ্ড থাকে, তাত চিলেকচন কমিটি সেই সকললৈ চিলেকচন কৰে আৰু সেই চিলেকচন মতেই ডি, আই জনে এপণ্টমেণ্ট দিয়ে।

Shri Altaf Hussain Mazumdar : Does it not require the approval of the Director, Elementary Education ?

শ্ৰীযতীন মালী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, চাৱডিভিজনেল কমিটিয়ে যি নৰম'চ কৰে সেই অনুযায়ী ডি, আই জনে নিযুক্তি দিয়ে, তেওঁ এপইণ্টমেণ্ট অথৰিটি। এই সম্পৰ্কত ডিৰেক্টৰ এলিমেনটৰীয়ে একো ব্যৱস্থা নলয়।

শ্ৰীচিলিভিয়াচ কন্দপান : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে যে এই শিক্ষা উপদেষ্টা পৰিষদ খন ভঙ্গ কৰি দিয়া হৈছে, কিন্তু কি কি কাৰণত এই শিক্ষা উপদেষ্টা পৰিষদ খন ভঙ্গ কৰি দিয়া হ'ল মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীযতীন মালী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, কোকৰাঝাৰ মহকুমা প্ৰাথমিক শিক্ষা পৰিষদৰ বিভিন্ন অভিযোগ পোৱাৰ পিছত আমাৰ উপ-সঞ্চালক এগৰাকীৰ দ্বাৰাই তদন্ত কৰোৱাই তলত দিয়া কথাখিনিৰ ওপৰত ভিত্তি কৰিয়েই ইতিমধ্যে পৰিষদখন ভঙ্গ কৰি দিয়া হৈছে। প্ৰতিবেদন মতে মুল খেলিমেলিবোৰ তলত দিয়া ধৰণৰ—

(ক) প্ৰাৰ্থীৰ সাক্ষাতকাৰৰ বাবে কোনো বেলেগ বাচনি কমিটি কৰা নাছিল। পৰিষদৰ সদস্যসকলেই বাচনি কমিটিৰ সদস্যহিচাপে প্ৰাৰ্থী সকলৰ সাক্ষাতকাৰ লৈছিল।

(খ) উপ-পৰিদৰ্শকৰ কাৰ্য্যালয়ত যোৱা নথিমতে উপদেষ্টা পৰিষদৰ সভাপতি আৰু তেতিয়াৰ উপ-পৰিদৰ্শক যুটিয়াভাৱে ২৫-৬-৮৭ তাৰিখে স্বাক্ষাৎ কৰা মুঠ ৯২ জন প্ৰাৰ্থীৰ নিযুক্তিৰ বাবে প্ৰস্তুত কৰে। কিন্তু কোকৰাঝাৰ পশ্চিম আৰু চিদলী সম্পৰ্কত এজন এজনকৈ মুঠ দুজন প্ৰাৰ্থীৰ নামত অন্তভক্ত কৰি ৯৪ জন কৰে। অতিৰিক্ত এই ২ জন প্ৰাৰ্থীৰ নাম উক্ত পৰিষদৰ দ্বাৰাই অনুমোদিত হয়নে নহয় জনা নেযায়।

(গ) নিৰ্ব্বাচিত ৯৪ জন প্ৰাৰ্থীৰ ভিতৰত ৩ জনে নিযুক্তি নাপালে। আন-হাতে নিৰ্ব্বাচিত তালিকাত নাম নথকা ১৩ জন প্ৰাৰ্থীয়ে নিযুক্তি পাইছে।

(ঘ) অতিৰিক্ত শিক্ষক পদৰ বাবে পৰিষদৰ সদস্যসকলে তালিকা দাখিল কৰিছিল। তদন্ত প্ৰতিবেদনৰ পৰা জনা যায় যে দাখিল কৰা এই তালিকাখনত বহুতো অনুপযুক্ত মানদণ্ডহীন প্ৰাৰ্থীৰ নাম দি ১৩৩ জনীয়া এখন প্ৰাৰ্থীৰ তালিকা যুগুতাই উলিয়াই। এই তালিকাখন নীতিগত ভাৱে উপদেষ্টা পৰিষদে অনুমোদন জনাইছে নে নাই জনা নেযায় কিন্তু পৰিষদৰ সভাপতিৰ দ্বাৰা তালিকাখন স্বাক্ষৰিত। উক্ত তালিকাৰ পৰা এজনো প্ৰাৰ্থী নিযুক্তি নহল।

এইবিলাকৰ বাবেই উক্ত পৰিষদখন আমি ভঙ্গ কৰি দিছো।

বিষয়ঃ পানী যোগান আঁচনিৰ অনুমোদন।

শ্ৰীভবেন্দ্ৰ নাথ ভড়ালীয়ে সুধিছে ঃ

* ৪০২। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৰহাটৰ খঙ্গীয়া, ঢেকৰ গড়া আৰু চাৰিঙ্গীয়া পানী যোগান আঁচনি কেইটা কেতিয়া অনুমোদন জনোৱা হৈছিল ?

(খ) উক্ত আচনি কেইটাৰ কাম সম্পূৰ্ণ হ'লনে ?

(গ) যদি সম্পূৰ্ণ হোৱা নাই কাৰণ সমূহ কি কি ?

(ঘ) উক্ত আঁচনি কেইটা কেতিয়া সম্পূৰ্ণ হব ?

শ্ৰীদিগেন চন্দ্ৰ বৰা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) খঙ্গীয়া – ৩০-৩ ৮৫,

ঢেকৰ গড় —৩০-৩-৮৫,

চাৰিঙ্গীয়া —৩০-৩-৮৫,

(খ) হোৱা নাই।

(গ) (১) খঙ্গীয়া আঁচনিখন বিদ্যুত সংযোগ নোহোৱাৰ বাবে সম্পূৰ্ণ হোৱা নাই।

(২) চাৰিঙ্গীয়া আঁচনিৰ treatment plant ৰ কামৰ বন্দোৱস্তী আগৰ ঠিকাদাৰে নকৰাত আকৌ নতুনকৈ আন এজনক দিবলগীয়া হোৱাত সম্পূৰ্ণ হৈ উঠা নাই।

(৩) ঢেকৰ গড়াত treatment plantৰ ৩০ শতাংশ কাম বাকী আছে।

(৪) লো চিমেণ্ট আদি পাওঁতে কিছুদিন পলম হোৱা গতিকে আঁচনি বোৰ সম্পূৰ্ণ হওঁতে কিছু দেৰি হৈছে।

(৫) কোনো এটা আঁচনিতে বিদ্যুত সংযোগ পোৱা হোৱা নাই।

(ঘ) ১৯৮৮-৮৯ চনৰ বিত্তীয় বছৰতেই সম্পূৰ্ণ কৰাৰ বাবে চেষ্টা কৰা হব।

শ্ৰীদেবেশ্বৰ বৰা: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে যে ১৯৮৫ চনত আঁচনি গ্ৰহণ কৰা হোৱা নাই। আৰু বিজুলী অসুবিধাৰ কাৰণে এই ক্ষেত্ৰত অসুবিধা হব বুলি জনাইছে, কিন্তু মন্ত্ৰী মহোদয় শক্তি মন্ত্ৰীৰ লগত যোগাযোগ কৰি এই ক্ষেত্ৰত কিবা ব্যৱস্থা লবনে আৰু আজি সদনত আমাক আশ্বাস দিবনে ?

শ্ৰীদীগেন বৰা: মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে শক্তি মন্ত্ৰীৰ লগত আলোচনা কৰা হব।

বিষয়: "ফুড্ ক্ৰাফ্ট ইনষ্টিটিউট"।

শ্ৰীপ্ৰদীপ হাজৰীকাই সুধিছে:

* ৪০৩। মাননীয় পৰ্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) কেন্দ্ৰীয় চৰকাৰৰ বৃত্তীয় সাহায্যৰ উত্তৰ পূৰ্ববাঞ্চলৰ বাবে অসমত হোটেল মেনেজমেণ্টৰ এটা অংশ "ফুড্ক্ৰাফট ইনষ্টিটিউত" নামৰ এটা এবছৰীয়া পাঠ্যক্ৰমৰ শিক্ষানুস্থান থকা কথাটো চৰকাৰে জানেনে ?

(খ) কেন্দ্ৰীয় চৰকাৰে এই শিক্ষানুস্থানটিক তিনিবছৰৰ পাচত পূনাঙ্গ "হোটেল মেনেজ্মেণ্ট কেটৰিং টেক্নলজি এণ্ড এপ্লাইড্ নিউট্ৰেচন" স্থাপন কৰি তিনিবছৰীয়া পাঠ্যক্ৰম আৰম্ভ কৰাৰ কথাটোও জানেনে ?

(গ) বৰ্ত্তমান এই শিক্ষানুস্থানটো কেনে অৱস্থাত আছে ?

(ঘ) বৰ্ত্তমান বাঢ়ি অহা পৰ্য্যটন উদ্যোগৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি এই শিক্ষানুস্থানটিক এখন পূৰ্ণ পৰ্য্যায়ৰ শিক্ষানুস্থানলৈ ৰূপান্তৰ কৰি ৰাজ্যৰ ছাত্ৰ

ছাত্ৰী সকলৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন ( পৰ্য্যটন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) হয়, জানে।

(খ) ফুড্‌ক্ৰাফট শিক্ষানুস্থান খনক পূনাঙ্গ "হোটেল মেনেজমেণ্ট কেটাৰিং টেক্‌নলজি এণ্ড এপলাইড্ "নিউট্ৰেচন" শিক্ষানুস্থানলৈ উন্নতি কৰাৰ বাবে কোনো সময়ৰ সীমা কেন্দ্ৰীয় চৰকাৰে বান্ধি দিয়া নাই।

(গ) এই শিক্ষানুস্থানটো বৰ্ত্তমান ভাড়া ঘৰত চলাই থকা হৈছে আৰু এতিয়ালৈকে দুটা এবছৰীয়া পাঠ্যক্ৰম শেষ কৰা হৈছে।

(ঘ) কৰা হব।

শ্ৰীগুনিন হাজৰিকা ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমত বাঢ়ি অহা হোটেল বিশেষকৈ পৰ্য্যটন হোটেল স্থাপন কৰা হৈছে এই হোটেল বিলাকত থলুৱা ল'ৰা নিযুক্তি দিয়াৰ বাবে চৰকাৰৰ কিবা নীতি আছে নেকি বা গ্ৰহণ কৰিছে নেকি ?

শ্ৰীভৃগু কুমাৰ ফুকন ( মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, ভাৰত চৰকাৰৰ প্ৰচলিত নিয়ম অনুসাৰে আৰম্ভনীৰে পৰা পাচ বছৰলৈ ভাৰত চৰকাৰে বৃত্তীয় সাহাৰ্য্য দি থাকিব। ইয়াৰ পিচত অনুষ্ঠানটোৰ পৰিচালনাৰ দায়িত্ব অসম চৰকাৰ আৰু সেই অনুপাতে নিযুক্তি দিয়ে।

**Re : Report of flood damage.**

Shri Mithias Tudu asked :

* 404. Will the Minister, Relief and Rehabilitaion be pleased to state :

(a) Whether the Government received any report from the S. D. O. (C) Gossaigaon regarding the damages caused by the Floods in 1987 ?

(b) If so, the extent of damages in respect of loss of crop, cattle heads, human lives, houses ?

(c) Whether any relief was given to the persons who suffered lossess due to floods in 1987.

(d) If so, how ?

Shri Thanewar Boro, (Minister, Relief and Rehabilitation) replied :

(a) Yes.

(b) Crop area damaged 11,315 hectres, Cattle head lost 203 nos, human lives lost-nil, houses damaged-1044 nos

(c) Yes.

(d) In the form of Gratuitous Relief Rehabilitation Grant and assistance to farmers.

শ্ৰীমিথিয়াচ টুডু: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এ' প্ৰশ্নৰ উত্তৰত হয় বুলি দিছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে যে ৰিপোৰ্টমতে ফ্লাড ৰিলিফৰ কাৰণে কিমান ধন বিচাৰিছে ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, কোকৰাঝাৰ জিলাৰ কাৰণে বানপানাত ক্ষতিগ্ৰস্ত লোকক চাৰে দহ লাখ দিয়া হৈছে। ২৫ হাজাৰ ৮৮ জন লোকলৈকে ৫ দিনত ভগাই দিয়া ব্যৱস্থা কৰা হৈছিল। তাৰ ভিতৰত ৬২৭ কেজি চাউল, ১১২.৬ কেজি দালি, ৩৪.৫৭ কেজি নিমখ, ৬৬ কেজি চিৰা, ৬১ কেজি গুৰ তাৰ ওপৰি ২শ কেজি পেট্ৰোলিয়াম প্ৰডাক্ট আৰু বীজ যোগানৰো ব্যৱস্থা কৰা হৈছিল।

বিষয়: ৰিশ্ববিদ্যালয়ৰ পঞ্জীয়কৰ কাৰ্য্যালয়।

শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে:

* ৪০৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমৰ বিশ্ববিদ্যালয় কেইখনৰ পঞ্জীয়ক পদৰ পদাধিকাৰী সকলৰ কাৰ্য্যকাল কেই বছৰীয়া ?

(খ) ডিব্ৰুগড় বিশ্ববিদ্যালয়ত বৰ্ত্তমান থকা পঞ্জীয়ক গৰাকীৰ কাৰ্য্যকাল নিয়মানুসাৰে উকলি গৈছে নেকি ?

(গ) যদি উকলি গৈছে তেন্তে নতুনকৈ পঞ্জীয়ক নিযুক্তিৰ বাবে কৰ্ত্তপক্ষই ব্যৱস্থা লৈছে নেকি ?

(ঘ) যদি লোৱা নাই, কিয় লোৱা নাই ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে:

(ক) গুৱাহাটী ৰিশ্ববিদ্যালয়ৰ পঞ্জীয়কৰ নিযুক্তি ৫ বছৰৰ বাবে হয়। কিন্তু তেওঁক পুণৰ নিযুক্তিও দিব পাৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আইনত পঞ্জীয়কৰ কাৰ্য্যকালৰ সময় বান্ধি দিয়া নাই।

(খ)
(গ) প্ৰশ্ন নুঠে।
(ঘ)

শ্ৰীকিৰণ কুমাৰ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে, কৈছে যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়কৰ কাৰ্য্যকাল ৫ বছৰ। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ তেনেকুৱা কোনো সীমিত সময় নাই। মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, বিশ্ববিদ্যালয় বুলিলে অসমৰ আটাইখিনি বিশ্ববিদ্যালয়ৰ কথা বুজায় আৰু সকলোবে নিয়ম পদ্ধতি একে হব লগে। কোনোৰা বিশ্ববিদ্যালয়ৰ পঞ্জীয়কৰ কাৰ্য্যকাল ৫ বছৰ আৰু কোনোৰা বিশ্ববিদ্যালয়ৰ কাৰ্য্যকাল নিৰ্দ্ধাৰিত সময় নাই। গতিকে একে পদ্ধতি বা কাৰ্য্যকাল একে কৰাৰ কাৰণে মন্ত্ৰী মহোদয়ে ব্যৱস্থা লবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, বিশ্ববিদ্যালয় সমূহ নিৰ্দিষ্ট এক্ট মতে বিবেচনা কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ১৯৮৭ চনৰ সংশোধনী ধাৰা মতে পঞ্জীয়কৰ সম্পৰ্কে কৈছিল .. ডি টাম অব অফিচ অব ডি ৰেজিচট্ৰাৰ চেল বি ফৰ ফাইভ ইয়াৰ্চ ...। কিন্তু ১৯৬৫ চনৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ এক্ট সংশোধনী সম্পৰ্কে কোনো উল্লেখ নাই। ডিব্ৰুগড় বিশ্ববিদ্যালয় অৰডিনেঞ্চ টাম সংশোধী নকৰিলে ৫ বছৰীয়া কৰিব পৰা নহব। মাননীয় অধ্যক্ষ মহোদয়, একোখন বিশ্ববিদ্যালয় একোটা নিৰ্দিষ্ট সময়ত স্থাপন কৰা হয়। আৰু ইয়াৰ ভিত্তিতেই আইন প্ৰনয়ন কৰা হয়। সেই মতে আইন পৰিচালনা কৰা হয় আৰু এই বিষয়ে বিবেচনা কৰাৰ ব্যৱস্থা নাই।

শ্ৰীকিৰণ কুমাৰ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত বিভিন্ন পৰ্য্যায়ত বিভিন্ন মহলে দাবী জনাই আহিছে। গতিকে চৰকাৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়কৰ পদটো ৫ বছৰীয়া কৰিবলৈ অৰডিনেঞ্চ জাৰি কৰিব নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো পৰামৰ্শ আগবঢ়াইছে এইটো আমি নিৰ্দিষ্ট সীমাৰ মাজত বিবেচনা কৰিম।

**Re : Water Supply Schemes.**

Shri Mosiruddin Sheikh, asked :

* 406. Will the Minister, Public Health Engineering be pleased to state :

(a) The number of Piped Water Supply Schemes taken in Dhubri Legislative Assembly Constituency (Please state

the list with the name of the villages covered by each Scheme)

(b) Whether the works of the Water Supply Schemes in Dhubri town has been started and when it is expected to be completed ?

Shri Digin Chandra Bora (Minister Public Health Engineering) replied ?

(a) 12 (Twelve) Piped Water Supply Schemes. (see Annexure I for details)

(b) Yes, started. The Scheme is expected to be completed by 1991.

(No Supplementaries.)

বিষয়ঃ অৱসৰ প্ৰাপ্ত আৰু মৃত শিক্ষকৰ পৰিয়ালৰ পেঞ্চন।

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছেঃ

* ৪০৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অৱসৰ প্ৰাপ্ত শিক্ষক আৰু মৃত শিক্ষকৰ পৰিয়ালৰ অনতি পলমে নিয়মীয়া পেঞ্চনৰ ব্যৱস্থা কৰিবনে ?

(খ) ইংৰাজী ৪-৯-৮৫ তাৰিখত অৱসৰ দিয়া অসমৰ বিভিন্ন মহকুমাৰ শিক্ষক সকলৰ অৱসৰ আগৰ ২-৩ মাহৰ বেতন আৰু অৱসৰৰ পিচত দিয়া সাহাৰ্য্য টকা-খিনি অনতি পলমে চৰকাৰে মুকলি কৰি দিয়া ব্যৱস্থা কৰিবনে ?

(গ) উচ্চ মাধ্যমিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক, অফিচ সহায়ক, পিয়ন, চকিদাৰ আদিক দিয়াৰ দৰে প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সকলকো অৱসৰ আৰ্জিত চুটী টকা দিয়া ব্যৱস্থা কৰিবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) সংশ্লিষ্ট বিভাগে ব্যৱস্থা লৈ আছে।

(খ) দিবলগীয়া প্ৰাপ্য টকা থাকিলে দিয়াৰ ব্যৱস্থা কৰা হ'ব।

(গ) যিহেতু প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ আৰ্জিত ছুটী নাই সেয়ে তেখেত সকলক আৰ্জিত ছুটীৰ বিনিয়মৰ টকা দিয়াৰ ব্যৱস্থা নাই।

শ্ৰীদিলীপ শইকীয়াঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰত সংশ্লিষ্ট বিভাগ বুলি কোৱা হৈছে এই সংশ্লিষ্ট বিভাগ কোনটো সেইটো আমি ধৰিব পৰা নাই। ফাইনেঞ্চ আৰু পেঞ্চন এই দুটা বিভাগৰ খেলি মেলিৰ কাৰণে আজিলৈকে টকা পোৱা নাই। ৪।৯।৭৫ তাৰিখতে বিভিন্ন মহকুমাত অৱসৰ পোৱা শিক্ষক সকলে

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এতিয়া কেন্দ্ৰীয় চৰকাৰৰ হাৰত দৰ্মহা সংশোধন হব নে নহয় সেইটো কব পৰা নাযায়। ইতিমধ্যে দৰ্মহা আয়োগ গঠন কৰা হৈছে।

শ্ৰীৰামেন্দ্ৰ দে: অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো সম্পৰ্কত আয়োগ গঠন কৰা প্ৰশ্ন নুঠে।

Mr. Speaker, Sir, has the Government of Assam already accepted a part of the recommendations of the 4th Central Pay Commission ? Whether it is a fact or not ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী): অধ্যক্ষ মহোদয়, যিহেতু ৰাজ্য চৰকাৰে দৰ্মহা আয়োগ গঠন কৰাৰ সিদ্ধান্ত লৈছে সেই সম্পৰ্কে এতিয়াই কব পৰা নাযায়।

**Shri Ramendra De** : Sir, whether the State Government has submitted a memorandum to the 9th Finance Commission that just to meet the liabilities of the State Government with regard to salaries and allowances etc. such and such amount will be necessary for the State Government ?

বিষয়: চুঙাজান অঞ্চলত পট্টাৰ ব্যৱস্থা।

শ্ৰীবিনোদ গোৱালাই সুধিছে :—

* ৪৭০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) চুঙাজান অঞ্চলত ৩০/৩৫ বছৰ ধৰি বসবাস কৰি থকা ভূমিহীন লোকক জৰীপ কৰি পট্টা দিয়াৰ ব্যৱস্থা কৰিব নে ?

(খ) যদি ব্যৱস্থা গ্ৰহণ কৰে কেতিয়াৰ পৰা জৰীপৰ কাম আৰম্ভ কৰা হব।

শ্ৰীথানেশ্বৰ বড়ো, (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে, উত্তৰ দিছে:

(ক) জৰীপ কৰা হলে যোগ্যতাৰ ভিত্তিত মাটি আবণ্টন বা পট্টন দিয়াৰ ব্যৱস্থা কৰা হব।

(খ) এই সম্পৰ্কে এতিয়াই কব পৰা নাযায়।

শ্ৰীদেবেশ্বৰ বৰা: মাননীয় অধ্যক্ষ মহোদয়, জৰীপ কৰি থকা অৱস্থাতে চুঙাজান অঞ্চলটো সামৰি লব পৰা হব নেকি এই কথাটো মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ।

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, চুঙাজান অঞ্চলটো যদি বনাঞ্চলৰ ভিতৰত পৰে আৰু এই বনাঞ্চল যদি ৰাজহ বিভাগলৈ হস্তান্তৰ কৰা নহয় তেনে হলে অসুবিধা হব। যদি বনাঞ্চলত নাই তেতিয়া নতুন পলিচী মতে নতুনকৈ বসবাস কৰা লোকসকলক মাটি দিয়া হব পাৰে কিন্তু আগেয়ে পট্টন দিব পৰা নাযাব।

Starred Question *471 was deferred

Starred Question * 472 was not called for. However, written replies deemed to have been laid on the Table of the House as follows :

**Re : Registration of document.**

Shri Silvius Condpan asked :

* 472. Will the Minister, Registration be pleased to state :

Whether Government would consider to make administrative arrangement for registration of documents (as it is done by sub-registrars) in all the Block Development Offices under Senior Block Development offlcers for removing hardship of general public ?

Shri Thaneswar Boro, (Minister, Registration) replied :
No such proposal is thought be necessary.

**Re : Withdrawal of a case.**

Shri Binai Khungur Basumatari asked.

* 473, Will the Minister, Law, Justice Judicial be pleased to state :

(a) Whether it is true that the public prosecutor, Mangaldoi, Darrang applied for withdrawal of Paneri P. S. Case No. 181/83 (G.R Case) No. 724/83), vide charge sheet No. 35 dated 16.3 84 on 14.12.87 before the Sessions Judge, Darrang, Mangaldoi ?

(b) If so, has this case been withdrawn ?

(c) If so, is it a case relating to the Foreigner's Agitation during 1979-85 led by AASU and Gana Sangram Parisha ?

(d) If not, will the Government revive the case for the sake of natural justice ?

Shri Surendra Nath Medhi, (Minister, Law) replied :

(a) Yes,

(b) Yes.

(c) On examination of the available materials, it was considered to be a case related to the Assam Agitation.

(d) Does not arise.

Shri Ramendra De : Sir, the relevant papers are with me. The FIR was submitted on 25.3.85 by the father of the deceased girl. It was stated in the FIR that there was quarrel between two families and after that the girl was killed. So this case has no relation with the agitation at all that time nor was there any agitation. The papers are here and I am submitting these to your honour for examination.

Shri Surendra Nath Medhi, (Minister) : Sir, the papers were put up before the L. R. and he gave his opinion that it was aftermath of 1983 election and it was related to Assam agitation. Accordingly the Public Prosecutor filed an application before the Court and with the consent of the Court the case was allowed to be withdrawn U/S 321 Cr. P. C.

শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মই এটি কথা জানিব বিচাৰিছোঁ এই বেচৰ লগত জড়িত দুজন মানুহৰ এজনৰ পুতেক এজন নাইকীয়া হৈছে সেইটোৱো আজিলৈ একো তদন্ত নহল। দ্বিতীয়তে এই কথালৈ দুটা দলৰ মাজত সংঘৰ্ষৰ সৃষ্টি হল কিন্তু সেই হেৰোৱা লৰা জনৰো একো ব্যৱস্থা নহল আৰু এই সংঘৰ্ষৰো একো তদন্ত নহল। এই সম্পৰ্কত কিবা নথি পত্ৰ চৰকাৰৰ ওচৰত আছেনে ?

Shri Surendra Nath Medhi (Minister) : These materials are not in the record. I may inform the House that against the order of the withdrawal of the case a revision application has been filed in the High Court and it is pending. So the

matter is subjudice. As such, it will not be proper to discuss the matter.

Mr. Speaker : (when several members rose to speak). The matter is subjudice and I can not allow any further discussion on it.

বিষয় :—ফুলগুৰী চাঙৰ গুলী চালনাৰ তদন্ত।

শ্ৰীগুনীন হাজৰিকাই সুধিছে :

* ৪৭৪। মাননীয় মুখ্যমন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) নগাওঁ জিলাৰ ফুলগুৰী চাঙৰ গুলীচালনাৰ দণ্ডাধীশ পৰ্য্যায়ৰ তদন্তৰ প্ৰতিবেদন দাখিল কৰিলেনে ?

(খ) যদি দাখিল কৰিলে এই ৰিপোৰ্টৰ ভিত্তিত চৰকাৰে কি কি ব্যৱস্থা লৈছে।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, মুখ্যমন্ত্ৰীয়ে উত্তৰ দিছে :—

(ক) হয়, কৰিলে।

(খ) প্ৰতিবেদন ইং ১৮।৪।৮৮ তাৰিখে পোৱা হৈছে আৰু বৰ্ত্তমানে পৰীক্ষাধীন হৈ আছে।

শ্ৰীগুনীন হাজৰিকা : মাননীয় অধ্যক্ষ মহোদয়, এই তদন্তৰ ৰিপোৰ্ট সদস্য সকলৰ জ্ঞাতাৰ্থে সদনৰ মজিয়াত দিয়া হবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন, (গৃহমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই তদন্তৰ প্ৰতিবেদন পোৱা হৈছে আৰু ইয়াক পৰীক্ষা নিৰীক্ষা কৰি থকা হৈছে, সেয়ে এতিয়াই সদনত দিব পৰা নাযাব।

বিষয় :—বিকেন্দ্ৰীকৃত-পৰিকল্পনা।

শ্ৰীদীনবন্ধু চৌধুৰীয়ে সুধিছে :

* ৪৭৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বিকেন্দ্ৰীকৃত পৰিকল্পনা প্ৰকৃত উদ্দেশ্য মুখী আৰু সফল ৰূপায়ণ কৰাৰ অৰ্থে প্ৰশাসনিক আৰু বিত্তীয় ক্ষমতাও বিকেন্দ্ৰীকৃত কৰা ব্যৱস্থা গ্ৰহণ কৰিবনে ?

(খ) যদি ব্যৱস্থা গ্ৰহণ কৰে তেন্তে প্ৰশাসনিক আৰু বিত্তীয় ক্ষমতা মহকুমা পৰ্য্যায়লৈ বিকেন্দ্ৰীকৃত কৰাৰ বাবে কিবা কাৰ্য্যকৰী ব্যৱস্থা লোৱা হৈছে নে ?

(গ) যদি লোৱা হোৱা নাই, অনতি পলমে ক্ষমতা বিকেন্দ্ৰীকৃত কৰাৰ বাবে কাৰ্য্যকৰী ব্যৱস্থা কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) হয়, কৰা হৈছে।

(খ) উন্নয়ন প্ৰশাসন মহকুমা পৰ্য্যায়লৈ বিকেন্দ্ৰীকৃত কৰাৰ বাবে কেইবাটিও কাৰ্য্যকৰী ব্যৱস্থা ইতিমধ্যে লোৱা হৈছে। বিকেন্দ্ৰীকৰণৰ অঙ্গ হিচাবে প্ৰত্যেক মহকুমাত পৰিকল্পনা আৰু উন্নয়ন পৰিষদ গঠন কৰি তলত উল্লেখ কৰা প্ৰশাসনিক ব্যৱস্থা সমূহ বিকেন্দ্ৰীকৃত কৰা হৈছে।

(১) মহকুমা পৰ্য্যায়ত পৰিকল্পনা যুগুত কৰিবৰ কাৰণে কেইটিমান উন্নয়ন শিতান চিনাক্ত কৰা হৈছে। সেই শিতান সমূহৰ মহকুমা পৰ্য্যায়ৰ আঁচনিৰ বিতং পৰিকল্পনা যুগুতোৱাৰ ভাৰ পৰিষদক অৰ্পণ কৰা হৈছে।

(২) উপৰোক্ত আঁচনি সমূহৰ সংশ্লিষ্ট উপভোক্তা বাচনি, স্থান আদিৰ নিৰ্ণয় কৰিবৰ কাৰণেও পৰিষদক ক্ষমতা প্ৰদান কৰা হৈছে।

(৩) আঁচনি সমূহৰ পৰ্য্যালোচনা আদিৰ ভাৰ পৰিষদৰ ওপৰত ন্যস্ত কৰা হৈছে।

বিকেন্দ্ৰীকৃত পৰিকল্পনা ৰূপায়ণৰ বাবে সংমণ্ডল আয়ুক্ত সকললৈ বিত্তীয় ক্ষমতা প্ৰদানৰ উদেশ্যে কাৰ্য্যকৰী ব্যৱস্থা লোৱা হৈছে।

(গ) প্ৰশ্ন নুঠে।

শ্ৰীদীনবন্ধু চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, এতিয়া যিটো বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ ব্যৱস্থা কৰা হৈছে সেইটোত আচলতে বাধাতামূলকভাৱে অনুমোদন লোৱা ব্যৱস্থা হৈয়ে আছে। গতিকে মোৰ প্ৰশ্নটো হৈছে বিত্তীয় আৰু প্ৰশাসনিক ক্ষমতা যদি মহকুমা পৰিষদলৈ দিয়া নহয় তেতিয়া হলে বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ আচনি ফলপ্ৰসূ হব নোৱাৰে। গতিকে এইটো মহকুমা পৰ্যায়লৈ দিয়াৰ কিবা ব্যৱস্থা কৰিবনে মন্ত্ৰী মহোদয়ে আমাক জনাবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন, ( গৃহমন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে সদনত কৰা প্ৰশ্নটোৰ বিষয়ে বিবেচনা কৰা হব।

শ্ৰীদেবেশ্বৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়. মই জানিব বিচাৰিছোঁ যে মনিটৰিং চিষ্টেমটো মহকুমা পৰ্য্যায়ত প্ৰচলন কৰিব নোৱাৰিবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন ( গৃহমন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, সাধাৰণতে যি পৰ্য্যায়ত আচনি প্ৰস্তুত কৰা হয় সেই পৰ্য্যায়তে সকলো বিত্তীয় মঞ্জুৰীৰ ক্ষমতা

প্ৰদান কৰা নহয়। সেই বাবে মহকুমা পৰ্য্যায়ত জিলা কেন্দ্ৰীয় গোটৰ তত্বাবধানত প্ৰস্তুত কৰা আচনি সমূহৰ বিত্তীয় মঞ্জুৰীৰ ক্ষমতা সংমণ্ডলীয় আয়ুক্ত পৰ্য্যায়লৈ বিকেন্দ্ৰীকৰণৰ বাবে ব্যৱস্থা লোৱা হৈছে। অনতিপলমে এই ব্যৱস্থা কাৰ্য্যকৰী হৈ উঠিব বুলি আশা কৰা হৈছে।

শ্ৰীমোক্তাৰ হুচেইন: মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ বিকেন্দ্ৰীকৃত আচনিক আমি স্বাগতম জনাইছোঁ। কিন্তু মোৰ কথা হল প্ৰশাসনক যদি সচাকৈ ৰাইজৰ ওচৰলৈ চপাই নিয়াৰ চেষ্টা কৰা হৈছে তেন্তে উপপ্ৰতি সমাহৰ্তাকে নিম্নতম প্ৰশাসনীয় গোট হিচাপে স্বীকৃতি দিব নোৱাৰিবনে?

শ্ৰীভৃগু কুমাৰ ফুকন, (গৃহমন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, আজি এতিয়াই এই ৰূপটোৰ কথা কব নোৱাৰিম পিচত আলোচনা কৰি জনাব পৰা হব।

Starred Question 476 was not called for. However, written replies deemed to have been laid on the Table of the House as follows :

**Re : V. G. R in Gossaigaon Sub-Division.**

Sri Mithias Tudu, asked :

* 476. Will the Minister Revenue be pleased to state.

(a) Whether the V. G. Rs in Gossaigaon Sub-Division have been given to the Social Forests Deptt. for Social forestry ?

(b) If not, will the Government vacate the V. G. Rs for grazing cattle from the occupation of the Social Forestry Department ?

Sri Thaneswar Boro, ( Minister, Revenue ) replied :

(a) & b) : Materials have not yet been received from District. Necessary action will be taken on receipt of the materials from district authority.

বিষয়: কাৰ্বন ইণ্ডাষ্ট্ৰিজ।

শ্ৰীভৰেন বৰুৱাই সুধিছে:

* ৪৭৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) তিনিচুকীয়া মহকুমাৰ অন্তৰ্গত ( মাকুম ৰ'ড ) ৩৭ নং ৰাষ্ট্ৰীয় পথৰ কাষত কাৰ্বন ইণ্ডাষ্ট্ৰিৰ নামত কিমান মাটি আৱণ্টন দিয়া হৈছে ?

(খ) উক্ত মাটি উক্ত ইণ্ডাষ্ট্ৰিয়ে কেতিয়া কেনেকৈ লাভ কৰিছে ?

শ্ৰীথানেশ্বৰ বড়ো, ( ৰাজহ বিভাগৰ মন্ত্ৰীয়ে ) উত্তৰ দিছে ঃ

(ক) তিনিচুকীয়া মহকুমাৰ অন্তৰ্গত ইণ্ডিয়া কাৰ্বন ( ৰেলক ) লিমিটেড ইণ্ডাষ্ট্ৰিৰ নামত ৫০ ( পঞ্চাশ ) বিঘা মাটি আৱণ্টন দিয়া হৈছে।

(খ) উক্ত মাটি উক্ত ইণ্ডাষ্ট্ৰিয়ে দাখিল কৰা দৰ্খাস্তৰ মৰ্ম্মে ১৯৭৮ চনত আৱণ্টন দিয়া হৈছে।

শ্ৰীভবেন বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, উক্ত উদ্যোগটো উক্ত স্থানত নিৰ্মাণ কৰা হৈছে নে নাই মন্ত্ৰী মহোদয়ে জানে নে ?

শ্ৰীথানেশ্বৰ বড়ো ( ৰাজহ মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, তাত উদ্যোগ'টো স্থাপন হৈছে নে নাই সেইটো নাজানো কিন্তু মাটি পঞ্চাশ বিঘা আৱণ্টন দিয়া হৈছিল। সম্প্ৰতি তাত উদ্যোগটো স্থাপন হোৱা নাই বুলি জানিব পাৰিছো আৰু কোম্পানীৰ এজন কৰ্মচাৰীয়ে তাত ঘৰ বান্ধি আছে এবিঘা মাটি জুৰি, সেইটো জানিব পাৰিছো।

শ্ৰীভবেন বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উদ্যোগ স্থাপন হোৱাতো নাজানো বুলি কৈছে এইটো সঁচা কথা। উক্ত মাটি উক্ত উদ্যোগে ব্যৱহাৰ কৰা নাই গতিকে সদনত এইটো আশ্বাস দিবনে যে উক্ত মাটি চৰকাৰী ভাবে পুনৰ অধিগ্ৰহণ কৰি লোৱাৰ ব্যৱস্থা কৰিব ?

শ্ৰীথানেশ্বৰ বড়ো, ( ৰাজহমন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কোৱা কথাটো সঁচাকৈয়ে তদন্ত কৰি চাম আৰু যদি সঁচাকৈয়ে ব্যৱহাৰ কৰা নাই অৱশ্যে মাটি পোৱাৰ পিচতো তিনি বছৰ সময় পায় যদি তাৰো পিচত কৰা নাই সেইটো তদন্ত কৰি সেই মতে ব্যৱস্থা লব পৰা হব।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৭৮ চনৰ পৰা ১৯৮৪ চনলৈ এটা বিশেষ পৰিবেশৰ সৃষ্টি হৈছিল। ৰাষ্ট্ৰপতিৰ শাসনৰ সময় ছোৱাত সেই সময়ৰ কামৰূপৰ উপায়ুক্ত শ্ৰীঅগ্নিহোত্ৰীয়ে মাটি দিছিল আৰু নিজেও লৈছিল কিন্তু ব্যৱহাৰ কৰা নাই। ইণ্ডাষ্ট্ৰি বা ঘৰ বান্ধিবৰ কাৰণেও বহুতক মাটি দিছিল সেই মাটিবোৰ ঘূৰাই অনাৰ ব্যৱস্থা এতিয়াৰ চৰকাৰে কৰিব নে ?

শ্ৰীথানেশ্বৰ বড়ো, ( ৰাজহমন্ত্ৰী ) : অধ্যক্ষ মহোদয়, যিবোৰ মাটি আবণ্টন কৰিছিল সেই মাটিবোৰ ঘূৰাই অনাৰ অসুবিধা নাই কিন্তু যি বিলাকত পট্টন দিয়া হৈছিল সেই বিলাকত অসুবিধা আহি পৰিব। তথাপিও এইটো মই তদন্ত কৰাম।

শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, সেই সময়ত শ্ৰীঅগ্নিহোত্ৰীৰে হাতত পট্টন দিয়াৰ ক্ষমতা আছিল তেনে স্থলত নিজৰ নামত লোৱাৰ পিচত পট্টন লোৱাৰ নিশ্চয় ব্যৱস্থা কৰিছিল এইটো বিশেষভাবে তদন্ত কৰাৰ ব্যৱস্থা ৰাজহমন্ত্ৰীয়ে কৰাব নে?

শ্ৰীথানেশ্বৰ বড়ো, ( ৰাজহমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এইটো তদন্ত কৰাম।

শ্ৰীগুণীন হাজৰিকা : অধ্যক্ষ মহোদয়, এনে ধৰণৰ মাটি আবণ্টন পোৱাৰ ক্ষেত্ৰত দৰ্খাস্তকাৰীৰ আবেদন পোৱাৰ পিচত চৰকাৰে উপায়ুক্তৰ ওচৰত আবেদন কৰিবলৈ জনায় নে আবেদনকাৰীৰ কাগজপত্ৰ আদি চাই চৰকাৰে নিজে তাৰ ওপৰত ব্যৱস্থা লয় মন্ত্ৰী মহোদয়ে জনাবনে? কিয়নো অলপতে কাগজত দেখিছো অইল ইণ্ডাষ্ট্ৰিয়ে ছয় কোটি টকাৰ প্ৰজেক্ট এটা স্থাপন কৰাৰ মাটিৰ বাবে উপায়ুক্তৰ লগতহে যোগাযোগ কৰিছে।

শ্ৰীথানেশ্বৰ বড়ো; ( ৰাজহমন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মাটি সাধাৰণতে জিলা কৰ্তৃপক্ষৰ তদন্তন প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰিয়েই দিয়া হয়। যদি কোনোবাই বিশেষ ভাবে পোনপটীয়াকৈ চৰকাৰৰ লগত যোগাযোগ কৰে তেতিয়াও উপায়ুক্তৰ পৰা এই বিষয়ক কোন ঠাইত মাটি দিব পৰা যায় তাৰ প্ৰাতিবেদন বিচৰা হয় আৰু সেই মতে উপায়ুক্তৰ পৰা প্ৰস্তাৱ দিয়ে।

শ্ৰীগুণীন হাজৰিকা : অধ্যক্ষ মহোদয় অসমৰ বাইজৰ স্বাথৰ কাৰণে ছয় কোটি টকাৰ প্ৰজেক্ট এটা অসমত হব সেইটোৰ কাৰণে উপায়ুক্তৰ ওপৰত কিয় পঠাইছে আৰু চৰকাৰে নিজেই কিয় ব্যৱস্থা লব পৰা নাই জানিব পৰা নাই?

শ্ৰীথানেশ্বৰ বড়ো, ( ৰাজহমন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মাটি পৰিব কাৰণে উপায়ুক্তৰ পৰা তদন্তৰ প্ৰাতিবেদন প্ৰথমতে চৰকাৰে পাব লাগিব। তেনে কোনো কোম্পানীয়ে পোনপটীয়া ভাবে আমালৈ দৰ্খাস্ত কৰা নাই।

শ্ৰীদেবেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, যি বিলাক উদ্যোগে ৰাজহ বিভাগৰ পৰা মাটি লৈছে অথচ উদ্যোগ খোলা নাই সেই বিলাক কি কৰিব? চৰকাৰী ভাবে কিবা ব্যৱস্থা লব নে নলব জানিব বিচাৰিছোঁ।

শ্ৰীথানেশ্বৰ বড়ো, (ৰাজহমন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, এইটো প্ৰশ্নৰ উত্তৰ আগতে দিলোৱেই। এটা কথা জনাব বিচাৰিছো যে তিনি বছৰলৈ সেই মাটি ব্যৱহাৰ কৰাৰ সময় থাকে। তাৰ পিচত আবণ্টন বাতিল কৰিব পাৰি। কিন্তু যোৱা বছৰ মই এখন নিৰ্দ্দেশ দিছিলো আৰু দুই বছৰ বিবেচনাকাল বঢ়াই দিয়াৰ ব্যৱস্থা কৰা হৈছিল। গতিকে মুঠতে পাচ বছৰৰ ভিতৰত আবণ্টিত মাটি ব্যৱহাৰ নকৰিলে সেই আবণ্টন বাতিল কৰিব পাৰি। যি বিলাকে মাটি বিচাৰিছে তেওঁ বিলাকে ভূমি উপদেষ্টা কমিটিৰ লগত যোগাযোগ সাপেক্ষে কৰিব লাগে।

শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দে ঃ অধ্যক্ষ মহোদয়, মাটি আবণ্টন কৰাৰ কাৰণে উদ্যোগ বিলাকৰ ক্ষেত্ৰত যিটো ফিজিবিলিটি ৰিপোৰ্ট সেইটো ৰাজহ বিভাগৰ পৰা চোৱা হয় নে নহয় সেইটো মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। কিয়নো লংকাত এটা মিনি উদ্যোগৰ কাৰণে দেখা গৈছে পানী আদি নাপায়। গতিকে মন্ত্ৰী মহোদয় উদ্যোগক মাটি দিয়াৰ ক্ষেত্ৰত ফিজিবিলিটি ৰিপোৰ্ট পৰীক্ষা কৰাৰ ওপৰত গুৰুত্ব দিবনে? দৰকাৰ হলে উদ্যোগ বিভাগৰ লগতো এই সম্পৰ্কত যোগাযোগ কৰিবনে?

শ্ৰীথানেশ্বৰ বড়ো, ৰাজহ মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয় এইটো প্ৰশ্ন ৰিলেভেণ্ট নহয়। মাটি আবণ্টনৰ কাৰণে উপায়ুক্তৰ প্ৰস্তাৱ আৰু প্ৰজেক্ট ৰিপোৰ্ট লাগে, তাৰ উপৰিও চৰকাৰী পাৰমিচন আদি পাইছে নে নাই তাৰো কাগজ পত্ৰ চোৱা হয়। এইটো পোৱাৰ পিচত ভূমি উপদেষ্টা কমিটিৰ পৰামৰ্শ বিবেচনা কৰি উপায়ুক্তৰ পৰামৰ্শ অনুসৰি প্ৰয়োজন ভিত্তিত মাটি আবণ্টন কৰা হয়। পানী আদি পোৱা হয়নে নহয় সেই বিলাক সংশ্লিষ্ট বিভাগে পৰীক্ষা কৰি চায়।

শ্ৰীভবেন বৰুৱা ঃ অধ্যক্ষ মহোদয়, ইণ্ডিয়া কাৰ্বণ খোলাৰ কাৰণে দিয়া পঞ্চাশ বিঘা মাটিৰ ক্ষেত্ৰত চৰকাৰী ভাবে কিবা এটা ব্যৱস্থা কৰাৰ আশ্বাস বিচাৰিছো কিয়নো সেই ইণ্ডাষ্ট্ৰিয়ে আবণ্টিত মাটি ব্যৱহাৰ কৰা নাই। গতিকে আবণ্টন নাকচ কৰি চৰকাৰে হাতত লোৱাৰ কিবা ব্যৱস্থা কৰাৰ আশ্বাস মন্ত্ৰী মহোদয়ে দিবনে?

শ্ৰীথানেশ্বৰ বড়ো, (ৰাজহ মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, এই বিষয়ত অনুসন্ধান কৰি সেইমতে ব্যৱস্থা লম। মই ইতিমধ্যে কৈছো যে এইআবণ্টিত মাটিৰ এবিঘাত সেই কোম্পানীৰে এজন কৰ্ম্মচাৰীয়ে ঘৰ সজাই আছে। গতিকে কোম্পানীয়ে মাটি ব্যৱহাৰ কৰা নাই বুলি এটা ইঙ্গিত দিছোৱেই। ইয়াৰ পিচতো অনুসন্ধান কৰি ব্যৱস্থা লম।

**Re : Payment of money to landless people.**

Shri Abdul Jabbar, asked :

* 478 Will the Minister, Revenue be pleased to State :

(a) Whether the Government is aware that in February, 1987 some People of Sonitpur and Mangaldoi Revenue Circles who are not landless had been paid Rs. 1500:00 as landless people under Dalgaon Revenue Circle ?

(b) Whether it is a fact that some employees of Dalgaon Revenue Circle were suspended for their involvement in the above Case ?

(c) Whether it is a fact that one member of Mangaldoi Legislative Assembly Constituency who distributed the money and presided over the function held for the purpose was exonerated from the involvement in the said case ?

Shri Thaneswar Boro, ( Minister of Revenue ) replied :

(a) 20 persons of Dalgaon Revenue Circle had been paid financial Assistance of Rs. 1500/-each as first instalment under M. N. P. Scheme in February '87' and out of these persons 2 persons were later found not landless.

(b) Yes, two Lot Mondals and one Kanungo have been suspended for their alleged involvement in the matter and departmental proceedings have been started against them also.

(c) Not true.

শ্ৰীআব্দুল জব্বৰ : যদি মঙ্গলদৈ লেণ্ড এডভাইজৰী কমিটিৰ আন্দাৰত শোণিতপুৰ আৰু দলগাওঁ ৰেভিনিউ চাৰ্কোলৰ আন্দাৰত মঙ্গলদৈ ৰেভিনিউ আৰু শোণিতপুৰ ৰেভিনিউ চাৰ্কোলৰ আন্দাৰত মাটি দিয়া হৈছিল নে নাই ? সেই উত্তৰটো মই পোৱা নাই। আৰু বি প্ৰশ্নৰ উত্তৰত দুজন মণ্ডল আৰু এজন

কাননগুক চাচপেনশ্চন কৰা হ'ল। তেওঁলোক নিম্ন খাপৰ চাকৰিয়াল, এই ক্ষেত্ৰত যি এচ, ডি, চি বা ডিষ্ট্ৰিক্ট কালেকটাৰ আছিল তেওঁলোকৰ বিৰুদ্ধে কিয় ৱাহিত ব্যৱস্থা লোৱা ন'হল ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আগতে জনোৱা হৈছিল যে দলগাওঁ ৰেভিনিউ চাৰ্কোলৰ দুজন মানুহক এম, এন, পি স্কীমত ১৫০০ টকা প্ৰথম কিস্তি দিয়া হৈছিল কিন্তু পিছত দেখা গ'ল দুইজন ব্যক্তিয়েই মাটি হীন নহয় বা ভূমিহীন নহয়। সেই কাৰণে এজনৰ পৰা টকাতো আকৌ ঘূৰাই পোৱা হৈছে আৰু এজনৰ বিৰুদ্ধে বাকী যাই কেচ চলি আছে। আৰু তাৰ লাট-মণ্ডল আৰু কাননগু চাচপেশ্চনত আছে। দলগাওঁ ৰেভিনিউ চাৰ্কোলৰ আন্দাৰতেই তেওঁলোকৰ চাচপেনশ্চনৰ প্ৰচিডিং ড্ৰ কৰি থকা হৈছে। অৱশ্যে তেখেতে কোৱা মতে শোণিতপুৰ জিলাৰ কোনোবা ব্যক্তি আছে নেকি ? এই যি সকলে মাটি পাইছিল তেওঁলোক দুজন মাটি পাবৰ যোগ্য নহয়। এজন হ'ল পবন মেধী Misappropriation Case involved গতিকে এই দুজনৰ এজন লক্ষ্যধৰ ৰাজবংশীৰ পৰা টকা ঘূৰাই পোৱা হৈছে আৰু বাকী জনৰ বিৰুদ্ধে বাকী যাই কেচ চলি আছে। এতিয়া চি নং প্ৰশ্নটো শুদ্ধ হোৱা হলে গোটেই প্ৰশ্নটোৰ দিটেইল ৰিপোৰ্ট আহিলেহেতেন।

শ্ৰীআব্দুল জব্বৰ : মাননীয় অধ্যক্ষ মহোদয়, এই সংক্ৰান্তত এটা প্ৰশ্ন আহিছে লাট মণ্ডল আৰু কাননগুৰ বাহিৰে এই কেচৰ লগত এচ ডি, চি বা ডি চি জৰীত আছিল নেকি ? এই সংক্ৰান্তত এই বিষয়ে অনুসন্ধান চলাই বিহিত ব্যৱস্থা লব নেকি ? আৰু ইয়াৰ লগতে মঙ্গলদৈ লেণ্ড এডভাইজৰী কমিটিৰ আন্দাৰত এটা চাব কমিটি কৰি দিয়া হৈছিল, গতিকে এই চাব কমিটিৰ ৰিপোৰ্টটো মন্ত্ৰী মহোদয়ে জনাব পাৰিব নেকি ? প্ৰথম কথা অনুসন্ধান কৰি এচ, ডি, চিৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লব নেকি আৰু ২য়তে চাব লেণ্ড এডভাইজৰী কমিটিৰ ৰিপোৰ্টটো মন্ত্ৰী মহোদয়ে জনাব নেকি ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় চি প্ৰশ্নৰ সম্পৰ্কত এই বিষয়ে হয় তদন্ত কৰিব লাগিব নহলে নতুনকৈ ৰিপোৰ্ট আনিব লাগিব। যিহেতু মিচএপ্ৰোপ্ৰিয়েচন কেচত ইনভলভ গতিকে এইটো তদন্ত কৰিবই লাগিব আৰু এই সম্পৰ্কে তদন্ত কৰি পিছত জনোৱা হব আৰু চাব-কমিটিৰ ৰিপোৰ্টটো আনিব পৰা হব।

শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, মাটি নোপোৱাৰ কথা কৈছে। চাকৰিয়ালে মাটি পোৱাৰ প্ৰভিজন আছে নে নাই ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : সম্প্ৰতি চাকৰিয়ালক এনেয়ে মাটি দিয়াৰ ব্যৱস্থা নাই কিন্তু তেওঁলোক যদি ভূমিহীন হয় আৰু যি ঠাইত থাকে তাতে স্থায়ী ভাবে বসবাস কৰিবলৈ লয় তেতিয়া হলে সেই ঠাইত মাটি দিয়াৰ কাৰণে বিবেচনা কৰিব পাৰি।

শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰী : এজন বৰপেটাৰ চাকৰিয়ালে মঙ্গলদৈত কিয় মাটি নাপাব ? যিহেতু অগ্নিহোত্ৰীয়ে মাটি পাইছিল।

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : মই আগতেই কৈছো যে তেওঁলোক যদি ভূমিহীন হয় আৰু যি ঠাইত থাকে তাত স্থায়ী ভাবে বসবাস কৰিবলৈ লয় আৰু ভূমিহীন বুলি প্ৰমাণিত হয় আৰু সকলো প্ৰকাৰে মাটি পোৱাৰ যোগ্য হয় তেতিয়াহলে মাটি পোৱাৰ কাৰণে বিবেচনা কৰিব পাৰি।

ড° অৰ্দ্ধেন্দু কুমাৰ দে : ভূমিহীন মানুহক যে মাটি দিয়াৰ ব্যৱস্থা আছে কিমান পৰিমাণৰ মাটি পায় তেখেতে দয়া কৰি জনাব নে ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : মাটি অবণ্টন আৰু পট্টন দিয়াৰ ক্ষেত্ৰত যদি ভূমিহীন খেতিয়ক হয় তেতিয়াহলে ঘৰ বান্ধিবৰ কাৰণে ১ বিঘা আৰু খেতি কৰিবৰ কাৰণে ৮ বিঘা, মুঠ ৯ বিঘা মাটি দিয়া হয় কিন্তু চহৰ অঞ্চলত ঠাই বিশেষে এৰিয়া-ওৱাইজ কমবেচি পৰিমাণে দিয়া হয়। এতিয়া গুৱাহাটি চহৰত এজন ভূমিহীন ব্যক্তিক আঢ়ৈ কঠাতকৈ বেচি মাটি দিয়া নহয়। কিন্তু গুৱাহাটিৰ বাহিৰত এজন ভূমিহীন লোকে হয়তো অলপ পৰিমাণৰ মাটি পাব পাৰে। গতিকে চহৰ অঞ্চলৰ এৰিয়াত মাটি দিয়াৰ ক্ষেত্ৰত অলপ তাৰতম্য হব পাৰে।

শ্ৰীদুৰ্গদাস বড়ো : ভূমিহীন খেতিয়ক আৰু চাকৰিয়ালে মাটি পোৱাৰ ব্যৱস্থা আছে কিন্তু বিধায়কৰ যদি মাটি নাই তেতিয়াহলে তেওঁলোকে পোৱাৰ ব্যৱস্থা আছে নে নাই ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : কোন ঠাইত বা বিচাৰিছে ?

শ্ৰীদুৰ্গাদাস বড়ো : গুৱাহাটিতে ধৰক।

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : সদনত যদি সিদ্ধান্ত লয় তেতিয়াহলে দিয়া যাব পাৰে।

শ্ৰীজয়নাথ শৰ্ম্মা : ভূমিহীন বুলি কোৱাৰ লগে লগে হাজাৰ হাজাৰ দৰ্খাস্ত পৰিছিল আৰু থলুৱা লোকৰ বহু সংখ্যক দৰ্খাস্ত ৰিজেক্ট কৰি অসমৰ বাহিৰৰ মানুহক মাটি দিয়া হৈছিল কিয়নো থলুৱা বুলি কোৱাৰ লগে লগেই তেওঁলোকৰ এক ডেৰ কঠা হলেও মাটি আছে। কিন্তু যি সকলক মাটি দিয়া হ'ল সেই সকল

মানুহ ভাৰতীয় নাগৰিক হয় নে নহয় এই বিষয়ে তদন্ত হব লাগে আৰু এনেদৰে যিবিলাক মাটি বাহিৰৰ মানুহক দিয়া হৈছিল তেওঁলোকে ঘৰ বান্ধি আছে নে নাই এইবিলাক চাব লাগে আৰু যদি সেই মাটি পোৱা মানুহ বিলাক থলুৱা নহয় আৰু যিহেতু মাটি দিয়া হৈছিল সেইবিলাক কেনচেল কৰাৰ ব্যৱস্থা কৰিব নে আৰু এইদৰে কিমান মানুহক মাটি দিয়া হৈছিল সেই বিষয়ে জনাবনে ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : মানুহ জন যদি খেতিয়ক হয় আৰু তেওঁৰ যদি মাটি তিনিবিঘাতকৈ কম থাকে তেতিয়াহলে তেওঁক ভূমিহীন বুলি ধৰা হয় আৰু তেওঁ যদি খেতিৰ ওপৰত জীবিকা নিৰ্ব্বাহ কৰি থাকে তেওঁ মাটি পোৱাৰ যোগ্য। ৯ বিঘালৈকে মাটি পাব পাৰে আৰু যি সকলৰ তিনি বিঘা মাটি আছে চৰকাৰে যদি বিবেচনা কৰে আৰু ৬ বিঘা মাটি দিব পাৰে।

শ্ৰীজয়নাথ শৰ্ম্মা : ১৯৮০ চনৰ পৰা ১৯৮৫ চনলৈকে অসমৰ বাহিৰৰ কিমান সংখ্যক লোকক মাটি দিয়া হৈছিল সেই বিষয়ে জনাবনে আৰু সেই যি মাটি দিয়া হৈছিল সেইটো কেনচেল কৰা হব নেকি ?

ডঃ অৰ্দ্ধেন্দু কুমাৰ দে : যি সকলে কম পাইছিল সেই সকলক বেচি দিয়া হব নেকি ?

শ্ৰীথানেশ্বৰ বড়ো ( মন্ত্ৰী ) : এই সম্পৰ্কে এটা তদন্ত কৰি দিবৰ কাৰণে গুৱাহাটিত এটা হাইপাওৱাৰ কমিটি কৰি দিয়া হৈছে। চিলিং সম্পৰ্কে তদন্ত চলি আছে অৱশ্যে সময় লাগিব। তদন্ত ঠাই বিশেষে চলি আছে আৰু আগতে গুৱাহাটিৰ যিবিলাক ঠাইত জৰীপ কৰা হোৱা নাছিল সেই সম্পৰ্কে জৰীপ কৰাৰ কাৰণে নিৰ্দ্দেশ দিয়া হৈছে। গুৱাহাটিৰ বেলতলা মৌজা আৰু উলুবাৰীত জুলাই মাহৰ পৰা জৰীপ কাৰ্য আৰম্ভ হব বুলি ভবা হৈছে আৰু তেতিয়া বহুতো কথা ওলাই পৰিব।

**Re : Number of OCTROI and TOLL colloction centres.**

Sri A. F. Golam Osmani. asked :

* 479. Will the Minister, (Municipal Administration,) be pleased to State :

(a) The number of OCTROI/TOLL collaction centres to realise tax from vehicles entering Guwahati Municipal Corporation Areas ?

(b) The year of establishment of these centres ?

(c) Tax collected through them respectively since inception ( Please quote figure year-wise ).

(d) Whether these are run departmentally through the Officials of the Guwahati Municipal Corporation ?

(e) If not, names of the parties given settlement in 1983-84, 1984-85, 1985-86, 1986-87 and 1987-8 ?

( Please furnish names centrewise with the figures of quotations accepted ).

Shri Sahidul Alam Choudhury The Minister, Municipal Administration, replied.

(a) No Octroi is levied, Entry tax on vehicles realised at four points.

(b) 1976

(c) Statement is placed in the table of the house.

(d) Collections were made departmentally from the year 1976-77 upto 1981 82. Collections thereafter were/are made through lessee appointed by settlement.

(e) Statement is placed on the table of the house.

Shri A.F. Golam Osmani : Mr. Speaker, sir, will the Hon'ble. Minister, Municipal Admn. kindly name the four points at which the taxes were collected ? What are those four points ?

Shri Sahidul Alam Choudhury ( Minister ) : Sir, the tax collected at the four check-gates are—(1) Narangi Check Gate, (2) Khanapara Check Gate, 3) Saraighat Check Gate, and (4) Khanamukh Check Gate.

শ্রীরামেন্দ্র দে : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয় যত টাকাৰ অংক উল্লেখ কৰলেন তা দেখলে মনে হয় টাকা বেড়েছে। কিন্তু সেই সঙ্গে পৌর এলাকায় গাড়ীৰ সংখ্যাওতো বেড়েছে। যাইহোক-পৌর এলাকায় অন্যান্য বিষয়েৰ সঙ্গে বিশেষ করে পার্কিংয়ের ব্যাপার একটা বিরাট খেলিমেলিতে জড়িত। সুতরাং

সরকারের কাছে অনুরোধ রাখছি সামগ্রিকভাবে এ ব্যাপারে ( বিশেষ করে পার্কিং এবং টেক্স কালেকশনের যে ৪ টি পয়েন্ট রয়েছে ) একটা তদন্তের ব্যবস্থা করুক। তাহলে আমরা কিছু রেলিভেন্ট পেপার এ ব্যাপারে দিয়ে সাহায্য করতে পারতাম। সুতরাং তদন্তের একটা ব্যবস্থা করবেন কি ?

Shri Sahidul Alam Choudhury (Minister): It is a separate question, sir and separate notice is required.

Shri Ramendra De : (Sir, remission has been made as per letter No. MA. 84/88/17 dated 31st March 1988 by this Department sir).

**Re : Border Development Schemes)**

Shri Digendra Purkayastha, asked :

* 480. Will the Chief Minister be pleased to state :

(a) The number of Border Development schemes taken in Cacher district during the year 1986-87 and 1987-88 ?

( Name of the schemes and amount spent against each may please be stated ).

(b) Whether all the schemes have fully been implemented ?

Shri Prafulla Kumar Mahanta (Chief Minister), replied :

1986-87

(a) 3 Numbers viz.

| Name of the scheme | Amount spent during 1986-87. |
|---|---|
| 1. Construction of Rural Roads | Rs. 2,23,679.00 |
| 2. Education Programme | Rs. 1,92,616.00 |
| 3. Water supply ... ... | Rs. 1,08,379.00 |

1987-88

The following schemes were sanctioned on 18/3/88. The work will start very soon.

1. Construction of a wooden bridge on Hawaithang Begewala, Tulartal Road, Assam-Mizoram border in Hawaithang Range ( Silchar Sub-division ).
2. Construction of a MV school building at Dholcherra F.V. in Loharbond Range ( Hailakandi Sub-division ).

(b) No. They are all in different stages of execution.

বিষয়ঃ প্ৰাগজ্যোতি ছবি ঘৰ।

শ্ৰীগোপী নাথ দাসে সুধিছে ঃ

* ৪৮১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) গুৱাহাটী মহানগৰীৰ মালিগাওঁ অঞ্চলত থকা প্ৰাগজ্যোতি ছবি ঘৰটো বৰ্ত্তমান যি মাটিৰ ওপৰত সজোৱা হৈছে, সেই মাটি খিনিৰ পট্টা নম্বৰ আৰু দাগ নম্বৰ কি ?

(খ) উক্ত মাটিৰ মালিকৰ নামটো কি ?

(গ) এই কথা সচানে যে, উল্লেখিত ছবি ঘৰটো বেআইনী ভাবে অইন মানুহৰ পট্টা মাটিৰ ওপৰত সজোৱা হৈছে ?

(ঘ) যদি সঁচা, তেন্তে এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(ঙ) যদি ব্যৱস্থা গ্ৰহণ কৰা নাই, তেন্তে ইয়াৰ কাৰণ কি ?

শ্ৰীথানেশ্বৰ বড়ো ৰাজহ বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিছে ঃ

(ক) গুৱাহাটীৰ মালিগাওঁত থকা প্ৰাগজ্যোতি ছবিঘৰটো ২৪৩ নং ম্যাদী পট্টাৰ ৬৮৯ নং দাগৰ মাটিৰ অংশত অৱস্থিত।

(খ) উক্ত পট্টা / দাগৰ মাটিৰ মালিকৰ অৰ্থাৎ পট্টাদাৰৰ নাম বৰ্ত্তমান ভূমিলেখ্য মতে তলত দেখুওৱা হ'ল।

(১) শ্ৰীকামাখ্যা চৰণ শৰ্মা।

(২) শ্ৰীকমলা শৰ্মা।

(৩) শ্ৰীখগেন্দ্ৰ শৰ্মা।

(৪) শ্ৰীঈশ্বৰ চন্দ্ৰ শৰ্মা।

(৫) শ্ৰীকানাই শৰ্মা।

(৬) যতীন্দ্ৰ শৰ্মা।

(৭) শ্ৰীৰমেন্দ্ৰ নাথ শৰ্মা।

(৮) শ্ৰীমুনীন্দ্ৰ নাৰায়ণ দত্তবৰুৱা॥

(৯) শ্ৰীভবেন্দ্ৰ নাৰায়ণ দত্তবৰুৱা।

(১০) শ্ৰীজীতেন্দ্ৰ নাৰায়ণ দত্তবৰুৱা।

(১১) শ্ৰীজ্যোতিন্দ্ৰ নাৰায়ণ দত্তবৰুৱা।

(১২) শ্ৰীমতী পাৰ্ব্বতী দত্তবৰুৱা।

কিন্তু উক্ত দাগৰ অংশ ১/১৮ লেচা মেৰ্চাচ গোৰেস্কা ট্ৰেডাৰ্চে ১৯৬৯ চনত ৰেজিঃ লিজ দলিল কৰি ৯৯ বছৰৰ বাবে লৈছে।

(গ) ছবি ঘৰটো উক্ত মাটিত বেআইনীভাবে সজোৱা হোৱা নাই।

(ঘ) প্ৰশ্ন নুঠে।

(ঙ) প্ৰশ্ন নুঠে।

শ্রীগোপীনাথ দাস : মাননীয় অধ্যক্ষ মহোদায়, মাননীয় মন্ত্রী মহোদয়ে উত্তৰ দিছে যে বেআইনী ভাবে বন্ধোৱা হোৱা নাই। এইক্ষেত্রত যিখিনি মাটি লোৱা হৈছে, তেওঁলোকৰ যিখিনি পট্টনৰ মাটি তাতকৈ বেচি মাটি আবদ কৰি ঘৰটো বান্ধিছে নেকি? এই বিষয়ে অনুসন্ধান কৰি ব্যৱস্থা লব নেকি?

শ্রীথানেশ্বৰ বড়ো ( মন্ত্রী ): মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো তদন্ত কৰামতে এক বিঘা এক কঠা ওঠৰ লেচা মাটিত ঘৰটো বান্ধিছে। তাতকৈ বেচি মাটি যদি দখল কৰি আছে সেই বৰ্ত্তমান জনা নাযায়। সেইটো তদন্ত কৰিব লাগিব। মাননীয় সদস্য গৰাকীয়ে যেতিয়া কৈছে এই বিষয়ে পুনৰ তদন্ত চলাব লাগিব। অৱশ্যে তদন্ত কৰোতে সময় লাগিব।

**Re. Number of Public Enterprises**

Sri Nilamoni Das, asked :

920 Will the Minister, Public Enterprises be pleased to state

a) The total munber of Public Government Enterprises in the State ?

b) How many of them are headed by administrators from Indian Administrative Services and allied Cadres ?

c) Out of them how many are at present earning profit and how many are incurring losses at present ?

d) The number of public Enterprises under the following departments :—

1. Agriculture
2. Industry
3. Vetenery
4. Co-operation

Sri Sahidul Alam Choudhury Minister, public Enterprises replied.

a) There are 44 (Fortyfour) number of public Government Enterprises in the State at present listed with the public Enterprises Department, Government of Assam.

b) i) IAS — 5 Nos.
ii) IPS – 1 No.
iii) ACS — 14 Nos

c) i) Profit earning public Enterprises - 10 Nos.
ii) Losing Public Enterpises (operational loss) — 30 Nos.
iii) Non-operational losing PEs. — 4 Nos.

d)

| Department | No of P. Es |
|---|---|
| 1. Agriculture Deptt. | 2 Nos. |
| 2. Industry Deptt. | 14 Nos. |
| 3. Veterinary Deptt. | 2 Nos. |
| 4. Co-operation Deptt. | 9 Nos. |

বিষয় ঃ খেতিৰ উপযোগী খাছ মাটি।

শ্ৰীইউছুফ আলি আহমেদে সুধিছে ঃ —

৯২১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বিলাসীপাৰা ৰাজহ চক্ৰৰ অন্তৰ্গত কাঠালদি প্ৰথম খণ্ড গাওঁৰ কিমান খেতিৰ উপযোগী খাছ মাটি আছে ?

(খ) সেই খাছ মাটিবোৰ এজন প্ৰভাবশালী ব্যক্তিৰ পৰিয়াল বৰ্গই দখল কৰি খেতি কৰা কথাটো চৰকাৰে জানেনে ?

(গ) এই মাটিত M. N. P. ৰ Scheme ত কেইজনমান দুখীয়া ভুমিহীন মানুহৰ নামত আবন্টন দিয়া কথাটো সচানে ?

(ঘ) ভুমিহীন মানুহবোৰক প্ৰভাৱশালী পৰিয়ালৰ মানুহে দখলত যোৱাত বাধা আৰোপ কৰা ঘটনা সচানে ?

(ঙ) যদি সচা চৰকাৰে দখলমুক্ত কৰি আবন্টন দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) | উক্ত প্ৰশ্নৰ উত্তৰৰ বাবে সংলিষ্ট উপায়ুক্তৰ পৰা
(খ) | তথ্যপাতি এতিয়াও পোৱা হোৱা নাই। তথ্য
(গ) | সমুহ পোৱাৰ পিছত আৱশ্যকীয় ব্যৱস্থা লব পৰা
(ঘ) | হব।
(ঙ) |

বিষয়ঃ জন প্ৰতিনিধিৰ আইন উলংঘা।

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে :—

৯২২। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৮৮ চনৰ ফেব্ৰুৱাৰী মাহৰ ৩ তাৰিখৰ 'সাদিনীয়া বাতৰি কাকতৰ' 'অ গ প ই জন প্ৰতিনিধি আইন উলংঘা কৰিছে' শীৰ্ষক বাতৰিটো প্ৰতি চৰকাৰৰ দৃষ্টি গোচৰ হৈছে নে ?

(খ) যদি হৈছে তেতিয়াহলে উক্ত বিষয়টোৰ ওপৰত কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হৈছে।

(খ) এই বিষয়টো নিৰ্বাচনী আয়োগৰ লগত যোগাযোগ কৰা হৈছে।

**Re. Associate Official Language**

Shri Amritlal Basumatari, asked :

923 Will the Chief Minister be pleased to state ;

a) Whether Bodo language have been declared as an Associated Official language in Kokrajhar District and Udalguri Subdivision ?

b) If so, whether Bodo language has actually been used as the Associate language in these places ?

c) Whether any procedure has been laid down for its use ?

d) If so what is the procedure ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) আংশিক ভাবে হৈছে।

(গ) অসম চৰকাৰী ভাষাআইন অনুসুচীত এই বিষয়ে সবিশেষ নিৰ্দেশ আছে।

(ঘ) (১) ৰাইজে বড়োভাষাত দিয়া আবেদন পত্ৰাদি গ্ৰহণ।

(২) এই সংক্ৰান্তত সংসদত কৰা যিকোনো আইনৰ অধীনত যেতিয়া লৈকে কেন্দ্ৰীয় চৰকাৰৰ চৰকাৰী কাম কাজৰ বাবে আইন সঙ্গত হব, ইংৰাজী

প্রতিলিপি ইযাৰ পিচত ইংৰাজীৰ পৰিবৰ্তে হিন্দী প্ৰতিলিপি বা অসমীয়া প্ৰতিলিপিসহ বড়ো ভাষাত দিয়া নথি পত্ৰাদি গ্ৰহণ।

(৩) (i) ৰাজ্যিক বিধান মণ্ডলৰ দ্বাৰা গৃহীত সকলো আইন।

(ii) বড়ো ভাষাত ভাৰতীয় সংবিধানৰ অধীনত ৰাজ্য চৰকাৰে জাৰি কৰা সকলো আদেশ, বিনিময়, নিয়ম আৰু উপবিধি বা সংসদ অথবা ৰাজ্যিক বিধান মণ্ডল কৰা আইন।

(৪) বড়ো ভাষাত চৰকাৰী বিজ্ঞাপন সমূহৰ প্ৰকাশন।

**Re. Khas land in Karimganj Municipality area**

Shri Ramendra De, asked :

924 Will the Minister, Revenue be pleased to state :

(a) The total area of Khas land within Karimganj Municipality ? (Ward-wise area of land may be furnished).

Shri Thaneswar Boro (Minister, Revenue) replied :

(a) Khas land in P. S. area — 60.47 Acres.

Khas land in T. S, area — 71.23 ,,

Total area of Khas land in Karimganj Municipality 131.70 Acres.

Ward No 14 -- 73.5 Acres

Ward No 19 — 44.16 ,,

Ward No 21 — 44.22 ,,

**Re. Land acquired from religious institution**

Sri Ramendra De asked :

বালো সকলোখিনি খোলাকুটিৰ তাল হ'ল। মই চিলিং চাবপ্লাছ আইনৰ কথা কেইটিমান কবলৈ বিচাবিছো। চিলিং চাবপ্লাচ হোৱা বহু মাটি ভাল ভাল গছ থকা মাটি আছিল। 'দিৰক' চাহ বাগিছাৰ যিখিনি মাটি চিলিং চাবপ্লাচ পোৱা হৈছে সেই মাটিবোৰত ভাল ভাল গছ আছিল কিন্তু সেই মাটিখিনিত মানুহক 'চেটোলমেণ্ট' দিয়া হ'ল। দখল এতিয়ালৈকে অৱশ্যে পোৱা নাই। আনহাতে বান বিধ্বস্ত লোক সকলক খেতিৰ উপযোগী মাটি দিয়াৰ পৰিবৰ্ত্তে বাম অঞ্চলত খেতি নোহোৱা অঞ্চলত তেওঁলোকক মাটি দিয়া হৈছে। কিন্তু খেতি কৰিব নোৱাৰি সেই মাটি খিনি বেচি অন্য ঠাইলৈ গুচি যায় সংস্থাপনৰ কাৰণে। এনেধৰণৰ ঘটনা হৈ আছে। চিলিং চাবপ্লাচৰ মাটিবিলাক এনেধৰণে চেটোলমেণ্ট দিয়াৰ পিচত সেই মানুহখিনি যেতিয়া সংস্থাপনৰ কাৰণে অন্য ঠাইলৈ গুচি যাবলগীয়া হয় তেতিয়া তাত থকা চিলিং চাবপ্লাচৰ গোটেই মাটি খিনাব আনৰ দখলত থকা দেখা যায়। ডুমডুমাটো আজি ৬ মাহৰ আগতে এনেকুৱা হোৱা দেখা পাইছিলো। ইয়াৰ মূল ঘটনা ক'ত? চিলিং চাবপ্লাচৰ মাটি খিনি যাতে অন্যলৈ হস্তান্তৰ কৰিব নোৱাৰে তাৰ বাবে বিহিত ব্যৱস্থা লোৱা উচিত। মানুহবোৰে যাতে ঘৰ সাজি খেতি বাতি কৰি থাকিব পাৰে সেইটোৰ ওপৰত লক্ষ্য ৰাখিব লাগে। এতিয়া এই চৰকাৰে চিলিং মাটি বিলাকৰ ওপৰত কি ব্যৱস্থা কৰিছে? মই খুব দুখেৰে কব খুজিছো যে সিদিনা ৰাজহ মন্ত্ৰী মহোদয়ক কৈছিলো যে চৰকাৰী মাটি বিলাক যি মানুহে নতুনকৈ দখল কৰিছে কিবা কমলা খেতিয়েই হওঁক বা চিত্ৰনলা বা ৰবৰৰ খেতিয়েই হওঁক সেই সকলক 'ৰেগুলাৰাইজড' কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰি লাগে। অন্যথাই সেই বে-দখলক ৰীসকলক বেদখল কৰিবলৈ উৎসাহহে যোগোৱা হব। বৰ্ত্তমান নতুন এটা নিবন্ধুৱা সন্থা ওলাইছে আৰু তেওঁলোকে মাটি পোৱা মানুহ বিলাকৰ ওপৰত জোৰ জবৰদস্তি চলাই আছে। হাবজান বাগানত যি চিলিং মাটি গৈছিল সেই মাটি খিনি আগৰে পৰা মানুহে খেতি-বাতি কৰি খায় আছিল, আৰু জীৱন নিৰ্বাহ কৰি আছিল। সেই মাটি খিনি এতিয়া এই নিবন্ধুৱা সন্থাই লবৰ কাৰণে জোৰ জবৰদস্তি কৰিছে। তেওঁলোকে মাত্ৰ এবিঘা মাটিলৈ দখল কৰি আজি বহু দিনৰ পৰাই খায় আছিল। তথাপি মানুহখিনিক 'চেটোলমেণ্ট' দিয়া নহল। সেই মাটি খিনি তেওঁলোকৰ নামত পটন দিব লাগে। সেইটো নোহোৱাৰ বাবে নিবন্ধুৱা সন্থাই গৈ তেওঁলোকৰ ওপৰত অত্যাচাৰ চলাই আছে। এতিয়া মই চৰকাৰক কব খোজো যে পেঙেৰী অঞ্চলত যিটো কাৰণে চৰকাৰে 'এনকাৰেজমেণ্ট' দিছে তাত কিন্তু তৌজি মাটি, যিহেতু পাবলৈ নাই। গতিকে চৰকাৰী ভি, জি আৰু বা পি, জি আৰ'ত

দিব লাগিব। আনহাতে চিত্রনলা, চাহ বা ৰবৰ খেতিৰ নামত বেদখল কৰি আছে তেনে লোক সকলক আজিলৈকে উচ্ছেদ কৰিব পৰা নাই। আনহাতে সৰুসুৰা চাহ খেতিয়ক সকল যি খেতি আৰম্ভ কৰিছিল সেইবোৰক উচছদ কৰাৰ বাবে চৰকাৰে ব্যৱস্থা লোৱা দেখা যায়। এইবোৰ কাম যুক্তি সংগত হোৱা নাই।

মাননীয় চেয়াৰমেন মহোদয়, মই এতিয়া ট্ৰাইবেল বেল্টৰ কথা দুটামান কব খুজিছো। আমাৰ তাৰ জাগুন অঞ্চলৰ যিটো ট্ৰাইবেল বেল্ট আছে তাত যোৱা দুবছৰৰ পৰা বে-দখল চলি আছে আৰু এই বেদখল কৰিছে অ-জনজাতীয় লোকে। মাননীয় সদস্য শ্ৰীনাৰ্জাৰী দেবে উল্লেখ কৰা 'চেপ্তাৰ টেন'টো আজি-কালি আমাৰ ভাষাত কবলৈ হলে 'চেপ্তাৰ টেন' একেবাৰে 'চেপতা' হৈ গল সেই কাৰণেই আজি বেল্টৰ অৱস্থা এনে হৈছে। মাননীয় সদস্য শ্ৰীনৰহ ডাওৰীয়াই অভিযোগ কৰিছে যে এনে ট্ৰাইবেল বেল্টৰ বেদখল জনতা আৰু কংগ্ৰেছ চৰকাৰৰ দিনত হে হৈছিল-কিন্তু মই কওঁ যে এই চৰকাৰৰ দিনত যোৱা দুবছৰত নন-ট্ৰাইবেলে ট্ৰাইবেল বেল্টৰ মাটি বেদখল কৰি আহিছে। এনে দৰে চলি থাকিলে ট্ৰাইবেল সকল সম্পূৰ্ণ ভাবে উচ্ছেদ হৈ যাব। মই এই খিনিতে আৰু এটা কথা কব খোজো সেইটো হৈছে চৰকাৰে 'এম. এন, পি, 'আচনিৰ যোগেদি যিসকল দুখীয়া লোকক এবিঘাকৈ মাটি বিতৰণ কৰিছিল এতিয়া তেওঁলোককো তাৰ পৰা উচ্ছেদ কৰাৰ ব্যৱস্থা কৰিছে। (ভয়চ-তেওঁলোকে চাগে সেই মাটি আনক বিক্ৰী কৰিছে) নাই তেওঁলোকে সেই মাটি বিক্ৰী কৰিবলৈ যোৱা নাই। চৰকাৰেহে উচ্ছেদ কৰিবলৈ লৈছে। মাননীয় চেয়াৰমেন মহোদয়, এইটো হবলৈ পাইছে চৰকাৰৰ ভূমি নীতি সম্পৰ্কে স্পষ্ট নিৰ্দ্দেশৰ অভাৱত। যিবোৰ চাহ বাগিচাৰ চিলিং চাৰপ্লাছ মাটি চাহ ও প্ৰাক্তন চাহ বাগিচাৰ বনুৱা সকলক আৰু ৰিটায়াৰ কৰা বনুৱা সকলক চৰকাৰে দিছিল তাৰ পৰাও তেওঁলোকক মালিকে উচ্ছেদ কৰিছে। চৰকাৰে ঠিক মতে মাটি চমজাই নিদিয়াৰ কাৰণেও বহুত ক্ষেত্ৰত খেলি মেলিৰ সৃষ্টি হৈছে। আমাৰ যিবোৰ লেণ্ড-এডভাইচৰী বোৰ্ড আছে সেইবোৰো কোনো কামত অহা নাই। আজি দেখা গৈছে কিছুমান মাটি কোনো লোকক উদ্যোগ স্থাপন কৰিবলৈ দিয়া হৈছে আৰু মাটি দিওঁতেই উল্লেখ কৰা হয় যে যি উদ্যোগ স্থাপনৰ কাৰণে মাটি দিয়া হৈছে সেই মাটিত যদি উক্ত উদ্যোগ স্থাপন নকৰে তেন্তে সেই মাটি চৰকাৰে ঘূৰাই লব। কিন্তু কাৰ্য্যত সেইটো হোৱা নাই। মই জনাত শুকানগুৰী গ্ৰাণ্টত এজন লোকক ঔষধৰ গছৰ খেতি কৰিবলৈ চৰকাৰে মাটি দিছিল-উদ্যোগৰ নামত, কিন্তু সেইখিনি মাটিত ঔষধৰ গছৰ পৰিবৰ্ত্তে আজি ভলুকা বাহ, জাতি বাহৰ খেতিহে কৰা দেখা গৈছে। আনহাতে চৰকাৰে স্থানীয়

লোকক উদ্যোগ গঢ়ি তুলিবৰ কাৰণে মাটি দিব বুলি সঘণে কৈ থাকে কিন্তু সেই শুকানগুৰীতে এজন বিদেশীক চৰকাৰে ৫৮০ বিঘা মাটি তেওঁক মাটি আনি দিছে উদ্যোগৰ নামত সেই লোকজনৰ নাম হ'ল চি, এল, হো তেওঁ চীনৰ লোক। এই বিদেশী লোকজনৰ হাতলৈ কিয় ইমান মাটি হস্তান্তৰ কৰা হ'ল? শুকানগুৰী গ্ৰাণ্টতে ১৯ বছৰৰ আগতে আন এজন লোকক উদ্যোগৰ নামত মাটি দিয়া হৈছিল কিন্তু আজিও সেই মাটি খালী হৈ আছে। সেয়ে মই কব খোজো এনেবোৰ বেমেজালী হবলৈ পাইছে চৰকাৰৰ স্পষ্ট ভূমি নীতি নোহোৱাৰ কাৰণেই। চৰকাৰে এক স্পষ্ট ভূমি নীতি ঘোষণা কৰিব লাগে। এইখিনি কৈয়েই মই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

* শ্ৰীআবুল হুছেইন চৰকাৰ: মাননীয় চেয়াৰমেন মহোদয়, মই কৰ্ত্তন প্ৰস্তাব সমৰ্থন কৰি কেইটামান কথাৰ প্ৰতি মাননীয় ৰাজহ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। চেয়াৰমেন মহোদয়, ১৯৭৮ চনৰ ২৯ এপ্ৰিল তাৰিখে ৰাজহ বিভাগৰ পৰা জিলাৰ উপায়ুক্ত সকললৈ এখন চিঠি দিয়া হৈছিল। উক্ত চিঠিৰ নিৰ্দেশ মতে চৰকাৰী কৰ্ম্মচাৰী সকলে কাম নকৰাৰ ফলতেই আজি খেতিয়ক সকলে, দুখীয়া কৃষক সকলে মাটি এটুকুৰাৰ কাৰণে নানা অসুবিধা ভোগ কৰিব লগা হৈছে। উক্ত চিঠিখনত চৰকাৰে কি কৈছিল তাত মাননীয় সদস্য আৰু মন্ত্ৰীৰ জ্ঞাতাৰ্থে মই কিছু অংশ পঢ়ি দিছো। চিঠিখনত উল্লেখ কৰিছে...........

"....Considerng all these aspects the Government have in order to regularise all such occupations and to dispose of pending matters decided, in partial modification of 1972 policy decision, that settlement of agricultural land to individuals should be given in the manner indicated below.

(a) In cases of families allotted with Government land including reclaimed and acquired land prior to year 1951, they may be settled with land which may extend to 50 bighas inclusive of patta land held on annual or periodic lease.

(b) Families in occupation of Government land during the period from 19 2 to 20th January 1968 ( i. e: from lst November 1952 till the day on which the land Settlement

* Speech not corrected:

Policy of 1968 was introduced ) and in possession of the land till now, may be settled with land actually occupied by them during the period, not exceeding 12 bighas (10 into 2) inclusive of any patta land held by them. But in such cases settlement should be granted upto 12 bighas only inclusive of patta land held by them:

(c) Landless persons occupying Government land during the period from 20 January 1968 to 21st July 1972 ( i. e., from the date on which the Land Settlement Policy of 1968 came into force till the date on which the Land Settlement Policy of 1972 was notified ) may be settled with 9 bighas i. e. 8 bighas of land for agricultural purpose and 1 bigha for homestead inclusive of patta land if any held by them........"

এই সম্পৰ্কত মোৰ সমষ্টিৰ কেইটামান ৰিজাৰ্ভ বা চৰকাৰী মাটিৰ কথা উল্লেখ কৰিব বিচাৰিছো। চামগুৰী ৰাজহচক্ৰৰ অন্তৰ্গত মোৱামাৰী অঞ্চলত ১৯৪০ চনৰ আগৰ পৰা কিছুমান পৰিয়ালে খেতিবাতি কৰি আছিল কিন্তু তেওঁলোকে বহুত আবেদন নিবেদন কৰা স্বত্বেও তেওঁলোকক এই মাটি পট্টন দিয়া নাই। পট্টন দিয়া দূৰৰ কথা মাজে সময়ে তেওঁলোকক উচ্ছেদৰ জাননী দি থাকে। আনহাতে নবগঠিত ৰূপহীহাট ৰাজহ চক্ৰৰ অন্তৰ্গত কেইটামান পৰিয়ালে ৪০ বছৰৰ পৰা তাত মাটি দখল কৰি আছে। এই লোক সকল নদীভঙা মানুহ। তেওঁলোকে বাৰে বাৰে আবেদন নিবেদন কৰি থকা স্বত্বেও চৰাকৰৰ ফালৰ পৰা বিবেচনা কৰা হোৱা নাই। গতিকে মই আপোনাৰ যোগেদি ৰাজহমন্ত্ৰী মহোদয়ক চৰকাৰৰ ভূমিনীতি অনুযায়ী এই মানুহখিনিক মাটি দিয়াৰ ব্যৱস্থা কৰিব। মই মন্ত্ৰী মহোদয়ৰ আৰু এটা কথাৰ দৃষ্টিগোচৰ কৰিব খুজিছো মাটি সমস্যা সমাধান কৰা দূৰৰ কথা যি সকল লোকৰ মঠাউৰী বন্ধা বা জলসিঞ্চনৰ কাৰণে মাটি চৰকাৰে অধিগ্ৰহণ কৰিছে তেওঁলোকে আজিলৈকে পইছা পোৱা নাই। মই উদাহৰণসহ দাঙি ধৰিব খুজিছো মই অৱশ্যে বান নিয়ন্ত্ৰন মন্ত্ৰী আৰু ৰাজহ মন্ত্ৰী ডাঙৰীয়াক এই বিষয়ে জনাইছো কিন্তু কোনো ব্যৱস্থা লোৱা নাই। ৰূপহীহাট চক্ৰৰ উত্তৰ বেলগুৰীত ১৯৬৮ চনতে মঠাউৰী বন্ধা কাৰণে

চৰকাৰে মাটি অধিগ্ৰহণ কৰিলে কিন্তু আজিলৈ তেওঁলোকক কোনো টকা দিয়া নাই। এই লোক সকল হ'ল শ্ৰীনকুল চন্দ্ৰ চৰকাৰ, শ্ৰীধীৰেণ চন্দ্ৰ মণ্ডল সৰ্ব্বশ্ৰী নিমাই চন্দ্ৰ মণ্ডল, খেগন চন্দ্ৰ মণ্ডল, তিতু ৰাম মণ্ডল আৰু জুলু মণ্ডল আৰু ৪ নং ভুৰবন্ধা (লাওখোৱাৰ) সৰ্ব্বশ্ৰী ছাতত আলী, আব্বাচ আলী, নুৰ হুচেইন, কদৰ আলী, আব্বাচ কাছেম, আব্বাচ আলী (ফকিৰ), ওমৰ আলী, হুচেইন গাওঁবুঢ়া আৰু আমিনা খাতুন। এইখিনি মানুহে ৮০ চনতে অধিগ্ৰহণ কৰা মাটিৰ টকা আজিলৈকে পোৱা নাই। মই ৰাজহ মন্ত্ৰীৰ লগতো আলোচনা কৰিছো গতিকে এই দুৰ্ভগীয়া মানুহখিনিক সোনকালে মাটিৰ পইছাখিনি দিয়াৰ ব্যৱস্থা কৰিব লাগে। চেয়াৰমেন মহোদয়, কৰ্ত্তন প্ৰস্তাৱৰ পক্ষে বিপক্ষে বহুতো আলোচনা কৰিছে মই সেইবিলাকক পুনৰাই আলোচনা কৰিব নাযাও মই এটা কথা কব বিচাৰিছো আমাৰ চৰকাৰে মাটিৰ তৌজি বাহিৰা খাজনা এচেচ নকৰাৰ কাৰণে চৰকাৰৰ বহুত লোকচান হৈছে। মই উদাহৰণ দিব বিচাৰিছো নগাওঁ জিলাৰ প্ৰায় ২২ হাজাৰটা পৰিয়ালে মাটিৰ তৌজিবাহিৰা খাজনা ধাৰ্য্য নকৰাৰ ফলত চৰকাৰৰ বহুত ৰাজহ হানি হৈছে আৰু তাৰে সুযোগ মণ্ডল কাননগো আৰু উপপ্ৰতিসমহৰ্ত্তাই লৈছে। তেওঁলোকে এই মানুহবিলাকক বেদখল-কাৰা বুলি ভয় দেখুৱাই টকা লোৱাৰ সুবিধা পাইছে। গতিকে চৰকাৰে এটা নীতি নিৰ্দ্ধাৰণ কৰিব লাগে যি সকল লোকে মাটি দখল কৰি আছে তেওঁলোকৰ পৰা তৌজিবাহিৰা খাজনা আদায় কৰিব লাগে আৰু জৰীপ কাৰ্য্য চলায় যদি তেওঁলোক সচাকৈ ভূমিহীন তেওঁলোকক সেই মাটি পট্টণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। (সময়ৰ সংকেট) চেয়াৰমেন মহোদয়, আজি প্ৰশ্নত্তৰ কালত ৰাজহ মন্ত্ৰী মহোদয়ে ৰূপহীহাট চক্ৰ পুনৰগঠন সম্পৰ্কে যি কেইটা কথা কৈছে মই সেই সংক্ৰান্তত কব বিচাৰিছো যি তিনিখন মৌজাকলৈ এই চাৰ্কুলটো কৰা হৈছে তাৰে অৰ্থাত এই চাৰ্কুলটোৰ সদৰস্থান নিৰ্ব্বাচন কৰা হৈছে ঠিয়াটনগনী এই ঠাই টুকুৰা তিনিওখন মৌজাৰ একেবাৰে শেষ সীমাত অৱস্থিত আৰু কলিয়া ভোমোৰা দলংখনৰ পৰা এই ৰাজহচক্ৰলৈ ৬০/৭০ কি. মি. হব। মই এই বিষয়ে মন্ত্ৰী মহোদয়ক কৈছো আৰু ব্যক্তিগতভাবে চিঠিও লিখিছো কিন্তু আজিলৈ কোনো সমিধান পোৱা নাই। তেখেতে উপায়ুক্তলৈ চিঠি দিয়া বুলি কৈছে কিন্তু উপায়ুক্তই এতিয়ালৈকে কোনো সমিধান দিয়া নাই। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো এই তিনিখন মৌজাৰ কাৰণে যিটো ৰাজহচক্ৰ কৰা হৈছে তাক পুনৰগঠন কৰি লাওখোৱা মৌজাৰ শিঙিমাৰীত কৰিবলৈ অনুৰোধ কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

* শ্ৰীবলোভদ্ৰ তামুলী : মাননীয় চেয়াৰমেন মহোদয়, আমাৰ ৰাজহ মন্ত্ৰী মহোদয়ে লেন্ড ৰেভিনিউ আৰু লেণ্ডচিলিংৰ কাৰণে যি ১৯ কোটি ৬৩ লাখ ৫৩ হাজাৰ টকা দাবী মঞ্জুৰী বিছাৰিছে সেই দাবী মঞ্জুৰীক মই পুৰ্ণ সমৰ্থন জনাইছো আৰু বিৰোধী পক্ষই অনা কৰ্ত্তন প্ৰস্তাৱটোৰ মই বিৰোধীতা কৰিছো। বিতৰ্কত অংশ গ্ৰহণ কৰি মই কেইটামান কথা কব বিছাৰিছো, বিশেষকৈ আপোনাৰ যোগেদি ৰাজহ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিছাৰিছো। আজি অসমৰ কিছুমান ভুলনীতি আৰু আওপুৰণী ভূমিনীতিৰ কাৰণে অসমত বিভিন্ন সমস্যাৰ সৃষ্টি হৈছে। ৰাজহ বিভাগ ততপৰ হোৱা হলে আজি আমাৰ দেশত বিদেশী সমস্যাও সমস্যা হৈ নাথাকিলেহেতেন। ৰাজহ বিভাগত ১৯৬৮ চনৰ লেণ্ড ৰেভিনিউ মেনুৱেলখন সম্পূণ বাতিল কৰি এখন নতুন আইন প্ৰবৰ্ত্তন কৰাৰ প্ৰয়োজন হৈ পৰিছে। এই আইনখনৰ ব্যাপক সংশোধনী ঘটালেও তাক বুজাটো দুৰ্বোধ্য হৈ পৰিছে। এই আইনখনৰ সংশোধনীৰ জৰিয়তে চাৰ্ভেৰ ক্ষেত্ৰত ৩০ বছৰৰ মূৰে মূৰে যি ব্যৱস্থা আছে এই ব্যৱস্থাৰ সোনকালেই সংশোধন কৰিব লাগে। ৩০ বছৰৰ মূৰে মূৰে জৰীপৰ ব্যৱস্থা থাকিলে বৰ্ত্তমান মাটিৰ ওপৰত যিটো অত্যাচাৰ চলিছে মাট তেনেকৈ ৰাখিব নোৱাৰিব। গতিকে ৩০ বছৰৰ সলনি ৫ বা ১০ বছৰৰ মূৰে মূৰে হব লাগে। ৰাজহ আইনমতে মণ্ডল, কাননগো, উপপ্ৰতিসমহৰ্ত্তা বা উপায়ুক্ত সকলে যি দায়িত্ব পালন কৰিব লাগে সেইবিলাক মাত্ৰ কাগজেকলমেহে আছে। আইনমতে প্ৰতি চেপ্তেম্বৰ মাহত উপপ্ৰতিসমহৰ্ত্তা বা উপায়ুক্তই ৰিপোট দিয়াৰ ব্যৱস্থা আছে, মাটিৰ যিখিনি প্ৰফৰ্ম্মা আছে তাতে সেইবিলাকৰ বৰ্ণনা আছে কিন্তু সেইমতে চলে নে নাই সন্দেহ। তাৰ পিছত যিবিলাক খাজনা ধাৰ্য্য কৰা হৈছে সেইবিলাক প্ৰকৃত মূল্যায়ন হৈছে নে নাই। এই খাজনা নিৰ্দ্ধাৰণৰ সংশোধনৰ ব্যৱস্থা কৰিব লাগে।

চেয়াৰমেন মহোদয়, চিলিংৰ ক্ষেত্ৰত এটা পোনপটীয়া ব্যৱস্থা আছে, এইটো অলপ চিন্তা কৰিবলগীয়া হৈছে। এইটো দুটা ভাগত বিভক্ত কৰিব লাগে, যদিহে আমি খেতিৰ আধুনীকিকৰণ কৰিব বিচাৰো। কাৰণ এতিয়া এটা পৰিয়ালৰ মাটি ভাগ ভাগ হৈ অত এবিঘা তত এবিঘা হৈ পৰিছে। যিটো আধুনিক কৃষি পদ্ধতিৰ বাবে ব্যৱহাৰ কৰিব পৰা নাযায়। সেই কাৰণে গোটেই চিলিংৰ দিশটো নতুনকৈ চিন্তা কৰিবলগীয়া হৈছে। প্ৰকৃত খেতিৰ মাটি বিলাকৰ ক্ষেত্ৰত এই চিলিংৰ দিশটো সলনি কৰিবৰ বাবে চিন্তা কৰা প্ৰয়োজন হৈছে। আজি বাগান আদিৰ পৰা চিলিংত পোৱা মাটি সমূহত আমাৰ গণপৰিষদ চৰকাৰ অহাৰ পিচৰ-

* Speech not corrected.

পৰা কিছুমান ব্যৱস্থা লবলৈ আৰম্ভ কৰিছে। যেনে কিছুমান ঠাইত ক্ষুদ্ৰ চাহ বাগিছা বা ৰবৰ খেতিৰ কাৰণে আধুনিক ভাবে খেতি কৰাৰ দিহা কৰা হৈছে। সৰ্ব্বসাধাৰণ খেতিৰ বাবে উপযোগী নোহোৱা মাটি বিলাক এই দৰে নতুন ব্যস্থহাৰে খেতিত লগোৱাৰ ব্যৱস্থা কৰা হৈছে। নিবনুৱা যুৱক সকলক খেতিৰ প্ৰতি আকৃষ্টকৰি তেওঁলোকক ক্ৰেছ ক্ৰপ আদি কৰিবৰ কাৰণে লেণ্ড পলিচী সেই দৰে তৈয়াৰ কৰিব পাৰিব লাগিব। এইখিনিতে আমাৰ মুখ্য সচেতকে উদ্যোগীক মাটি দিয়াৰ ক্ষেত্ৰত দুই এটা কথা কৈছে যে বিশেষকৈ ব্যক্তিগত ভাবে কাৰোবাক দিয়াতকৈ উদ্যোগ বিভাগক দিব লাগে বুলি কৈছে। এই ক্ষেত্ৰত দুই ধৰণৰ কথা আহিছে। এই বিষয়েও চিন্তা কৰিবলগীয়া আছে। কাৰণ মাটিৰ লগত বেংকৰ ঋণৰ কথাও আছে। তাৰোপৰি আমাৰ এম, এন, পি আচনিত যি মাটি দিয়াৰ আচনি আছে সেই ক্ষেত্ৰত আমাৰ আচল যি উদ্দেশ্য আছিল সেই উদ্দেশ্য সাধন হোৱা নাই। কাৰণ এটা পৰিয়ালক কৰবাত দুৰত ওখ ঠাইত এবিঘা মাটি দিয়া হয়। যত মানুহজনে মাটি পায় তাত থাকিবলৈ গলে দেখে তাত খেতি বাতি একো নহয় সেয়ে তেওঁ টকা খিনিকে লয় কিন্তু মাটি নলয়। সেই কাৰণে এই ক্ষেত্ৰত ছামিংৰ ব্যৱস্থা কৰিব লাগে। সেই অঞ্চল বিলাক এটা এটা ভাগ কৰি কো-অপাৰেটিভ কৰক বা ফাৰ্মিং কৰক। তেতিয়া নিবনুৱা সকলকো সেই ক্ষেত্ৰত সংস্থাপন কৰাৰ ব্যৱস্থা ওলাব। তাৰ বাবে প্ৰয়োজন হলে স্পেচিয়েল পেটাৰ্ন তৈয়াৰ কৰিব লাগে। চাহ বাগিচাৰ উপযোগী মাটি আমাৰ সাধাৰন খেতিয়কক দিলে তেওঁলোক কেতিয়াও তাত নাথাকে। ফলত মাটিবোৰ অন্য মানুহৰ হাতলৈ যায়। সেয়ে আমাৰ উদ্দেশ্যও সফল নহয়। সেয়ে এম এন পিৰ মাটি দিয়াৰ আগতে সেই পাৰয়ালবোৰৰ মাটি গত চৰিত্ৰ আৰু মাটিৰ গুণাগুন আদি পৰীক্ষা কৰি চাই দিব লাগে।

চেয়াৰমেন মহোদয়, মই এটা গুৰুত্বপুৰ্ণ কথা কব বিচাৰিছো সেইটো হল বোকাখাটৰ যিবোৰ ভি, জি, আৰ আদি আছিল সেইবোৰত বহুত মানুহে আহি বেদখল কৰি বাহ গৈছে। কৰপৰা আহিছে নাজানো। এইমানুহ বিলাকক উঠাবৰ কাৰণে ডিচিয়ে হুকুম দিব লাগে এচ, ডি, চিক। পিচত এচ, ডি, চি, যাওতে যাওঁতে তেওঁলোকে সেইঠাইত মস্ত অট্টালিকা সাজি গজগজীয়া হৈ বহি লয়। সেয়ে এচ, ডি, চিক এই ক্ষেত্ৰত সম্পুৰ্ণ দায়িত্ব দিব লাগে। যাতে মানুহক তৎক্ষণাত উচ্ছেদ কৰিব পাৰে। বোকাখাটত নগৰ অঞ্চলত কংগ্ৰেছ আৰু জনতাৰ দিনত কিছুমান মানুহক এচ, চি বা জনজাতীয় মানুহক মাটি দিয়া হৈছিল,

কিন্তু আজিলৈ তাত এজনো মানুহ নাই। তাৰ ঠাইত এদিন ঘটি বাতি লৈ বেপাৰ কৰিবলৈ অহা মানুহ ভৰ্ত্তি হৈ গ'ল। এই মানুহ বিলাকে তেওঁলোকৰ পৰা মাটিবোৰ কিনি ললে আৰু তাতে গজগজীয়াহৈ বহি গল। সেয়ে বোকা-খাটৰ পপুলেচন পোটান্সিয়েলৈ সলনি হৈ গল। সেয়ে এতিয়া মাটি পট্টন দিয়াৰ ক্ষেত্ৰত সাৱধান হব লাগে। যিখিনি ইতিমধ্যে দিয়া হৈ গল, হৈ গল কিন্তু এতিয়াৰ পৰা এই ক্ষেত্ৰত সাৱধান হোৱা উচিত। সেয়ে ৰাজহ মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত যাতে অলপ বেছি সাৱধান হয়। নহলে চৰকাৰৰ পৰা কমদামত মাটিলৈ আনকলৈ বিক্ৰী কৰি দিয়া ব্যৱস্থাটো বন্ধ কৰিব নোৱাৰিলে আমি বিদেশী বা বহিৰাগতৰ পৰা ৰক্ষা পৰিব নোৱাৰিম। প্ৰয়োজন হলে টকা খিনি ঘূৰাই দি মাটি আকৌ চৰকাৰক ওভটাই দিয়াৰ ব্যৱস্থা কৰিব লাগে।

মোৰ আৰু বহুত কথাই আছিল কিন্তু সময় কম হোৱাৰ বাবে এটা কথা মাত্ৰ মই কওঁ যে মাটি দিয়াৰ ক্ষেত্ৰত আমাৰ চাহ বাগান বিলাকৰ যি বিলাক এক্স-টী গাৰ্ডেন মানুহ আছে তেওঁলোকক অগ্ৰাধিকাৰ দিব লাগে। কাৰণ বাগানত থকা সময়লৈকে তেওঁলোকে থকা ঘৰ আদিৰ সকলোখিনি সুবিধা পায়। কিন্তু অবসৰ লোৱাৰ দিনাৰ পৰাই তেওঁলোকে ঘূৰি ফুৰিবলগীয়া অৱস্থা হয়। কোনোবা মানুহৰ বাৰীৰ চুকত ঘৰ বনাই নহলেবা কৰবাত বেদখল কৰি বহিবলগীয়া হয়। সেই কাৰণে এই মানুখিনিৰ কাৰণে ব্যৱস্থা কৰাটো অত্যন্ত প্ৰয়োজনীয় কথা। তাৰ পিচত যিখিনি বাগানত আছে এগজিষ্টিং মানুহ সেইখিনিৰ কাৰণে লাহে লাহে পৰ্য্যায়ক্ৰমে ব্যৱস্থা কৰিব লাগে। এইখিনিকে কৈ মই মঞ্জুৰীৰ ওপৰত সমৰ্থন জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

* শ্ৰীপদ্মনাথ কৈৰী: মাননীয় চেয়াৰম্যান মহোদয়, অসম চৰকাৰৰ ৰাজহ বিভাগৰ শিতানত যিটো টকাৰ মঞ্জুৰী উথাপন কৰিছে সেই টকাৰ দাবী সমৰ্থন কৰিছো এই কাৰণেই যে ৰাজহ শিতানটো অতি গুৰুত্বপুৰ্ণ শিতান আৰু এখন দেশৰ সকলো দিশতে এই ৰাজহ বিভাগৰ অতি বেছি প্ৰভাৱ সকলো দেশতে পৰে। মই চাহ বাগানৰ চিলিং মাটিৰ সম্পৰ্কত কব বিচাৰিছিলো কিন্তু আগৰ বক্তা সকলে মোৰ কবলগীয়া কথাৰ প্ৰায় সকলোখিনিয়েই শেষ কৰিলে। মই মাত্ৰ কেইটামান কথা যি কেইটা আগৰ বক্তৃতা সমুহৰ মাজত বৈ গৈছে সেই কেইটাকে ইয়াত উথাপন কৰিবলৈ চেষ্টা কৰিম। চেয়াৰম্যান মহোদয়, ইয়াৰ আগৰে পৰা চাহ বাগান এলেকাৰ পৰা যি সকল জনপ্ৰতিনিধি আহিছিল সেই

* Speech not corrceted.

সকল বহু সময়ত মন্ত্ৰী তন্ত্ৰী হৈ দিন নিয়াইছিল আৰু আনকি যোৱা সময় চোৱাত শ্ৰীহিতেশ্বৰ শইকীয়া মুখ্যমন্ত্ৰীৰ আমোলত চাহ বাগিচা এলেকাত চিলিং আইনৰ উদ্বৃত্ত মাটিৰ ক্ষেত্ৰতনানা ধৰণৰ প্ৰচাৰ চলোৱা হৈছিল। সেই মাটি বিলাক চাহাবক ঘুৰাই দি তাৰ পৰা উৎপাদিত সামগ্ৰী সমবায় ভিত্তিত তেওঁলোকক দিয়াৰ নিচিন্না আভূৰা ভৰা কথাৰো অৱতাৰণা কৰি মাটি কাঢ়ি লোৱাৰ ব্যৱস্থা কৰিছিল। মোৰ সমষ্টিতে চাহ বাগানৰ মানুহ বহুত এনেদৰে বঞ্চিত হৈছে। সেই বিলাক কথালৈ চাবলৈ আৰু সেই মতে চৰকাৰী ব্যৱস্থা লবলৈ মই চৰকাৰৰ ওচৰত অনুৰোধ জনালো। দ্বিতীয় কথা হৈছে যি বিলাক ঠাইত বাগিচাৰ চিলিং আইনৰ মাটি মজদুৰে খেতি বাতি কৰি খাই আছিল সেই বিলাক ঠাইতো দালাল লগাই কিছু কিছু অৰ্থৰ বিনিময়ত তাৰ পৰা বঞ্চিত কৰাৰ নিদৰ্শন পাইছো। মোৰ সমষ্টিৰ মাজুলিয়াগড় বাগিচাতে এনে অৱস্থা হৈছে। সেই বিলাক ক্ষেত্ৰত প্ৰমান সাপেক্ষে ব্যৱস্থা লবলৈ মই চৰকাৰৰ ওচৰত অনুৰোধ জনালো। আমাৰ মাননীয় সদস্য শ্ৰীতামুলী ডাঙৰীয়া চাহবাগানৰ মানুহক মাটি দিয়াৰ লগতে প্ৰাক্তন চাহ বনুৱাকো দিয়াৰ কথা কৈছে। মই প্ৰাক্তন চাহ বনুৱাৰ লগতে সেই এলেকাত থকা আন আন লোক সকলোকো বাচি চাই মাটি পট্টন দিয়াৰ কথা অনুকিয়াব খোজো কিয়নো সেই ঠাই বিলাকত বহুত এনে ধৰণৰ মানুহ আছে যি সকল প্ৰাক্তন চাহ বনুৱাও নহয় বা মজদুৰো নহয় কিন্তু অতি কষ্টে তাত জীৱন ধাৰণ কৰি আছে। আনকি কোনো কোনোৱা আমাৰ অসমাজিক কাম বুলি ভবা সেই ফটিকা তৈয়াৰ কৰি নিজৰ জীৱন নিৰ্বাহ কৰিব-লগীয়া হৈছে। তেওঁলোকৰ মাজতো দুই কঠা বা দেৰ কঠা মাটি দিয়া হলে তাকে লৈ ডি-আৰ ডি-এ বা আন লোন লোৱাৰ ক্ষেত্ৰত মৰ্টগেজ হিচাবে ব্যৱহাৰ কৰি অন্য কিবা এটা জীৱিকাৰ সংস্থান কৰাৰ দিহা কৰিব পাৰে। কিয়নো আজি কালি ডি-আৰ-ডি-এৰ লোন পাবলৈ হলেও মাটি মৰ্টগেজ দিবলগীয়া হয়। তেওঁলোক যে বঞ্চিত হৈছে সেইটো তেওঁলোকক উপলব্ধি কৰিবলৈ দিব নালাগে আৰু সেই মতে চৰকাৰী ভাবে এইটো ব্যৱস্থা লব লাগে। এই ব্যৱস্থা সহানুভূতি সহকাৰে লব বুলি ৰাজহ মন্ত্ৰীৰ ওচৰত অনুৰোধ ৰাখিলো। কিছুমান চাহ বাগানৰ মানুহ বুলি চৰকাৰৰ পৰা সহানুভূতি পাইছে কিছুমান ট্ৰাইবেল বুলি চৰকাৰৰ পৰা সহানুভূতি পাইছে। আচলতে এইটো মানুহ হিচাবে কৰিব লাগে। ট্ৰাই-বেলৰ নামত আমাৰ অঞ্চলত বুঢ়িদিহিং বাগিচাৰ ওচৰত বেদখল কৰিছে। ফৰেষ্ট বিভাগৰ গছ গছনি বলপুৰ্বক ভাবে কাটি আছে। সাত আঠ শ বিঘা মাটি বেদখল কৰি আছে। সেই বিলাক কঠোৰ ভাবে ব্যৱস্থা লৈ অধিগ্ৰহণ

কৰাৰ ব্যৱস্থা কৰিব লাগে। ৰাজনৈতিক প্ৰভাৱ আদি অতিক্ৰম কৰি সৎসাহসেৰে সেই বিলাক উচ্ছেদ কৰিব লাগে আৰু সেই মতে ব্যৱস্থা লবলৈ মই অনুৰোধ কৰিছো। চেয়াৰম্যান মহোদয়, চাহ বাগিচাৰ মাটি বাগানৰ মানুহক দিছে যদিও মাননীয় সদস্য শ্ৰীতামুলী ডাঙৰীয়াই কোৱাৰ দৰে খেতি বাতি কৰা মাটি বিলাক অন্যান্য কামৰ কাৰণে লীজত লৈ ইটা ভাটা আদি কৰাৰ ফলত বহু ক্ষেত্ৰত অসুবিধা হৈছে। সৰু সৰু ইণ্ডাষ্ট্ৰি কৰক তাত আপত্তি নাই। কিন্তু মাটি দিয়াৰ ক্ষেত্ৰত ৰাজহ বিভাগে ভালকৈ চোৱা চিতা কৰি দিব লাগে যাতে খেতিৰ মাটি আন কামত সহজে নষ্ট হব নোৱাৰে। আন এটা গুৰুত্বপূৰ্ণ কথা হৈছে আমি ভি-জি-আৰ আৰু পি-জি-আৰৰ নাম শুনি আহিছো কিন্তু অসমত ক'তো এই ভি-জি-আৰ বা পি-জি-আৰ বিচাৰি পোৱা নাযায়। গোটেই কিন্তু বেদখল হৈ আছে। যি উদ্দেশ্যৰ নামত এই বিলাক ৰখা হৈছিল সেই উদ্দেশ্যৰ কাৰণে নাই মাত্ৰ বেদখল হৈ আছে। কিন্তু কথা হ'ল ক'ৰ মানুহে বেদখল কৰিছে? সেইটো সহানুভূতিৰে চাব লাগিব। মই বিদেশী কিছুমান মানুহো আছে বুলি নকওঁ কিয়নো হলেও মোৰ শক্তি নাই খেদাই দিবলৈ, তাৰ কাৰণে আইন আছে। বিদেশীয়েই হওক বা স্বদেশীয়েই হওক ভি-জি-আৰ আৰু পি-জি আৰৰ নামত সদায়েই সেই সকল লোক হাৰাশাস্তি হৈ আছে। সেই সক্ৰান্তত চৰকাৰী ভাবে সহানুভূতিৰে ব্যৱস্থা লব লাগে। এই মানুহ বিলাক বানপানী হলে ব্ৰহ্মপুত্ৰৰ ওচৰৰ পৰা বিভিন্ন ঠাইত আশ্ৰয় লয় আৰু তেতিয়াই সেই সকলক বিভিন্ন জনে বিভিন্ন নামাকৰণ কৰে। আগৰ দিনৰ লেতেৰা বুদ্ধি বাদ দি যিহেতুকে আমি নতুন অসম গঢ় দিয়াৰ কাৰণে ওলাই আহিছো। সেই কাৰণে মানুহ হিচাবে চিন্তা কৰি সহানুভূতিৰে সেই বিলাক বিচাৰ কৰি স্থায়ী ভাৱে বন্দৱস্তী দিয়াৰ ব্যৱস্থা কৰিব লাগে। মই এই খিনিকে মোৰ বক্তৃতাৰ মাজেৰে আগবঢ়াই সামৰণি মাৰিছো।

চেয়াৰম্যান: এতিয়া মাননীয় সদস্য শ্ৰীএ-এফ-গোলাম ওচমানি।

Shri A. F. Golam Osmani: Hon'ble Chairman, Sir, now the time has come to the fag end and the matter-land Revenue-being important, I would like to speak on some basic points. The Government realises the importance of having a land policy. Inspite of their/desire to bring in some new land policy, ultimately, it gets counterproductive. I again mention

that the basic problem of Aassm has arisen out of land questions. Our politician could not face the problem with correct perspective. Assam Accord is largely the manifestation of the political deficiencies in our system that prevails in the State. Sir, unless you have a definite land policy, you cannot have a stable economy, specially for a State like Assam which is primarily Agricultural. Sir, from time to time land policies were evisaged but it they were done more in the line of restrictive nature than to find out a system which can ameliorate the condition of the agriculturists as a whole. You must have observed the peculiarities or rather tragic manifestaion of the land policy. The Government wanted to introduce the land policy on the Thalua pattern. The whole problem of foreigners will be solved after a couple of years. You cannot evolve a restrictive policy based on that promise.

You are to treat your people as a unit. You, the land policy maker, should not get disturbed with the idea as to who is a foreigner and who is not a foreigner. Who is a foreigner ultimately will be found out. For this purpose, the machinery is there. You should not link up that issue with the settlement of land to the landless people. You should take up the landless people as whole and try devise a land policy. When you want to give land to the people you find out the relevant status to whom you are going to give land. You do not go to find out whether they are 'thaluas' or foreigners. Because by that you will create only confusion. You cannot start with a policy that will only benefit a section of people. Sir, whatever may be the declaration here in this House, I must tell you Sir, that great disciri-

mination is being practised in relation to the settlement of land in the district of Barpeta under MNP. Hon'ble Members and also feet those who were with the side of the Assam agitation will ashamed when they go through the figures how anrlaore. They will find a very naked type of discrimination practised in the district of Barpeta. I am not going into the details. That will come up subsequently on subsequent occasion. But I may tell you that if you go on in discriminating a section of population of the State, your hope of giving Assam peace and stability will be futile.

I would like in particular to remind the present Revenue Minister to take into account the land policy that was announced and adopted by the Government in 1972. Unless you make reform based on that land policy or bring in advancement in it you will create more confusion. Perhaps this Government is thinking of making a land policy which will be announced in due course as they have already announced an Industrial Policy and a Forest policy. So, I request the Government to be more progressive and pragmatic in their approach towards the land settlement so that Justice is done to all sections of population of the State. Sir, we have good wishes for the young Government People wanted a change ; so there are here in the Government. We are also one with them except on one point when they harass Indian citizens in the name of finding out foreigners. But your type of Government has given a respite ; there was a change. We welcome it. But we want you to be more pragmatic and should not get bogged down with the cross of the Assam Accord unnecessarily. Your new land policy should have a projection of the then policy that was anno-

unced in this House in 1972. But if you make fundamental departure because of your inhibition you will make a very sorry figure of yourself.

Sir, land policy annouced in 1972 was one of the most importance measure adopted by the Government of Assam. There was a sincere effort to give land to the landless people. While you give land to the landless people, please do not discriminate. You have your enquiry and then decide. What has happened with the Congress Government ? They announced a land policy but they never applied it. You please do not commit this type of mistake. You take less unmber of projects, but try to implement all of them sincerely. Then only people of Assam will remain thankful to you.

Now Sir, In Lotoria researve in Kamrup Dist. people started to take illegal possession of khas and reserved land since 1950. As has been observed by all hon'ble members from Upper Assam that khas land are also being occupied by the people not belonging to the area and they are coming from different areas of the State. Here let us not dilute our projection with this word 'foreigner'. If they are actually landless if they are the people of the State they should be given settlement. In Lotoria settlement was in progress, Politicians at that time encouraged the people for settlement. The SDC submitted the lists of people for settlement to the Revenue Department through the Collector. When this was about to be finalised suddently another group appeared in the scene and whole matter was shelved. New list for settlement started. Thus in every year lakhs of rupees were being collected in the name of settlement. Is the Government prepared to enquire into this infamous Lotoria case ? This

has affected nearly 8000 people. They are living in distressed condition presently.

When the Government wanted to start the process afresh during sixties, the SDC at that time did not comply with the desire of the Minister at that time to prepare a list as adviced and he was compelled to resign. The name of that SDC was Shri Homen Bargohain who has written some famous short stories in Assamese which attained the acclamation of whole of India and these are in relation to Lotoria forest reserve chisode. So, in respect of Lotoria, the Govern ment should make an enquiry and people who are found to be residing in the area since 1960 should be given proper settlement. I humbly request the Revenue Minister not to disturb the stable condition already existing in the agricultural economy of the State. If you disturb the agricultural pattern of the society you invite revolution because you should know that revolution start when the disstabilisation of the people who produce takes place. So, I once again request the hon'ble Revenue Minister that the new land policy should have some reflection of the policy announced in 1972 and I wish he gives a redical and progressive new land policy so that the posterity will remember the present hon'ble Revenue Minister. Thank you, Sir.

Mr. Speaker : Now it is 11.40. Hon'ble Minister will reply.

* শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : আজি ৰাজহ বিভাগৰ ৬নং দাবী মঞ্জুৰীৰ সন্দৰ্ভত অসম বিধান সভাৰ বিৰোধী পক্ষৰ মাননীয় বিধায়ক সকলে দাবী মঞ্জুৰীৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰি গঠনমূলক সমলোচনা কৰি পৰামৰ্শ আগবঢ়াইছে। লগতে চৰকাৰী পক্ষৰ মাননীয় বিধায়ক সকলেও দাবী মঞ্জুৰীৰ সমৰ্থন কৰিও সমালোচনা সহকাৰে যথেষ্ট পৰামৰ্শ আগবঢ়াইছে। এই গঠনমূলক সমালোচনা আৰু পৰামৰ্শৰ বাবে আটাইকেইজন মাননীয় বিধায়কলৈ মই ধন্যবাদ জ্ঞাপন

* Speech not corrceted.

কৰিছো। এই গঠনমূলক সমালোচনা আৰু পৰামৰ্শই ৰাজহ বিভাগক তথা চৰকাৰৰ নতুন নীতি আৰু আঁচনি গ্ৰহণ কৰাত পুৰণি নীতি আৰু আঁচনি সংশোধন আৰু পৰিবৰ্ত্তন কৰাত আৰু ইয়াৰ কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰাৰ ক্ষেত্ৰত যথেষ্ট সহায় কৰিব।

মই এতিয়া ৬নং দাবী মঞ্জুৰীৰ সন্দৰ্ভত এটি চমুটোকা সদনত উৎথাপন কৰিব বিচাৰিছো।

ৰাজহ বিভাগৰ তৰফৰ পৰা উৎথাপন কৰা মঞ্জুৰী দাবীৰ পৰিমাণ তলত উল্লেখ কৰা ধৰণৰ :—

| | ১৯৮৭-৮৮ চনত মঞ্জুৰী পোৱা ধন | ১৯৮৮-৮৯ চনৰ বাবে উত্থাপতি মঞ্জুৰী দাবীৰ ধন। |
|---|---|---|
| ১। গৃহীত : | ১৮,১৩,১৩,০০০·০০ টকা | ১৯,৬৩,৫৩,০০০·০০ টকা |
| ২। ধাৰ্য্য : | ৬৯,০০০·০০ টকা | ৭১,০০০·০০ টকা |
| মুঠ | ১৮,১৩.৭৭,০০০·০০ টকা | ১৯,৬৪,২৪,০০০·০০ টকা |

দেখা যায় যে ১৯৮৮-৮৯ চনৰ দাবী মঞ্জুৰীৰ ধন ১৯৮৭-৮৮ চনত মঞ্জুৰী পোৱা ধনৰ পৰিমাণৰ ৮% উৰ্দ্ধলৈ এই দাবী যোৱা নাই। ইয়াৰ ভিতৰত—

(১) **স্বাভাৱিক পিতানৰ দাবী** (ক) ভৈয়াম অঞ্চল : ১৭,০৬৮৪,০০০০০ টকা

(খ) পাৰ্বত্য অঞ্চল : ১,৬০,০০০·০০ টকা

(৬ষ্ঠ অনুসূচীত)

১৭,০৮,৪৪,০০০·০০ টকা

ইয়াৰ ৭১,০০০·০০ টকা ধাৰ্য্য আৰু ১৭,০৭,৭৩০০০·০০ টকা গৃহীত।

(২) **পৰিকল্পনা পিতানৰ দাবী** : (ক) ভৈয়াম অঞ্চলৰ বাবে ১,৭৫,৩০.০০০,০০ টকা ইয়াৰে ২৭,০০,০০০·০০ টকা জনজাতীয় অঞ্চল উন্নয়ন উপপৰিকল্পনাৰ বাবে। ইয়াৰ উপৰিও কেন্দ্ৰীয় সাহায্যপ্ৰাপ্ত আঁচনিৰ অধীনত অনুসূচীত জাতি ; জনজাতি আৰু দাৰিদ্ৰতাৰ সীমাৰেখাৰ তলত অন্যান্য লোকৰ বাবে সংস্থান তথা আশ্ৰয়দান আঁচনিৰ বাবে ৰাজ্য চৰকাৰে বহন কৰিব লগা আধা ধন ২২,৫০,০০০·০০ টকা। গতিকে মুঠ ১,৯৭,৮০,০০০·০০ টকা।

(খ) পাৰ্বত্য অঞ্চল (৬ষ্ঠ অনুসূচীত)— ৫৮,০০,০০০·০০ টকা

মুঠ — ২,৫৫,৮০,০০০·০০ টকা

এই ধন সম্পূৰ্ণ গৃহীত দাবীৰ অন্তৰ্ভুক্ত।

(১) স্বাভাৱিক শিতানত

| গৃহীত | প্ৰাৰ্থ্য |
|---|---|
| ১৭,০৭,৭৩,০০০·০০ টকা | ৭১,০০০·০০ টকা |

(২) পৰিকল্পনা শিতানত ঃ

| | |
|---|---|
| ২ ৫৫,৮০,০০০·০০ | নাই |
| ১৯,৬৩,৫৩,০০০·০০ টকা | ৭১,০০০·০০ টকা |

এই মঞ্জুৰী দাবী সম্পূৰ্ণ ৰাজহ বিভাগৰ (১) স্বাভাবিক শিতান আৰু (২) পৰিকল্পনা শিতানত ভৈয়াম অঞ্চলৰ আৰু ৬ষ্ঠ অনুসূচীত পাৰ্বত্য অঞ্চলত চলি থকা কাম কাজ চলাই থাকিবলৈ নিতান্ত ভাবে প্ৰয়োজন। এই ধনৰ এটা অংশ ভূমি সংস্কাৰ মূলক আইন সমূহ যেনে—"অসম ভূমি সৰ্বোচ্চসীমা নিৰ্দ্ধাৰণ আইন (চিলিং এক্ট), অসম জমিদাৰী অধিগ্ৰহণ আইন, অসম ৰায়তী আইন, অসম ধৰ্মানুষ্ঠান আৰু ৰাজহুৱা দাতাব্যানুষ্ঠানৰ ভূমি অধিগ্ৰহণ আইন" আদি কাৰ্যকৰী কৰাৰ কামত ১৯৮৮-৮৯ চনত কৰিবলগা খা-খৰচৰ বাবে আৱশ্যক।

(ক) স্বাভাৱিক শিতানত ১২৩ টা ৰাজহ চক্ৰ, ২১৬ টা ৰাজহ উপচক্ৰ আৰু ২,৬৫৩ জন মণ্ডলৰ লাটৰ নিয়মীয়া কাম কাজ চলাবলৈ যাৱতীয় খৰচ আৰু দা-দৰমহা দিয়া হোৱা খা-খৰচৰ বাবে আৱশ্যক। তাৰোপৰি ৩১৩ জন মৌজাদাৰক দিব লগা ৫টা আৰু ৬,০২৪ জন গাওঁবুঢ়াক দিবলগা বানচো এই শিতানৰ পৰা খৰচ হয়। এই শিতানত ৬ষ্ঠ অনুসূচীত পাৰ্বত্য জিলা দুখনৰ বাবে তথা সামান্য সংখ্যক ৰাজহ বিষয়া আৰু কৰ্মচাৰীৰ খা-খৰচৰ বাবে সামান্য পৰিমাণৰ যি ধন ধৰা হৈছে সেই সকলোখিনি অত্যাৱশ্যকীয় খৰচ।

(খ) পৰিকল্পনা শিতানত ৰাজহ প্ৰশাসন সুচল কৰিবলৈ যিবোৰ নতুন জিলা, মহকুমা, ৰাজহচক্ৰ, ৰাজহ উপচক্ৰ. মণ্ডলৰ সৃষ্টি, গাওবুঢ়া নিযুক্তি জৰীপ আৰু পট্টন ক্ৰিয়া আদিৰ প্ৰয়োজনীয় কিয় দাংশ খা-খৰচ কৰা হ'ব। জনজাতীয় উপ-পৰিকল্পনা আঁচনিৰ অধীনত জোনাই, ধেমাজী আৰু শদিয়া মহকুমাৰ জৰীপৰ কাম হাতত লোৱা হৈছে। তাৰোপৰি নতুন সৃষ্টি হোৱা চাপৰি অঞ্চল আৰু জৰীপ নোহোৱাকৈ থকা আৰু বনাঅঞ্চল ভূমি সংৰক্ষণ, ভূমিহীন জনজাতীয় লোকৰ সংস্থাপন, কৃষি সম্প্ৰাসাৰণ আৰু বনাঅঞ্চল গঠন তথা সংৰক্ষণ সম্পাৰ্কীয় আচনি পৰিকল্পিত ভাৱে গ্ৰহণ কৰি জনজাতীয় সকলৰ আৰ্থ সামাজিক স্বাৰ্থৰ সংৰক্ষণ আৰু উন্নয়নৰ বাবে প্ৰচেষ্টা চলোৱা হয়। অসম জৰীপ বিদ্যালয়ৰ উন্নতি সাধন কৰি ইয়াক সমগ্ৰ উত্তৰ পুৰ্বাঞ্চলৰ বাবে এক মান বিশিষ্ট শিক্ষা কেন্দ্ৰত পৰিণত কৰিব বাবে ব্যৱস্থা পৰিকল্পনা শিতানত লোৱা হৈছে।

(গ) তদুপৰি অসমৰ ৪৫টা জনজাতীয় আবেষ্টনী আৰু খণ্ডত জনজাতীয় লোকৰ পৰা অজনজাতীয় লোকলৈ ভূমি হস্তান্তৰ বোধ কৰিবলৈ জনজাতীয় অঞ্চল উপপৰিকল্পনা শিতানত বিশেষ যত্ন লবলৈ ৯জন অতিৰিক্ত উপায়ুক্ত ১৯ জন উপপ্ৰতি সমাহৰ্তা আৰু আৱশ্যকীয় দপ্তৰীয় সহায়ক কৰ্মচাৰী পদ জনজাতীয় আবেষ্টনীৰ আৰু খণ্ড থকা জিলা আৰু ৰাজহ চক্ৰৰ বাবে সৃষ্টি কৰা হৈছে। ভিতৰুৱা অঞ্চল পৰিদৰ্শন কৰা আৰু জৰীপ ব্যৱস্থাত তৎকালীন ব্যৱস্থা লোৱাত যাতায়তৰ সহায়ৰ বাবে এই বিষয়াসকলক একোখন জীপ আৱশ্যক যদিও পুঁজিৰ অভাবত তাৰ ব্যৱস্থা কৰিব পৰা হোৱা নাই।

(ঘ) কেন্দ্ৰীয় আঁচনি অনুসাৰে ভৈয়ামৰ জনজাতি আৰু অজনজাতি অঞ্চলত লোৱা আঁচনি কাৰ্যকৰী কৰিবলৈ ৫০ : ৫৬ ভাগ খৰচৰ নীতিত ৰাজ্য চৰকাৰৰ তৰফৰ পৰা কৰিবলগা খৰচো এই পৰিকল্পনা শিতানতে আছে।

(ঙ) পাৰ্বত্য অঞ্চল পৰিকল্পনা শিতানত জিলা পৰিষদ গঠনৰ বাবে অনুদান হিচাবে পাৰ্বত্য জিলা দুখনত লোৱা জৰীপ কাৰ্য্যৰ বাবে সৃষ্টি কৰা কোষটোৰ খা-খৰচো এই মঞ্জুৰীত ধৰা হৈছে।

(চ) ভূমি সংস্কাৰ বিষয়ৰ আইন (চিলিং আইনকে ধৰি) সমূহ অৰ্থকৰী কৰা কাম চলি আছে, বিভিন্ন আদালত আৰু দপ্তৰত বহু সংখ্যাক আপীল আৰু আপত্তিমুলক আবেদন অহা বাবে অধিগৃহীত ভূমিৰ ক্ষতিপুৰণ আদিৰ বিষয়টো নিস্পত্তি কৰিব পৰা নাই। উক্ত আইন আদি কাৰ্যকৰী কৰাৰ বাবেও কিছু পৰিমাণৰ ধন স্বাভাৱিক খৰচৰ শিতানত ধৰিবলগা হৈছে। বিভিন্ন ৰাজহ আইন কাৰ্যকৰী কৰিবলৈ ৰাজহ বিভাগৰ প্ৰশাসনীয় কাম কাজ চলাই থকাৰ বাবেও যিবোৰ খা-খৰচৰ আৱশ্যক সেইবোৰও এই মঞ্জুৰীত অন্তৰ্ভুক্ত কৰা হৈছে।

(ছ) নতুন প্ৰস্তাৱ : (১) জনসাধাৰণক প্ৰশাসনৰ ওচৰ চপোৱাটো চৰকাৰৰ এটা প্ৰধান লক্ষ্য। অতি কম সম্ভৱপৰ সময়ৰ ভিতৰত ৰাইজে তেওঁলোকৰ মাটি-বাৰী সম্পৰ্কীয় কাম কাজবোৰ যাতে সুচাৰুৰূপে কৰিব পাৰে তাৰ বাবে চৰকাৰে প্ৰায় সকলেবোৰ জিলাৰ ৰাজহচক্ৰবোৰ গুৰুত্ব অনুসৰি পুনৰ সংগঠন কৰি সৰহ সংখ্যক ৰাজহচক্ৰ গঠনৰ প্ৰস্তাৱ হাতত লোৱা হৈছে। ইতিমধ্যে যোৱা ১৯৮৫ ৮৬ চনৰ পৰা ১৯৮৭ ৮৮ চনলৈকে ১২টা নতুন ৰাজহ চক্ৰ লোৱা হ'ল। বিত্তীয় বছৰত ৩ (তিনি) টা ৰাজহচক্ৰ পুৰ্বৰ সংশ্লিষ্ট ৰাজহচক্ৰ কিছুমান পুনৰ সংগঠন কৰি নিৰ্মাণ কৰা হৈছে। চক্ৰ গঠনৰ লগে লগে কাননগোৰ উপচক্ৰ আৰু মণ্ডলৰ লাট আদিৰ পুনৰ গঠনৰ কামো ওতঃপ্ৰোত ভাৱে জড়িত। সেই-

দৰে নতুন চক্ৰৰ বাবে প্ৰয়োজনীয় বিষয়া আৰু কৰ্মচাৰীৰ পদবো সৃষ্টি কৰিবলগীয়া হৈছে। এই প্ৰসঙ্গতে উল্লেখ কৰা যায় যে চৰকাৰী মাটি ভি, জি, আৰ, পি, জি-আৰ আৰু অন্যান্য মাটিবোৰ যাতে বেদখল মুক্ত কৰি ৰাখিব পাৰে তাৰ বাবে Field Inspection কৰিবৰ বাবে কেইটামান Revenue Inspector পদ সৃষ্টি কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। গতিকে একোটা নতুন ৰাজহচক্ৰ খোলা আৰু নতুন প্ৰস্তাব কাৰ্যকৰী কৰা বাবে যথেষ্ট ধনৰ প্ৰয়োজন আৰু এই অপৰিকাৰ্য্য অন্যথাই চক্ৰবোৰৰ কাম কাজ সুচাৰুৰূপে সম্পন্ন কৰাটো সম্ভৱ নহব। বৰ্ত্তমান অসমত ১২টা ৰাজহচক্ৰ আছে।

(২) মণ্ডল কাননগো সকলৰ দৰমহাৰ নিৰিখ সংশোধন হোৱা নাই। যোৱা 'পে কমিছন'ৰ অনুমোদনে তেওঁলোকক উপকৃত কৰিব নোৱাৰিলে। সেয়েহে মণ্ডল কাননগো সকলৰ দৰমহা নিৰিখ সংশোধনৰ প্ৰস্তাৱ লোৱা হৈছে।

(৩) ৰাজহচক্ৰ পুনৰ সংগঠনৰ উপৰিও এইবাৰ চৰকাৰে গাওঁবুঢ়াসকলৰ বছৰেকীয়া পাৰিতোষিকৰ মাহেকীয় নিৰিখৰ সীমা ১৫০ টকাৰ পৰা ২৫০ টকালৈ বঢ়োৱাৰ প্ৰস্তাৱ লোৱা হৈছে আৰু এই প্ৰস্তাৱ পৰীক্ষা কৰি থকা হৈছে। প্ৰস্তাৱ কাৰ্য্যকৰী কৰিবলৈ হলে প্ৰতিবছৰে যথেষ্ট ধনৰ প্ৰয়োজন হব। ইতিমধ্যে সদৌ অসম গাওঁবুঢ়া সন্মিলনে তেওঁলোকৰ এই বছৰেকীয়া পাৰিতোষিকৰ বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত ধৰ্মঘট আদিও কৰিছে।

(৪) জনজাতীয় আবেষ্টনী আৰু খণ্ডবোৰ ৰক্ষণা-বেক্ষণ দিয়াৰ বাবে প্ৰয়োজনীয় ৰাজহ বিভাগৰ কাম কাজ সুচাৰুৰূপে চলাই দিয়াৰ প্ৰতিষ্ঠান ৰাজহ বিভাগত এটি "ট্ৰাইবেল" চেল খোলাৰ বাবে প্ৰস্তাৱ লোৱা হৈছে।

(৫) কামৰূপ আৰু কাছাৰ জিলাত পুনৰ জৰীপ কাৰ্য্য আৰু ভূমি পট্টনৰ প্ৰস্তাৱ লোৱা হৈছে আৰু প্ৰস্তাৱ এই ১৯৮৮-৮৯ চনৰ বিত্তীয় বছৰতে কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা লোৱা হব। জোনাই, বেল আৰু শদিয়াত জৰীপ কাৰ্য্য কৰিব আৰু ইয়াৰ লগতে উত্তৰ কাছাৰ আৰু কাৰ্বি আংলং জিলা দুখনতো জৰীপ কাৰ্য্য চলোৱাৰ বাবে যাৱতীয় ব্যৱস্থা লৈ থকা হৈছে।

(৬) মাটি-কালি মেট্ৰিক পদ্ধতিত সংশোধন আৰু ব্যৱহাৰৰ বাবে ব্যৱস্থা লোৱা হৈছে আৰু এই ব্যৱস্থা কাছাৰ আৰু কৰিমগঞ্জ জিলাত এই বছৰতে প্ৰৱৰ্তন কৰিবলৈ যাৱতীয় ব্যৱস্থা লৈ থকা হৈছে।

(৭) অসম চৰকাৰে এটা বিত্তীয় বছৰতে এটি নতুন ভূমি নীতি গ্ৰহণ কৰিব আৰু সোনকালে ইয়াক ঘোষণা কৰিব। আশা কৰিছো এই ভূমিনীতিৰ

দ্বাৰা অসমৰ উন্নয়নমূলক আঁচনি আৰু ৰাইজ বিশেষকৈ জনজাতীয় আৰু অজন-জাতীয় কৃষক ৰাইজ উপকৃত হব। এই নতুন ভূমি নীতি গ্ৰহণৰ ক্ষেত্ৰত বৰ্ত্তমানে চলি থকা কেইখনমান ভুমি আইন সংশোধন কৰিবলগীয়া হব পাৰে।

সকলোবোৰ প্ৰস্তাৱ ৰাজহচক্ৰ পুনৰ সংগঠনেই হওঁক বা মৌজা, লাট আদিৰ পুনৰ সংগঠনেই হওঁক, সকলো আঁচনি একেলগে একে সময়তে কাৰ্য্যকৰী ব্যৱস্থা হাতত লোৱাটো সম্ভৱপৰ নহয়। কিয়নো এনেকুৱা প্ৰস্তাৱবোৰ কাৰ্যত ৰূপায়িত কৰিবলৈ হলে যথেষ্ট ধনৰ প্ৰয়োজন। সেয়েহে পৰ্য্যায়ক্ৰমে আৰু গুৰুত্ব অনুযায়ী এইবোৰ প্ৰস্তাৱৰ কাৰ্য্যকৰী ব্যৱস্থা হাতত লোৱাৰ বাবে চিন্তা কৰা হৈছে।

এই বছৰৰ বাজেটত ৰাজহ বিভাগৰ ভূমি ৰাজহ শিতানত যোৱা বিত্তীয় বছৰতকৈ মাত্ৰ প্ৰায় ৮ লাখহে বেছি ধন ধৰা হৈছে। এই পৰিমাণৰ ধন প্ৰয়োজনতকৈ তেনেই তাকৰ। সকলোবোৰ প্ৰচলিত ৰাজহ আইন সম্পূৰ্ণৰূপে ৰূপায়িত কৰিবলৈ হলে প্ৰস্তাৱিত ধনতকৈ বহু ধনৰ প্ৰয়োজন।

গতিকে মাননীয় বিধয়াক সকলক কৰ্ত্তন প্ৰস্তাৱ উঠাই লবলৈ অনুৰোধ জনোৱা হ'ল।

অধ্যক্ষ মহোদয়, এই প্ৰসঙ্গত আৰু কিছুমান কথা মই কব বিচাৰিছো। মাননীয় সদস্য সকলে কিছুমান পৰামৰ্শ আগবঢ়াইছে। বিশেষকৈ বিৰোধী পক্ষ্যৰ ফালৰ পৰা শ্ৰীআমিনুল্ল ইছলাম ডাঙৰীয়াই কৈছে যে আমাৰ ভূমি নীতি পদ্ধতিটো অতি পুৰণি, বৃটিছৰ যুগৰ পৰাই এনেদৰে চলি আছে। গতিকে এই-বিলাক সংশোধনৰ প্ৰয়োজন হৈছে। এতিয়া আগৰ যিবিলাক পুৰণা নীতি আছে, প্ৰচিডিঅৰ আছে সেইবিলাক একেবাৰে দলিয়াই পেলাব নোৱাৰি। অৱশ্যে সেইবিলাক সংশোধন কৰাৰ প্ৰয়োজন আছে। স্বাভাৱিক ভাৱে পুৰণা যিবিলাক নীতি আছে, এই বিলাক সংশোধন কৰাৰ প্ৰয়োজন আছে কাৰণ ভাৰতবৰ্ষৰ ৰাজহ বিভাগটো অতি পুৰণা বিভাগ। এই বিভাগটো ছেৰচাহৰ ৰাজত্বৰ দিনৰ পৰাই প্ৰচলিত হোৱা বিভাগ। গতিকে ৰাজহ বিভাগটো বহু দিন আগৰে পৰাই এনেদৰে ব্যৱহৃত হৈ আছে। তেখেতে আৰু বক্তব্য ৰাখিছিল যে আন্ত ৰাজ্যৰসীমান্ত অঞ্চলত অসমৰ ৰাইজক উচ্ছেদ কৰা হৈছে। তেখেতে বিশেষকৈ মেঘালয় আৰু অসমৰ সীমাৰ কথা উল্লেখ কৰিছে। অসমৰ ফালৰ পৰা উচ্ছেদ কৰা কথা জনা নেযায়। মেঘালয়ৰ পৰা যদি উচ্ছেদ কৰা হৈছে সেইটো চাব লাগিব। অৱশ্য বনাঞ্চলৰ ক্ষেত্ৰত সুকীয়া কথা। সেইটো ৰাজহ বিভাগত নপৰে বন বিভাগত পৰিব। তেখেতে আৰু এটা কথা কৈছিল যে নগা

সকলে অসমৰ মাটি বেদখল কৰিছে। সেয়েহে সীমান্তৰ কাৰণে এটা বেলেগ ভূমি নীতিৰ প্ৰয়োজন আছে বুলি পৰামৰ্শ আগ বঢ়াইছে। এই পৰিপ্ৰেক্ষিতত মই তেখেতক জনাব বিচাৰিছো যে সীমান্ত অঞ্চলত বেলেগ ভূমি নীতি গ্ৰহণ কৰা বা নিৰ্দ্ধাৰণ কৰাটো সম্ভৱ নহয়। কিন্তু নতুন চৰকাৰে বোৰ্ডাৰ এৰিয়া ডেভেলাপমেণ্ট বুলি এটা বিভাগ খুলিছে। যি সকল মানুহ বোৰ্ডাৰ এৰিয়াত আছে তেখেত সকলক সা-সুবিধা দিয়াৰ কাৰণে এই বিভাগটো খোলা হৈছে। তাৰ পিচত তেখেতে ফিল্ডত মিটৰেচন বন্ধ হৈ থকাৰ কথা কৈছে। ৰাজহ বিভাগৰ কামৰ হেচাৰ কাৰণে এইটো কৰিব পৰা নাই। এইটো কি ধৰণে ব্যৱস্থা কৰিব পাৰি নতুন ভূমি নীতি গ্ৰহণ কৰাৰ ক্ষেত্ৰত এইবিলাক থাকিব। মাট বাৰা চেটেলমেণ্টৰ ক্ষেত্ৰত ৩০ বছৰৰ মূৰে মূৰে চেটেলমেণ্ট দিয়াৰ নিয়ম আছে সেই ক্ষেত্ৰত নতুন চৰকাৰে এটা ব্যৱস্থা লৈছে যে অন্ততঃ ১০/১৫ বছৰৰ মূৰে মূৰে মাট বিলাক ক্লাচিফকেচনৰ ব্যৱস্থা কৰাটো বাঞ্চনীয় বুলি ভাবিছো। এই পৰিপ্ৰেক্ষিতত গুৱাহাটীৰ যি ঠাইত চেটেলমেণ্ট অপাৰেচন হোৱা নাছিল জুলাই মাহৰ পৰা সেই বিলাক ঠাইত পুনৰ কাৰ্য্যকৰী কৰাৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। এই বিষয়ে যোৱা সদনত সংশোধনী অনুমোদন দিছিল। সেই পৰিপ্ৰেক্ষিতত কাৰ্য্যকৰী ব্যৱস্থা লোৱা হৈছে। তাৰ পিচত টিলিং চাৰপ্লাচৰ ১০ বিঘাকৈ মাটি দিয়াৰ কথা কৈছে। ৯ বিঘা মাটি দিয়াৰ ব্যৱস্থা আছে। বৰ্ত্তমান এই ব্যৱস্থাটোৱে আমাৰ অসমত বহাল আছে। যথেষ্ট পৰিমাণৰ যদি মাটি থাকে তেতিয়া হলে তেনেকুৱাকৈ দিয়াৰ কাৰণে বিবেচনা কৰিব পাৰি। মাননীয় সদস্য শ্ৰীস্বৰূপ উপাধ্যায় ডাঙৰীয়াই ১৯৬০ আৰু ১৯৭০ দশকত কেৱাটাও ভূমি আইন ৰচনা কৰা হৈছিল আৰু সেই আইন বিলাক কাৰ্য্যকৰী নহল বুলি কৈছে। এই কথাটো মই স্বীকাৰ কৰো যে আগৰ পৰাই বহুতো ভূমি নীতি আইন কৰিলে যদিও এই আইন বিলাক যেনেদৰে কাৰ্য্যকৰী কৰিব লাগিছিল সেই হিচাবে কৰিব পৰা নাই। ৰাজহ বিভাগটো পূৰ্ব্বৰ পৰাই অৱহেলিত হৈ আছে। এই বিভাগৰ যিমান খিনি বিষয়া কৰ্ম্মচাৰী লাগে আৰু সা-সুবিধা লাগে সেই মতে দিব পৰা নাই। এই ক্ষেত্ৰত নতুন চৰকাৰে যথাযথ ভাৱে কাৰ্য্যকৰী কৰিবৰ কাৰণে আপ্ৰাণ চেষ্টা চলাব। নতুন ভূমি নীতিত এই বিষয়ে সন্নিবিষ্ট থাকিব। ইয়াৰ পিচত আৰু এটা পৰামৰ্শ দিয়া হৈছিল যে উচ্ছেদ কৰাৰ ক্ষেত্ৰত কিছুমান অলটাৰনেটিভ এৰেঞ্জমেণ্ট থাকিব লাগে। স্বাভাৱিকতে বিভিন্ন বিভাগে আঁচনি ললে সেই আঁচনি কাৰ্য্যকৰী কৰিবৰ কাৰণে মাটি দিব লাগে। উদাহৰণ স্বৰূপে গুৱাহাটীত এভেকুচন চলি আছে। এই উচ্ছেদ কাৰ্য্যত ক্ষতি হোৱা লোকৰ সংস্থানৰ

কাৰণে গুৱাহাটীত মিউনিচিপাল কৰপোৰেচনে বজাৰ আদি পতাৰ বাবে ৰাজহ বিভাগক মাটিৰ কাৰণে এপ্ৰোচ কৰিলে সেইটো বিবেচনা কৰা হব। দোকান পহাৰ কৰি যি বিলাক মানুকে জীবিকা নিৰ্বাহ কৰিছিল তেওঁলোকৰ সংস্থান হোৱাটো বাঞ্চনীয়।

অধ্যক্ষ মহোদয়, ইয়াৰ পিচত মাননীয় সদস্য শ্ৰীশান্তি ৰঞ্জন দাসগুপ্ত ডাঙৰীয়াই চৰকাৰী ভূমি নীতি আৰু উচ্ছেদ নীতিৰ বিষয়ে বক্তব্য ৰাখিছে। অসমত পট্টা নীতি সম্পৰ্কে তেখেতে সন্দিহান কৰিছে যে বিশেষকৈ এখন পট্টাৰ নামত ডাঙৰ ডাঙৰ দাগ থাকে। সেইটো ঠিক নহয় বুলি তেখেতে কৈছে। কিছুমান মাটিৰ দাগ ডাঙৰ থাকে। কিন্তু দখল অনুসৰি নামজাৰি কৰোতে সৰু সৰু হয়। তেখেতে পৰামৰ্শ দিছে যে ৩০ বছৰীয়া যিটো চেটেলমেণ্টৰ ব্যৱস্থা আছে এই ব্যৱস্থা উঠাই দিব লাগে বুলি কৈছে। এইটো আমাৰ চৰকাৰে বিবেচনা কৰিছে। এই সম্পৰ্কত ৩০ বছৰৰ সলনি কমাই দিয়াৰ কাৰণে বিবেচনা কৰি থকা হৈছে। উচ্ছেদ নীতি সম্পৰ্কে সকলোকে অৱগত কৰিব লাগে বুলি কৈছে। তাৰোপৰি বামুনি গাওঁত উচ্ছেদ কৰা হৈছে বুলি তেখেতে কৈছে। তেওঁলোকক ৰিলিফ এণ্ড ৰিহেবিলেচন ডিপাৰ্টমেণ্টে মাটি দিছিল। গতিকে ৰাজহ বিভাগৰ লগত সেই সম্পৰ্কে যোগাযোগ কৰিছে নে নাই আৰু সেই সম্পৰ্কে তদন্ত কৰিছে নে নাই চাব লাগিব। ৰিলিফ এণ্ড ৰিহেবিটিচন ডিপাৰ্টমেণ্টে ভূমি আৱণ্টন বা পট্টন কেতিয়াও দিব নোৱাৰে। ৰাজহ বিভাগৰ লগত জৰিত থাকিলেহে কৰিব পাৰে। আৰু এটা পৰমাৰ্শ আগবঢ়াইছে যে আধিয়াৰ সকলক মাটি দিয়া নাই। যিবিলাক চিলিং চাৰপ্লাচ মাটি সেই বিলাক ঠিকমতেই দি থকা হৈছে। আমি চিলিং চাৰপ্লাচ মাটি বিতৰণ কৰি আছো। আধিয়াৰ সকলৰ যি বিলাক মাটি দখলত আছে সেই বিলাক মাটি যাৰ দখলত আছে সেই সকলকে দি থকা হৈছে। বৰ্ত্তমান পৰা কিবা আপত্তি বা অসুবিধা আহিলে সেই বিলাক লিখি দিলে আমি বিবেচনা কৰি চাব পাৰো। এন এন পি আঁচনিত মাটি পোৱা নাই বুলি কৈছে। কিন্তু আমাৰ চৰকাৰে এই আঁচনিত টকাৰ লগতে মাটি দি আছে। আগৰ চৰকাৰৰ দিনত টকা দিয়া হৈছিল যদিও মাটি দিয়া হোৱা নাছিল বুলি আমি শুনিবলৈ পাইছো। এই সম্পৰ্কত আমি কিছুমান আবেদনো পাইছো। ইয়াতে আৰু এটা কথা হৈছে যে বহু বিলাকক দখল চনাজ দিয়া হোৱা নাছিল কাৰণেও মাটি পাব নোৱাৰিলে। বনাঞ্চলৰ মাটি আমি দিব নোৱাৰো। বন বিভাগে যদি সেই মাটি তেওঁলোকৰ প্ৰয়োজন নাই বুলি কয় তেতিয়াহলেহে

আমি সেই মাটি বিতৰণ কৰি দিব পাৰো। তাকে নকৰিলে ৰাজহ বিভাগে মাটি দিব নোৱাৰে, যি বিলাক বনাঞ্চলৰ মাটি।

শ্ৰীচৰণ নাৰ্জাৰী ডাঙৰীয়াই চেপ্তাৰ ১০ৰ কথা উল্লেখ কৰি কৈছে যে সেই মতে ট্ৰাইবেল বেল্ট আৰু ব্লক সৃষ্টি কৰিলে, যদিও সেই বিলাক সংৰক্ষন কৰিবৰ কাৰণে কোনো আইন নকৰিলে। তাৰ ফলতে সমস্যাৰ সৃষ্টি হ'ল। এতিয়া আমাৰ নতুন চৰকাৰে এই সম্পৰ্কত ব্যৱস্থা লব আৰু নতুন ভূমি নীতি লোৱাৰ সিদ্ধান্ত কৰিছে। তেখেতে আৰু কৈছে যে চেপ্তাৰ ১০ উল্লেখ কৰি কৈছে যে ট্ৰাইবেল বেল্ট আৰু ব্লকৰ কাৰণে নতুন কিবা এটা ব্যৱস্থাৰ দৰকাৰ। ৰাজহ বিভাগে এই অসুবিধাটো বুজ পাই এটা চেল গঠন কৰাৰ কাৰণে ব্যৱস্থা লৈছে।

শ্ৰীৰামেন্দ্ৰ দেই কৈছে যে ভাৰতবৰ্ষৰ শতকৰা ৮০ ভাগ মানুহ কৃষিজীৱি। এই সকলৰ মাটিৰ সম্পৰ্কত যি বিলাক সমস্যা আছে সেই বিলাক সমস্যা সমাধান নকৰিলে আমাৰ দেশ অৰ্থনৈতিক ক্ষেত্ৰত আগবাঢ়ি যাব নোৱাৰিব। মই তেখেতক এই ক্ষেত্ৰত অবগত কৰিব বিচাৰিছো যে এই গোটেই কথাটো বুজি পোৱাৰ কাৰণেই আমাৰ চৰকাৰে বৰ্ত্তমান বছৰটো কৃষক বৰ্ষ হিচাবে ঘোষণা কৰি কৃষক সকলক সহায় কৰাৰ কাৰণে ব্যৱস্থা লৈছো। কৃষক সকলৰ সমস্যা সমাধানৰ ক্ষেত্ৰত ৰাজহ বিভাগ তৎপৰ হব। আৰু ৰাজহ বিভাগে সমস্যা সমাধানৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ ডাঙৰীয়াই পৰামৰ্শ আগবঢ়াই লবলৈ গৈ কৈছে যে আমাৰ ৰাজ্যত কোনো ভূমি নীতি নাই। আমাৰ ৰাজ্যত ভূমি নীতি নাই বুলি কলে ভূল হব। আগতে বহুত কেইটা ভূমি নীতি লোৱা হৈছিল কিন্তু সেই বিলাক কাৰ্য্যকৰী কৰা নহল। ১৯৬৭,১৯৬৮ আৰু ১৯৭২ চনত ভূমি নীতি লোৱা হৈছিল যদিও সেই বিলাক কাৰ্য্যকৰী কৰা নহল। অবশ্যে সেই বিলাক ভূমি নীতি লোৱা ইমান দিন হৈ গল যোতয়া এতিয়া সেই বিলাক সংশোধন কৰাৰ প্ৰয়োজন আছে।

(ভইচ-তেখেতে মোৰ কথা বুজি পোৱা নাই)

মই বেচিকৈ বুজিছো। আপোনালোকে ১৯৫১ চনত ভূমি নীতি লৈছিল যে যি বিলাক মানুহ চৰকাৰী মাটিত বহি আছিল সেই সকলক ৫০ বিঘাকৈ মাটি দিব লাগে। কিন্তু এইটো কাৰ্য্যকৰী নহল। তাৰ পিচত ১৯৫২ চনত ভূমি নীতি ললে যে যি বিলাক মানুহ চৰকাৰী মাটিত বহিআছে সেই সকলক ১২ বিঘাকৈ মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। এইটোও কাৰ্য্যকৰীনহল। ১৯৭২ চনত কোৱা হল যে যিবিলাক মানুহ ১৯৬৮ চনৰে পৰাই বহি আছে সেইসকলক

৯ বিঘাকৈ মাটি দিব লাগে। ভি জি আৰ, পি জি আৰত যি বিলাক মানুহ ১৯৬৭ চনৰে পৰা বহি আছে তেওঁলোকক ৮ বিঘাকৈ মাটি দিব লাগ। তেনে ধৰণেৰেই বহুত বিলাক ভূমি নীতি লোৱা হৈছিল যদিও এই বিলাক কাৰ্য্যকৰী নহল। এতিয়া আমি এই আটাই বিলাক চালি জাৰি চাব লাগিব। তাৰ পিচতহে সিদ্ধান্ত লব পৰা হব। আগতে কি নীতি লোৱা হৈছিল সেই বিলাক নোচোৱাকৈ আমি একো কৰিব নোৱাৰিম।

ইয়াৰ পিচত শ্ৰীধানোৱাৰে আকৌ কৈছে যে চিলিঙৰ উৎবৃত্ত মাটি বিলাক দিয়া হোৱা নাই। কিন্তু মই কওঁ যে সেই বিলাক মাটি দি থকা হৈছে। কিন্তু তাত মানুহ নাথাকে। সেই বিলাক মাটি চাহ বাগিছাৰ মালিক বা অন্যান্য লোকক বিক্ৰী কৰি গুচি যায়। এইটোৱেই আমাৰ ৰৰ্ত্তমান সমস্যা হৈছে। এই সমস্যা কেনেকৈ সমাধান কৰিব লাগে সেই সম্পৰ্কত আপোনালোকে আমাক পৰামৰ্শ দিব লাগিব। আৰু তেখেতে কৈছে যে স্থানীয় লোকক মাটি নিদি চীনা সকলক মাট দি আছে। এতিয়া আৰু মাটি দিবলৈ চীনা সকল কত আছে? আগতে চাহ বাগিছা খোলাৰ সময়ত চীনা সকল আহিছিল। সেই মতেই চানামাৰা নামে চাহ বাগান এখনৰ নাম হল। কিন্তু এতিয়া কোনো চীনা লোক নাই আৰু মাটিও দিয়া হোৱা নাই।

আবুল হুছেইন চৰকাৰে কৈছে যে চৰকাৰে যিবিলাক মাটি লৈছিল তাৰ হিচাব লোৱা নাই। ৰূপহাত হাজো চক্ৰ খোলা হৈছে সেইটো খেলিমেলি নকৰাই ভাল। উপাযুক্ত এগ্ৰা হৈছে হেতু কুৱাটাৰ ক'ত হব প্ৰয়োজন বিধায়কক লগ লাগি সিদ্ধান্ত ললে ভাল হয়। অসুবিধা কৰি থাকিলে ৰাজহ চক্ৰ উঠাই দিয়াৰ বাহিৰে কোনো উপায় নাথাকিব। শ্ৰীগোলাম ওচমানা ডাঙৰীয়াক মূল সমস্যাত বক্তব্য ৰখাৰ বাবে ধন্যবাদ জনাইছো। তেখেতে সন্দেহ কৰিছে যে, থলুৱা শব্দটো এনেকৈ ব্যৱহাৰ কৰিছে যে বহুতো মাটি পোৱাৰ পৰা বঞ্চিত হব। তেখেতে সন্দেহ কৰাৰ কোনো কাৰণ নাই। চৰ বিলাকত স্থায়ী ভাৱে মাটিৰ পট্টন দিয়াটো সম্ভৱ নহয়। তাত এলটমেণ্টৰ ব্যৱস্থা আৰু ফাৰ্মিংৰ ব্যৱস্থা কৰিব পাৰি। পুৰণি চৰ ভাঙি নতুন চৰ সৃষ্টি হোৱাৰ বাবে স্থায়ী ভাবে জৰীপ কৰি ম্যাদি পট্টা দিয়াটো সম্ভৱ নহয়। কেডেষ্ট্ৰেল চাৰ্ভেৰ পৰিবৰ্ত্তে ব্লক চাৰ্ভে কৰিব পাৰি। চৰ জৰীপ কৰিবৰ কাৰণে পাচ লাখ টকা ধাৰ্য্য কৰা হৈছে। এতিয়া নতুন ভূমিনীতি লোৱা ক্ষেত্ৰত ভয় বা সন্দেহ কৰিব লগা নাই। শ্ৰীভৰত নৰহ ডাঙৰীয়াই আগ বঢ়াইছে যে জলসিঞ্চন আচনিত উচ্ছেদ

কৰা ভূমিহীন লোক সকলৰ পুণৰ সংস্থাপনৰ ব্যৱস্থা কৰিব লাগে। আমি মাটি দিব পাৰিম। কিন্তু উন্নয়ন মূলক আচনি লব নোৱাৰো। ৰাজহ বিভাগে মাটি দিয়াৰ লগে লগে ৰাস্তা পদূলি উন্নয়ন, কৃষি উন্নয়ন, জলসিঞ্চনৰ উন্নয়নৰ বাবে সংশ্লিষ্ট বিভাগ বিলাক আহিব লাগিব। এই বিভাগ বিলাক আগবাঢ়ি আহিলেহে সংস্থাপনৰ ব্যৱস্থা ফলপ্ৰসু হব। শ্ৰীজয়নাথ শৰ্মা ডাঙৰীয়াই পৰামৰ্শ দিছে যে উদ্যোগ বিভাগৰ পৰা মাটি আবণ্টন দিয়া ব্যৱস্থা কৰিব লাগে। কিছুমান ক্ষেত্ৰত তেনেকুৱা কৰা হৈছে কিন্তু কাম হোৱা নাই। ইণ্ডাষ্ট্ৰিয়েল ষ্টেতত মাটি দিয়া হৈছে কিন্তু মাটি বেদখল কৰা হৈছে। ইয়াৰ বাবে উদ্যোগ বিভাগ দায়ী। সীমাৰ পিলাৰ আদি উদ্যোগ বিভাগে দিব লাগে। তাৰ বাবে ৰাজহ বিভাগ দায়ী নহয়। তিনচুকীয়াৰ ইণ্ডিয়া কাৰবনে ৫০ বিঘা মাটিৰ সদ ব্যৱহাৰ কৰা নাই। উদ্যোগ বিভাগৰ পৰা মাটি দিব লাগে লগতে টাউন এণ্ড কাউন্টি প্লেনিং বিভাগে কোন ফালে কি হব তাৰ পৰিকল্পনা কৰি দিব লাগে। এই ধৰণৰ ব্যৱস্থা হলে কামত আগবাঢ়িব পৰা যাব। আমি তেনেধৰণৰ ব্যৱস্থা লৈ আছো। শ্ৰীশৰ্মা ডাঙৰীয়া দায় ভাগ আৰু মিত্ৰাক্ষৰ স্কুলৰ কথা কৈছে। মিত্ৰাক্ষৰ স্কুল মতে জন্ম গ্ৰহণ কৰাৰ লগে লগে মাটিৰ ভাগ বতৰা কৰা হয়। দায় ভাগ স্কুল মতে বাপেক নমৰালৈকে পুতেকৰ নামত ভূমি হস্তান্তৰ নহয়। গৰ্ভস্থ অবস্থাত মাটিৰ ভাগ বতৰা নহয় ভূমিস্থ হব লাগিব।

শ্ৰীজয়নাথ শৰ্মা: হাইকোৰ্টৰ ৰুলিং আছে মিত্ৰাক্ষৰ স্কুল মতে পায়।

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী): ভূমিস্থ হলে পায় নেকি ? আজি গুৱাহাটীত আৰবান চিলিংত মাটি পোৱাত অসুবিধা পাইছো। যিমান মাটি আছে আৰবান চিলিংত পেলাব নোৱাৰি। এই সম্পৰ্কত বিহিত ব্যৱস্থা লবলৈ লৈছো। ৰেলওৱে মাটিৰ বেদখল সম্পৰ্কত ব্যৱস্থা লৈছো। ট্ৰাইবেল বেল্ট আৰু ব্লকত দেখা যায় ট্ৰাইবেল সকলে নন ট্ৰাইবেলক মাটি বিক্ৰী কৰিবলৈ বৰ উৎসাহী। সেই কাৰণে ট্ৰাইবেল এৰিয়াত নন ট্ৰাইবেলৰ সংখ্যা বেচি হৈছে। এই ক্ষেত্ৰত দেখা যায় বহিৰাগত নন ট্ৰাইবেলৰ সংখা বেচি। তথ্য সংগ্ৰহ কৰি দেখা গৈছে, লক্ষীমপুৰ ধেমাজীত বহিৰাগত নন ট্ৰাইবেলৰ সংখ্যা বাঢ়িছে। শ্ৰীঅগ্নিহত্ৰীৰ নামত মাটি কটন দিয়া সম্পৰ্কত তদন্ত কৰি বিহিত ব্যৱস্থা লম বুলি প্ৰতিশ্ৰুতি দিছো। শ্ৰীবলভদ্ৰ তামুলীয়ে ডি, চি এচ, ডি, চিয়ে ২ৰ একটিভ হোৱা নাই বুলি কৈছে। মাটি বিলাক আবণ্টন দিয়াৰ পিচত তেওঁলোক সেই মাটি ৰাখিব লাগিব। যদি নাৰাখে বেদখল হয়। এই কথা বিলাক চিন্তা কৰি ফিল্ড চাৰ্ভে কৰাৰ বাবে ৰাজহ পৰিদৰ্শকৰ পদ সৃষ্টি কৰাৰ কাৰণে চিন্তা কৰা কৈছে। তেওঁলোক মোবাইল

হিচাবে পৰিদৰ্শন কৰিব। ৰাজহ বিভাগৰ মাটি সংৰক্ষণ কৰিবৰ কাৰণে এটা ৰাজহ বিভাগৰ লেণ্ড প্ৰটেকচন ফোৰ্চ এটা প্ৰয়োজন হৈছে। এই ব্যৱস্থা নহলে মাটি ৰখা ব্যৱস্থা সফলতা নহব। এই পদৰ সৃষ্টি কৰি সমস্যা সমাধান কৰিব পাৰি নেকি তাৰ ব্যৱস্থা লব। শ্ৰীপদ্মনাথ কৈৰী ডাঙৰীয়াই চিলিংৰ মাটি বিতৰণ কৰা আৰু ইটাৰ ভাটা দিয়াৰ সম্পৰ্কত পৰামৰ্শ আগবঢ়াইছে। তেখেত ভিজিআৰ আৰু পিজিআৰ নাই বুলি অনুমান কৰিছে। ভিজিআৰ পিজিআৰ যি ব্যৱস্থা লব লাগিছিল সেই ব্যৱস্থা লোৱা নাই বুলি কৈছে। ভিজিআৰত বিণা অনুমতিত মানুহ সোমাব নোৱাৰে।

গোপালক সকলে গৰু চৰালে ২ টকা, মহ চৰালে ৩ টকা, হাতীৰ বাবে ৫ টকা খাজনা দিব লাগে। আজি দেখা যায় ভিজিআৰ, পিজিআৰ বিলাক যি অৱস্থাত থাকিব লাগিছিল তেনে অৱস্থাত নাই। আপোনালোকৰ পৰামৰ্শ বিলাক নিশ্চয় ৰাজহ বিভাগে বিবেচনা কৰি ব্যৱস্থা গ্ৰহণ কৰিব। ৰাজহ বিভাগৰ বাবে যথেষ্ট ধনৰ প্ৰয়োজন আছে। সেয়ে আপোনালোকক কৰ্তন প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ জনালো।

Mr. Speaker : Hon'ble Aminul Islam, are you withdrawing your cut motion ?

Shri Aminul Islam : Yes Sir.

Mr. Speaker- Is it the pleasure of the House to grant leave to the Hon'ble member to withdraw the cut motion ? (voices yes) with the leave of the House the cut motion is withdrawn.

Now Mr. Swaroop Upadhya. (Shri Swaroop Upadhyaya : Yes Sir), Is it the pleasure of the House to grant leave to the Hon'ble member to withdraw the cut motion ? (voices : yes) with the leave of the House the cut motion is withdrawn.

Now Shri Santi Ranjan Dasgupta. He is absent. So I put the motion. The motion is that the total provision of Rs. 19,63 53,000, under Grant No. 6 in respect of "Land Revenue and Land Ceiling" at pages 39-62 of volume II, Part I of the Budget be reduced by Rs. 100.00 i. e, the amount

of the whole grant of Rs. 19,63,53,000 do stand reduced by Rs. 100.00.

The motion is lost ; the cut motion is lost.

Now Shri Amrit Lal Basumatari.

শ্ৰীঅমৃত লাল বসুমতাৰী ঃ মন্ত্ৰী মহোদয়ে এটা ভাইটেল পইণ্ট ইচ্ছা কৰি বাদ দি গৈছে যেন অনুমান হৈছে। কথাটো এম, এন, পিত ১ বিঘামাটি দিয়া পদ্ধতিটো বন্ধ কৰিব নে নকৰে? তাৰ পিচত কৃষি নিগম কৰা হব নে নহয়? কোকৰাঝাৰ জিলাৰ আমটেকা অঞ্চলটো বন বিভাগৰ নে ৰাজহ বিভাগৰ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ এম, এন, পিত ১ বিঘা মাটি দিয়া কথাটো বন্ধ কৰিব নোৱাৰো। এইটো হল কেন্দ্ৰীয় আঁচনি। অকল ১ বিঘাই নহয় মাটি থাকিলে ৯ বিঘাকৈ দিব পাৰি। ঘৰ বান্ধিবৰ বাবে ১ বিঘা আৰু আঢ়ৈ হাজাৰ টকা আৰু মাটি থাকিলে খেতি কৰিবৰ বাবে ৮ বিঘা মাটি দিব পাৰি। ফাৰ্ম্মিং কৰপৰেচন কৰিবৰ কাৰণে কৃষি বিভাগৰ পৰা আগবাঢ়ি আহিলে সহায় কৰিব। কিন্তু দেখা গৈছে ফাৰ্ম্মিং কৰপৰেচনক দিয়া মাটি তেওঁলোকে ৰাখিব পৰা নাই। উদাহৰণ স্বৰূপে দলগাওঁত ১০৮ বিঘা মাটি দিয়া হৈছিল কৃষি ফাৰ্ম্মৰ নামত। তিনিবাৰ উচ্ছেদ কৰি মাটি খালি কৰি দিয়া হৈছে। কিন্তু তাত কোনো কৃষি ফাৰ্ম্ম নাই। এই বিলাক অসুবিধা হৈ আছে। আমাৰ কৃষি ফাৰ্মিংৰ ব্যৱস্থাৰ দৰ্কাৰ। সামুহিক ভাৱে খেতি কৰাৰ প্ৰয়োজন আছে। আমাৰ মাটি কম। আমাৰ অসমত মাটিৰ চিলিংৰ পৰিমান ভাৰতৰ অন্যান্য ৰাজ্যতকৈ কম। পশ্চিম বঙ্গত মাটিৰ চিলিংৰ পৰিমাণ ৭৫ বিঘা। সামুহিক ভাৱে ফাৰ্ম্মিঙৰ যোগেদি খেতি কৰাতো ভাল। কৃষি আৰু আন্যন্য বিভাগ আগবাঢ়ি আহিলে ৰাজহ বিভাগে মাটিৰ আৱণ্টন দিব। আমটেকাৰ মাটিৰ সম্পৰ্কত অৱগত আৰু অনুসন্ধান চলাই আছো। সেই খিনি বনাঞ্চলৰ মাটি বুলি শুনা যায়। বনাঞ্চল কৰ্ত্তন কৰি জনজাতিক বহুৱাৰ আঁচনি লোৱা হৈছিল। এতিয়া জনজাতীয় লোকৰ সংখ্যা কমি যোৱা বুলি শুনা যায়। অনুসন্ধান চলাই থকা হৈছে। এই ক্ষেত্ৰত কি ধৰণৰ ব্যৱস্থা লব পাৰি, চৰকাৰে তাৰ বিহিত ব্যৱস্থা লব।

শ্ৰীঅমৃত লাল বসুমতাৰী ঃ মন্ত্ৰী মহোদয়ৰ উত্তৰত সন্তোষ্ট হৈ কৰ্ত্তন প্ৰস্তাৱটো উঠাই লৈছো।

Mr. Speaker : Is it the pleasure of the House to grant leave to the Hon'ble member to withdraw hus cut motion ? (voices : yes) . With the leave of the House the cut motion is withdrawm.

Now Mr. Charan Narzary. He is absent. So I put the motion: The motion is tnat the total provision of Rs. 19,63, 53, 000 undar Grant No. 6 in recpect of "Land Revenue and Land Ceiling" at pages 39-62 of volume II, Part I of the Budget be reduced to Rs: 1.00, i. e. the amount of the whole grant Rs. 19,63,53,000 do stand reduced to Rs. 1.00.

The motion is lost ; the cut motion is lost.

Now Shri Ramendra De.

Shri Ramendra De : Sir, I beg to seek 2 clarifications from the Minister due to the fault of the Government and due to the fault of the high officials of the district as per repoprt of the Auditor Comptroller General of India and also as per ruling of the Hon'ble Gauhati High Court........ compensation office of Karimganj ....... working system of the Compensation office of Karimganj......

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো ক্লাৰিফিকেচন বিচাৰিছে সেইটো যে কেবল কৰিমগঞ্জতে আছে এনে নহয়, বহুত ঠাইত আছে। সেইবিলাকো চাব লগীয়া হৈছে।

শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, গোৱালপাৰা আৰু কৰিমগঞ্জৰ কথাহে কোৱা হৈছে কিন্তু তেনেকুৱা বহু অঞ্চল অসমত আছে সেইবিলাকৰ কথা কিয় কোৱা নাই ?

শ্ৰীথানেশ্বৰ বড়ো ৰাজহ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, কৰিমগঞ্জ আৰু গোৱালপাৰা সমষ্টিত জমিদাৰী প্ৰথা আছিল সেইকাৰণে যিধৰণে কাৰ্যকৰী কৰিব লাগে সেইধৰণে কাৰ্য্যকৰী কৰা হোৱা নাই। 'কমপেনচেনচন' দিয়াৰ বাবে কৰিমগঞ্জত খেলি-মেলি হোৱা কথাটো চৰকাৰৰ দৃষ্টিগোচৰ গৈছে। অৱশ্যে বিষয়া আৰু লিডাৰ বিলাকৰ কাৰণেও এনেকুৱা হৈছে। এই বিষয়ে তদন্ত কৰি উচিত ব্যৱস্থা লোৱা হব।

Shri Ramendra De : Sir, I beg to withdraw the Cut Motion.

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, তদন্ত কৰি বিহিত ব্যৱস্থা লোৱা হব ।

Mr. Speaker : Is it the pleasure of the House to grant him leave to withdraw the Cut Motion ?

(Voices-yes yes)

Mr. Speaker : With the leave of the House, the Cut Motion is withdrawn. Now I put the main grant before the House, The Motion is that a sum of Rs. 14,72,64,000 be granted to the Minister In charge to comlete the sum of Rs. 19,63,53,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1989 for the administration of "Land Revenue and Land Ceiling".

(The Motion was passed by voice. vote Grant No. 6 was passed)

**GRANT No. 41-Natural Calamities.**

Mr. Speaker : Now Grant No. 41 - Natural Calamities. Hon'ble Minister of Revenue, Shri Thaneswar Boro to move.

Shri Thaneswar Boro (Minister) : Mr. Speaker sir, on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 5,43,96,000 be granted to the Minister In-charge to complete the sum of Rs. 7,25,02,000, necessary to defray the charges which will come in course of payment during the year ending the 31st March 1989 for the administration of "Natural Calamities"

Mr. Speaker : There are several Cut Motion over the grant. First one is in the name of Hon'ble Member, Shri Aminul Islam.

Shri Aminul Islam : Mr Speaker sir, I beg to move that the total provision of Rs. 7,25,02,000 under Grant No. 41 in respect of 'Natural Calamities" at pages 162-168 of Volume II, Part XXII be reduced to Rs. 1.00 i. e. the amount of the whole Grant of Rs. 7,25,02,000 do stand reduced to Rs. 1.000.

Mr. Speaker : Now Shri Mosiruddin Sheikh to move.

শ্ৰীমচিৰ উদ্দিন সেখ : ১৯৮৮-৮৯ চনৰ বাজেট মঞ্জুৰীৰ দাবীৰ দ্বিতীয় খণ্ডৰ দ্বাবিংশ অংশৰ ১৬২-১৬৮ পৃষ্ঠাত থকা প্ৰাকৃতিক দুৰ্য্যোগ শিতানৰ ৪১ নং মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা দাবীৰ ৭,২৫,০২,০০০ টকা এশ টকাৰে হ্ৰাস কৰা হওঁক অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ৭,২৫,০২,০০০ টকা এশ টকাৰে হ্ৰাস কৰা হওঁক ।

Mr. Speaker : Now Shri Sahidul Islam to move the Cut Motion.

Shri Sahidul Islam : Sir, I beg to move that the total provision of Rs. 7,2 ,02,000 under Grant No. 41 in respect of "Natural calamities" at pages 162-168 of Volume II, Part XXII of the Budget be reduced by Rs. 100.00 i. e., the amonnt of the whole grant of Rs 7,25,02,000 do stand reduced by Rs 100.00

Mr. Speaker : Next, Shri Amrit Lal Basumatary.

শ্ৰীঅমৃতলাল বসুমতাৰী : ১৯৮৮ ৮৯ চনৰ বাজেট মঞ্জুৰীৰ দাবীৰ দ্বিতীয় খণ্ডৰ দ্বাবিংশ অংশৰ ১৬২-১৬৮ পৃষ্ঠাত থকা প্ৰাকৃতিক দুৰ্য্যোগ শিতানৰ ৪১ নং মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা দাবীৰ ৭,২৫,০২,০০০ টকা এশ টকাৰে হ্ৰাস কৰা হওঁক অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ৭,২৫,০২,০০০ টকা এশ টকাৰে হ্ৰাস কৰা হওঁক ।

Mr. Speaker : Next, Shri Ramendra De.

Shri Ramendra De : Mr. Speaker sir; I beg to move that the total provision of Rs. 7,25,02,000 under Grant No. 41 in respect of "Natural Calamities" at pages 162-168 of the Budget be reduced by Rs.100.00 i. e. the amout of the whole grant of Rs. 7,25,02,000 do stand reduced to Rs. 100.00.

Mr. Speaker : Next Cut Motion is in the name of Shri Charan Narzary, but he is absent. So Hon'ble Member Shri Aminul Islam to speak now.

মাননীয় অধ্যক্ষ : এতিয়া মাননীয় সদস্য শ্ৰীআমিনুল হুচলাম ডাঙৰীয়াই কব।

* শ্ৰীআমিনুল ইচলাম : মাননীয় অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰি মই দুআষাৰ কবলৈ বিচাৰিছো। প্ৰতি বছৰে অসমত বিভিন্ন ধৰণৰ প্ৰাকৃতিক দুৰ্যোগ হৈ থাকে আৰু এই দুৰ্যোগৰ লগত মোকাবিলা কৰিবৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ে যি ৭ কোটি টকা মঞ্জুৰী বিচাৰিছে, সেই টকা প্ৰাকৃতিক দুৰ্যোগৰ নিচিনা সমস্যা সমাধানৰ ক্ষেত্ৰত মই ভাবো এই টকা নিচেই নগণ্য। ৭ কোটি টকাৰে বৰ্ত্তমান চৰকাৰ তথা মন্ত্ৰী মহোদয়ে বিভিন্ন ধৰণৰ দুৰ্যোগ কেনকৈ মোকাবিলা কৰিব সেইটো মোৰ সন্দেহ হৈছে। ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ তুলনাত অসমত যে সকলোতকৈ বেচি প্ৰাকৃতিক দুৰ্যোগ হয় সেইটো সচা। প্ৰতিবছৰে বানপানী আৰু গড়া-খহনীয়াত প্ৰাকৃতিক দুৰ্যোগৰ সৃষ্টি কৰি আছে। ৰাইজক অৰ্থনৈতিক ভাবে ক্ষতিগ্ৰস্ত কৰি আছে। যোৱা বছৰত ধুমুহা আৰু শিলা বৃষ্টিৰ কাৰণে বহুতো স্কুলৰ ঘৰ-বাৰী, গছ-গছনি, কাৰ্য্যালয় আদি কৰি হেজাৰ হেজাৰ টকাৰ সা-সম্পত্তি নষ্ট কৰিলে। ইয়াৰো-পৰি শিলাবৃষ্টিয়ে খেতি পথাৰ নষ্ট কৰি আছে, শস্য নষ্ট কৰি আছে। এনে ক্ষতি প্ৰতি বছৰে ব্যাপক আকাৰে হৈ আছে। ইয়াৰ সমাধান কৰাটো সম্ভৱপৰ নহয়। কিয়নো এই প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত হোৱা লোক সকলক সামান্য ধৰণে সাহায্য দি সন্তোষ কৰিব পৰা সম্ভব নহয়। আজি যি টকাৰ মঞ্জুৰী আনিছে সেই টকা ইয়াৰ বাবে নিচেই নগন্য। এই শিতানত বেচি টকা দিব লাগে।

মাননীয় চেয়াৰমেন মহোদয়, এই প্ৰাকৃতিক দুৰ্যোগ বিলাকত প্ৰতি বছৰে মানুহ মৃত্যুৰ মুখত পৰি আছে। সা-সম্পত্তি নষ্ট হৈ আছে আৰু চৰকাৰে কিছু কিছু সাহায্য দি আছে। ক্ষতিপুৰণ দি আছে। কিন্তু দেখা যায় ক্ষতিপুৰণ যেনেদৰে দিব লাগে সেই ধৰণে চৰকাৰে দিব পৰা নাই।

শ্ৰীআমিনুল ইচলাম : মাননীয় চেয়াৰমেন মহোদয়, যোৱা আঢ়ৈ বছৰত অসমত কইবাটাও প্ৰাকৃতিক দুৰ্যোগ হৈ গল বানপানী, গড়া খহনীয়া, ধুমুহা ইত্যাদি। ধুমুহা বানপানীয়ে আমাৰ বহুতো স্কুলঘৰ ভাঙিলে কিন্তু চৰকাৰে

* Speech not corrected.

সেইবোৰ মেৰামতি কৰাৰ বাবে উপযুক্ত ব্যৱস্থা লব পৰা নাই কিয়নো চৰকাৰৰ হাতত পৰ্য্যাপ্ত পৰিমাণে টকা নাই। আজি যদি এই বিভাগৰ হাতত যথেষ্ট পৰিমাণৰ ধন থাকিলেহেতেন তেন্তে অতি গুৰুত্বপুৰ্ণ আমাৰ শিক্ষানুষ্ঠান সমূহ মেৰামতি বা পুনৰ নিৰ্ম্মাণৰ কাৰণে টকা দিব পাৰিলেহেতেন। সেয়ে মই কওঁ এই বিভাগৰ কাৰণে টকা অতি কমকৈ ধৰা হৈছে। যোৱা বছৰ হৈ যোৱা বানপানীত চৰকাৰৰ ফালৰ পৰা সাহায্য আগবঢ়োৱা হৈছিল কিন্তু সি পৰ্য্যাপ্ত পৰিমাণৰ নাছিল। প্ৰয়োজনীয় খাদ্য বস্তু, ঔষধ যি পৰিমাণৰ প্ৰয়োজন আছিল সেই পৰিমাণে দিব পৰা নাছিল। হাজাৰ হাজাৰ, লাখ লাখ মানুহ বিভিন্ন ধৰণে ক্ষতিগ্ৰস্ত হৈছে কিছুমানৰ ঘৰবাৰী উটুৱাই নিছে, বেমাৰ আজাৰত যোগাযোগৰ অভাৱত মানুহ মৰিছে, শস্য সম্পূৰ্ণৰূপে ধ্বংস হৈছে কিন্তু চৰকাৰে ধনৰ অভাৱত ইচ্ছা থকা স্বত্তেও প্ৰয়োজনীয় ৰিলিফ দিব পৰা নাই। প্ৰাকৃতিক দুৰ্য্যোগ বিভাগৰ দায়িত্বত থকা ৰাজহ বিভাগৰ প্ৰশাসনীয় গাঠনি অতি দুৰ্বল বুলি মই আগতেও কৈছো আৰু আজিও কৈছো। এই বিভাগটোত পাৰ্মেনেণ্ট ইনফ্ৰাষ্টাকচাৰ থাকিব লাগে। প্ৰশাসন সবল হব লাগে। যথেষ্ট পৰিমাণৰ ধন, খাদ্য বস্তু আজি মজুত থাকিব লাগে যাতে যি কোনো ধৰণৰ প্ৰাকৃতিক দুৰ্য্যোগ আহিলেই তৎপৰতাৰে কামত আগবাঢ়ি যাব লাগে। দুৰ্য্যোগ হোৱাৰ আগতেই বিভাগ সাজু থাকিব লাগে কি কৰিব লাগিব বা নেলাগিব। প্ৰাকৃতিক দুৰ্য্যোগ অসমত প্ৰতি বছৰেই হয় তাক মোকাবিলা কৰিবৰ কাৰণে বিভাগ সদাসতৰ্ক থাকিব লাগে। এই সময়ত যোগাযোগ বিছিন্ন হৈ যায়, ৰাষ্টা ঘাট নষ্ট হয়, প্ৰপীড়িত লোক কোনো অঞ্চলত ২০-৩০ দিনলৈকে আবদ্ধ হৈ থাকিবলগা অৱস্থা হয়, চৰকাৰৰ লগত তেওঁলোকে কোনো প্ৰকাৰে যোগাযোগ স্থাপন কৰিব নোৱাৰে। এনে অৱস্থা অকল মোৰ মহকুমাতে যে হয় এনে নহয় অসমৰ প্ৰায়বোৰ অঞ্চলতেই হয়। প্ৰাকৃতিক দুৰ্য্যোগৰ সময়ত যাতে লোক সকলক প্ৰয়োজনীয় খাদ্য বস্তু ঔষধ ঠিক মতে দিব পৰা যায় তাৰ কাৰণে প্ৰতিটো মহকুমা, জিলাৰ সদৰত যথেষ্ট পৰিমণৰ বস্তু মজুত ৰখাৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে। ব্ৰহ্মপুত্ৰৰ দাতিকাষৰীয়া অঞ্চলবোৰ য'ত সঘনে বানপানী হয় তাত আগতীয়াকৈ নাও আদি সাজু ৰাখিব লাগে মানুহক উদ্ধাৰ কৰা আৰু প্ৰয়োজনীয় বস্তু যোগান ধৰাৰ নিমিত্তে। মানবীয়তাৰ দৃষ্টিকোনৰ পৰা এনে ব্যৱস্থা লব লাগে। মহকুমা আৰু জিলা পৰ্য্যায়ত ৰিলিফ কমিটি পাতি সেইবোৰ সক্ৰিয় কৰি তুলিব লাগে। আজি কেইটামান বিভাগৰ কিছুমান কৰ্ম্মচাৰীয়ে অসমত সঘনাই প্ৰাকৃতিক দুৰ্য্যোগ হোৱাটো বিচাৰে কিয়নো ইয়াৰ পৰা তেওঁলোকে ব্যক্তিগত ভাৱে লাভবান হয়। ৰিলিফৰ সামগ্ৰী

আত্মসাৎ কৰে। প্ৰাকৃতিক দুৰ্য্যোগৰ নামত বিভিন্ন উপায়েৰে ধন ঘটে। এনে এচাম চৰকাৰী বিষয়া, কৰ্মচাৰীৰ লগত তথাকথিত এচাম নেতাও যোগ হোৱা দেখা যায় মানুহৰ জীৱন মৰণ সমস্যাৰ লগত তেওঁলোকে খেলা কৰে। এনে দুৰ্নীতিত লিপ্ত কৰ্মচাৰী আৰু তথাকথিত নেতাৰ কাৰ্য্য কলাপত চকু দিবলৈ ভিজিলেন্স চেল থকা প্ৰয়োজন। এনেবোৰ লোকৰ ওপৰত চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজন। (সময় সংকেত)। চেয়াৰমেন মহোদয়, প্ৰাকৃতিক দুৰ্য্যোগৰ সময়ত যিবোৰ ৰিলিফ কমিটি গঠন কৰা হয় সেইবোৰ গতানুগতিক ভাৱে গঠন নকৰি বাস্তৱ দৃষ্টিভঙ্গী লব পৰাকৈ ক্ষমতাশালী কৰি গঠন কৰিব লাগে। কোনোবাই ৰিলিফৰ বয় বস্তু আত্মসাত কৰিবলৈ ওলালে বা কামত হকাবাধা কৰিলে তেনে লোকৰ ওপৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মাননীয় চেয়াৰমেন মহোদয়, আমি কৰ্ত্তন প্ৰস্তাৱ আনিছো যদিও বিভাগীয় মন্ত্ৰীয়ে যি মঞ্জুৰী বিচাৰিছে তাক আমি দিবই লাগিব। কিন্তু এই খিনিতে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে এই ধন খিনি সৎভাৱে ব্যৱহাৰ হোৱাত চকু দিয়ে। এই খিনি কৈয়েই মোৰ বক্তব্য সামৰণি মাৰিছো।

* শ্ৰীমছিৰুদ্দিন শ্বেখ : মাননীয় সভাপতি মহোদয়, অসমত প্ৰাকৃতিক দুৰ্য্যোগ এটা সচাকৈ ডাঙৰ দুৰ্য্যোগ। কিন্তু এই প্ৰাকৃতিক দুৰ্য্যোগ একশ্ৰেণী চৰকাৰী কৰ্ম্মচাৰী বা দালাল আছে নহলে তেওঁলোকৰ যেন মুৰ কামোৰণী উঠে। প্ৰাকৃতিক দুৰ্য্যোগ বোলা যিটো বস্তু তাৰ লগত যিবিলাক কেলেংকাৰী এই গোটেই বস্তুটো নিৰ্ভৰ কৰে আমাৰ যিখন ৰিলিফ মেনুৱেল সেইখনৰ ওপৰত। এই ৰিলিফ মেনুৱেলখনৰ যিবিলাক আসোৱাহ বা ত্ৰুটি আছে সেইবিলাকৰ কাৰণেই আমি বাধ্য হৈ পৰো আমি কিছুমান মানুহক অলপ বেছি পাট্টা দিবৰ কাৰণে অথচ যিবোৰ মানুহৰ আমাৰ সমাজত দুৰ্ব্বলশ্ৰেনীৰ মানুহৰ ওপৰত কোনো মৰম বা হিউমেনিটি নাই তথাপিও আমি বাধ্যহৈ তেওঁলোকৰ ওপৰতে দায়িত্ব ন্যাস্ত কৰিবলগীয়া হয়। গতিকে আমি এই মেনুৱেলখন সংশোধনী কৰি যাতে এই আসোৱাহ বিলাক দুৰ কৰিব পাৰি তাৰ কাৰণে চেষ্টা কৰিব লাগে। ৰিলিফ মেনুৱেলখনত যিবিলাক কথা আছে সেইমতে অসম চৰকাৰে ষ্টেপচ লোৱাত দেৰী হৈ যায়। ধৰক আজি যদি শদিয়াত প্ৰাকৃতিক দুৰ্য্যোগ হয় জুয়ে ঘৰ পুৰে বা ধুমুহা হয় বা বানপানী হয় ৰাইজ ক্ষতিগ্ৰস্ত হয় তেনেহলে আমি গুৱাহাটীৰ পৰা তদাৰক কৰাটো নিশ্চয় দেৰী হব। কাৰণ জিলাৰ উপায়ুক্ত বা মহকুমাধিপতিৰ মাত্ৰ ৫০ টকা দিয়াৰহে ক্ষমতা আছে। প্ৰাকৃতিক দুৰ্য্যোগত ক্ষতিগ্ৰস্থ

* Speech not corrceted.

লোক সকলৰ ৭ লাখ বা ৭ কোটিয়েই ক্ষতিগ্ৰস্থ হওঁক আৰু উপায়ুক্তক তাৰ কাৰণে ৭০০ বা ৭০০০ টকাৰে দৰ্কাৰ তথাপি জিলাৰ উপায়ুক্তৰ মাত্ৰ তৎকালিন ভাৱে ৫০ টকা দিয়াৰহে পাৱাৰ আছে। গতিকে জিলাৰ উপায়ুক্তই যাতে আৱশ্যক অনুযায়ী বা ইমাৰজেণ্ট চিটিউৱেচন মিট কৰিব পাৰে আৰু প্ৰাকৃতিক দুৰ্যোগ হলে যাতে অকল দিল্লী বা গুৱাহাটীলৈ বাটচাই থাকিব নালাগে তাৰ কাৰণে যাতে উপায়ুক্তই কিছু তৎকালিনভাৱে সাহায্য কৰিব পাৰে তাৰ কাৰণে ৰিলিফ মেনুৱেল সংশোধনী কৰি উপায়ুক্তক কিছু পাৱাৰ দিব লাগে। আমাৰ মাননীয় সদস্য শ্ৰীআমিনুল ইচলাম ডাঙৰীয়াই এটা কথা কৈছে যে প্ৰাকৃতিক দুৰ্যোগ অসমত একো নতুন বস্তু নহয় ই সাধাৰণতে কোনো বছৰতে নহাকৈ নাথাকে। বছৰে বছৰে ই উগ্ৰহৈ যাব ধৰিছে। আমি যদি যোৱা বছৰলৈ লক্ষ্য কৰো যিমান কোটি টকা খৰচ হৈছে সেই কথা জানিও এই বছৰ মাত্ৰ ৭ কোটি টকা মঞ্জুৰী বিচাৰটো আচৰিত কথা বা কিয়? আমি জানো যে আমাৰ ৰিচোৰ্চ নাই কাৰণে আমি বাজেটত টকা বঢ়াব পৰা নাই বা এই প্ৰাকৃতিক দুৰ্যোগত টকা বঢ়ালে বেলেগ হেডত টকা কমি যাব এতিয়া বাজেটত টকা ৭ কোটি ধৰি প্ৰাকৃতিক দুৰ্যোগ আহিলেই আকৌ দিল্লীলৈ দৌৰক, তাৰ পিছত দিল্লীৰ পৰা ঘূৰি আহি কব যে ৰাজীৱ গান্ধীৰ চৰকাৰে টকা নিদিলে, গালি শপনি পাৰিব, ইয়াৰ দ্বাৰা ৰাইজৰ কিবা মঙ্গল হব নে? ৰাজীব গান্ধীয়ে টকা নিদিলে বুলি গালি গালাচ কৰি থকাটোৱে পৰিতাপৰ কথা নহয় নে? তাৰ সলনি আমাৰ প্ৰাকৃতিক দুৰ্যোগৰ কাৰণে যিখিনি টকাৰ দৰ্কাৰ সেইখিনি টকা বাজেটত ধাৰ্য্য কৰা হলে এই অসুবিধা নহ'লহেতেন। ইফালে মানুহ মৰিব আনফালে দিল্লীক গালি শপনি পাৰি বহি থকাটো অৱাস্তৱ কথা। ইয়াৰ দ্বাৰা ইয়াকে বুজাইছো যে আমাৰ নিজস্ব কোনো দায়িত্ব নাই। গতিকে সময় থাকোতেই বেছিকৈ ধৰিব লাগে। সভাপতি মহোদয় অসমত বাৰিষা সদায় আহে দ্ৰুট সদায় হয়। ধুমুহা আহিলে বাৰিষা আহিলে দ্ৰুট হলে তাৰ বিপৰিতে যিবিলাক সাহায্য দিয়া হয় সেইবিলাক কিছুমান অঞ্চলতে সীমা বদ্ধ হৈ থাকে কিন্তু আমাৰ ৰাজহ আইনত প্ৰকৃতিক দুৰ্যোগৰ কাৰণে কিবা দীৰ্ঘ ম্যাদি দৃষ্টিভঙ্গী লৈছে নে? আজি যিকোনো এটা দুৰ্যোগতে আমাৰ খেতিয়ক সকল ক্ষতিগ্ৰস্থ হয়। অসমখন কৃষি প্ৰধান দেশ। অসমৰ শতকৰা ৮০/৮৫ ভাগ মানুহেই কৃষিৰ ওপৰত নিৰ্ভৰশীল। গতিকে কৃষকৰ যিবিলাক শস্য প্ৰাকতিক দুৰ্যোগত নষ্ট হয় তাৰ পৰা হাত সাৰিবলৈ অসম চৰকাৰে অন্ততঃ কৃষকৰ কাৰণে শস্যবীমা কৰাৰ ব্যৱস্থা কৰিব লাগে। তেওঁলোকৰ কাৰণে এটা বিশেষ আঁচনিৰ প্ৰয়োজন

আনহাতে বাৰিষাৰ সময়ত যিবিলাক অঞ্চলত পানীয়ে খেতি নষ্ট কৰে সেই বিলাকত জেনেৰেল ইন্সিওৰেঞ্চৰ ব্যৱস্থা থাকিব লাগে যাতে খেতিয়ক সকলে তাৰ বেনিফিত লব পাৰে। গতিকে খেতিয়কৰ কাৰণে স্পেচিয়েল আৰু জেনেৰেল ইন্সিওৰেঞ্চৰ ব্যৱস্থা থাকিব লাগে।

সভাপতি মহোদয়, চৰ অঞ্চলত আমি দেখিছো এক শ্ৰেণী মানুহৰ জমি সদায় নদীয়ে ভাঙি আছে। তেওঁলোকক বছৰে বছৰে এম-এন-পিত মাটি দি আছে কিন্তু তাৰ পৰা তেওঁলোক উপকৃত হব পৰা নাই। চৰ অঞ্চলত হাজাৰ বাসিন্দা আছে কিন্তু সেই মানুহবিলাকৰ কোনো মাটিৰ পট্টা নাই যাৰ ফলত একশ্ৰেণীৰ মানুহে সুবিধা আদায় কৰি আছে। এই মাটি বিলাকৰ ওপৰত তৌজি বাহি খাজনা লগালে ৰাজহ বিভাগৰ বহুত লাভ হ'লহেতেন আৰু যিসকল তাত বহি আছে তেওঁলোকেও স্বত্বাধিকাৰ পালেহেতেন চৰকাৰে মাত্ৰ এটা কথাকে কয় যে বছৰে বছৰে মাটি ভাঙি নিয়া কাৰণে তেওঁলোকক চেটেলমেণ্ট দিয়া নাই। কিন্তু এওঁলোকৰ পৰা কোনো তৌজি বাহি খাজনা নোলোৱাৰ কাৰণে এওঁলোকৰ মাটিৰ ওপৰত কোনো অস্থায়ী অধিকাৰ পৰ্য্যন্ত নাই আৰু ৰাজহো নাপায় আৰু যি সকল বেদখলকাৰী আছে তেওঁলোকৰ ওপৰত কৰ্তৃপক্ষৰ কোনো প্ৰশাসন নাইকীয়া হৈছে। গতিকে ইপাৰে চৰ ভাঙিলেও সিপাৰে চৰ ওলাব আৰু তাত তেওঁলোকে হয়তো বসবাস কৰিব সেইযে জমী ওলাব তাৰ ওপৰত তৌজি বাহি খাজনা লবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। নহলে আবহমান কালৰ পৰা যি নিয়ম চলি আছে যে নদীভঙা মানুহৰ ওপৰত বা নদী ভাঙিব কাৰণে সেই মাটিখিনিৰ ওপৰত চৰকাৰৰ কোনো কৰ্তৃত নাথাকিব সেই ব্যৱস্থাকে বাহাল ৰাখিলে অন্যায় কৰা হয়। গতিকে মই মোৰ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি... (সময়ৰ সংকেট) এইখিনিকে কব বিচাৰিছো যে ৰিলিফ মেনৱেলখন সংশোধন কৰিব লাগে চুইটেবলী যাতে উপায়ুক্ত সকলে ইমাৰজন্ট চিটিৱেচন মিট কৰিব পাৰে। খেতিয়কৰ কাৰণে স্পেচিয়েল আৰু জেনেৰেল ক্ৰপ ইঞ্চিওৰেঞ্চৰ ব্যৱস্থা কৰিব লাগে আৰু চৰ অঞ্চলৰ মানুহৰ কাৰণে ৰাজহ কালেকচন কৰিব লাগে।

এইখিনিকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

* শ্ৰীশ্বহীতুল ইচলাম : মাননীয় চেয়াৰমেন মহোদয়, আজি প্ৰাকৃতিক দুৰ্য্যোগ বিভাগত ৭ কোটি ২৫ লাখ ২ হাজাৰ টকাৰ যি মঞ্জুৰী উৎথাপন কৰা হৈছে সেই মঞ্জুৰীৰ ওপৰত মই কৰ্ত্তন প্ৰস্তাৱ আনিছো। অসম বিশেষকৈ প্ৰাকৃতিক দুৰ্য্যোগ

---

* Speech not corrceted.

প্ৰধান দেশ ভাৰতবৰ্ষৰ ভিতৰতে আটাইতকৈ বেছি প্ৰাকৃতিক দুৰ্য্যোগ অসমতে হয়। গতিকে এই দুৰ্য্যোগৰ বিৰুদ্ধে যুজ দিবলৈ যুদ্ধকালীন ভাৱে কেন্দ্ৰীয় চৰকাৰৰ পৰা বা আন তেনে ধৰণৰ সাহায্য মূলক অনুষ্ঠান আৰু পৃথিৱীৰ বিভিন্ন প্ৰান্তৰৰ পৰা বিভিন্ন সাহায্য আঁচনিৰ প্ৰয়োজন। অসমত ৰাজ্যিকভাৱে সকলো দল বল লৈ সকলো দল নিৰ্বিৰ্বশেষে সকলোৱে প্ৰাকৃতিক দুৰ্য্যোগৰ বিপৰীতে যুজ দিবলৈ ব্যৱস্থা কৰিব লাগে। আমেৰিকা আদি ঠাইতো এনে ধৰণৰ ব্যৱস্থা আছে ৰেড ক্ৰছ আদি জাতীয় স্বেচ্ছা মূলক অনুষ্ঠান আছে তাৰ লগতে আমিও অন্যতম প্ৰাকৃতিক দুৰ্য্যোগৰ লীলাভূমি অসমক বচাবলৈ এনেকুৱা এটা অনুষ্ঠান আমি কৰা দৰ্কাৰ। ইয়াৰ বাহিৰেও প্ৰাকৃতিক দুৰ্য্যোগৰ মোকাবিলা কৰিবলৈ যেন ধুমুহা, জুই আদিৰ কথা আমি ৰেডিও বা টিভিত বা ৰাতৰি কাকতৰ যোগে জানিবলৈ পাওঁযে এই বিলাকৰ কাৰণে সৈন্য বাহিনী সক্ষম কৰি ৰখা হৈছে। কিন্তু মই জানো মই দেখিছো এই সৈন্য বাহিনীত এনে সৈন্য আছে যি সাতুৰিবও নাজানে আৰু নাও চলাবও নাজানে। সেই কাৰণেই যোৱা বানত মোৰ সমষ্টিত ৬ জন মানুহৰ মৃত্যু হয়। সেই কাৰণে মই কওঁ অসমৰ পুলিচ বাহিনীক এই বিলাকৰ মোকাবিলা কৰিবপৰাকৈ সক্ষম কৰিব লাগে। প্ৰশিক্ষন দি উপযুক্ত কৰি তুলিব লাগে। ভাৰতৰ অন্যান্য প্ৰান্তৰতকৈ অসমত প্ৰাকৃতিক দুৰ্য্যোগ বেছি। সেয়ে অসম পুলিচৰ আচুতীয়া ভাৱে এই বিলাকৰ লগত মোকাবিলা কৰিব পৰাকৈ গঢ়ি তুলিব লাগে। তাৰ বাহিৰেও নদীৰ গৰাখহনীয়াত ক্ষতিগ্ৰস্থ হোৱা পৰিয়াল বিলাকক পুনৰ সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিব লাগে। নহলে অসমত দুৰ্ভিক্ষ্যই দেখা দিয়াৰ আশংকা আছে। চীনৰ হোৱাংহো নদী যাক এসময়ত চকুলো বুলি কোৱা হৈছিল আজি কিন্তু তাক চকুলো বুলি কোৱা নহয়। সেই দৰেই ব্ৰহ্মপুত্ৰকো আমি এতিয়া আমাৰ চকুলো বুলি কব পাৰো। সেই কাৰণেই গৰাখহনীয়া প্ৰতিৰোধ কৰিবৰ কাৰণে আৰু ক্ষতিগ্ৰস্থ মানুহক পুনৰ সংস্থাপন কৰিব লাগে। সেয়ে মই মন্ত্ৰী মহোদয়ক এই ক্ষেত্ৰত বিশেষ ব্যৱস্থা লবলৈ অনুৰোধ কৰিলো। এই প্ৰাকৃতিক দুৰ্য্যোগ যেতিয়া আহে আগজাননী নিদিয়াকৈ আহে, কেতিয়া আহিব কোনেও নাজানে। সেয়ে তাৰ কাৰণে জিলা হেড কোৱাৰ্টৰত আচুতীয়াভাৱে পুজি ৰখা প্ৰয়োজন। নহলে ধান পকে মানে টুনীৰ মৰণ। চৰকাৰলৈ লিখালিখি কৰোতেই মানুহৰ অৱস্থা নাইকীয়া হয়। গতিকে সদায়ে জিলা প্ৰশাসনৰ হাতত আচুতীয়াভাৱে পুজি ৰখাৰ ব্যৱস্থা কৰিব লাগে। সিদিনা অলপতে ৰূপহী হাট আদি মৌজাত

ধুমুহা হৈ গল মই নিজে গৈ চাইছো বহু মানুহৰ ঘৰবাৰী ভাঙিগল স্কুল ঘৰ ভাঙি গল, সেই সময়ত সৰু সৰু লৰা-ছোৱালীলৈ মানুহ পথাৰত আছিলগৈ ধুমুহা হৈছে, শিলাবৃষ্টি হৈছে মানুহৰ হাহাঁকাৰ হৈছে। মই ২০০ মান মানুহৰ সৈতে গৈ উপায়ুক্তক স্মাৰক পত্ৰ দিছিলো তেখেতে কলে যে আমাৰ এতিয়াই দিবপৰাকৈ একো ব্যৱস্থা নাই। কি ধৰণে আপোনালোকৰ সাহায্য দিব পাৰি সেইটো চাব লাগিব। উপায়ুক্ত, এচ, ডি, চি, লাট মণ্ডল আদিয়ে চাৰ্ভে কৰি প্ৰমাণ পোৱা সত্বেও সেই সকলৰ এতিয়াও সাহায্য দিব পৰা হোৱা নাই। সেয়ে মই মন্ত্ৰী মহোদয়ক এই ক্ষেত্ৰত যুদ্ধকালীন তৎপৰতাৰে ব্যৱস্থা কৰি সকলো ঠাইতে আচুতীয়াভাৱে পুঁজি ৰখাৰ ব্যৱস্থা কৰিবলৈ লগতে সকলো দল বল নিৰ্ব্বিশেষে এটা অনুষ্ঠান গঢ়িবলৈ অনুৰোধ কৰিলো। এই ক্ষেত্ৰত যাতে অতি সোনকালে ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে আশা ৰাখি মই মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

* শ্ৰীঅমৃতলাল বসুমতাৰী : মাননীয় চেয়াৰম্যান মহোদয়, প্ৰাকৃতিক দুৰ্যোগৰ শিতানত যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে সেইটো সমৰ্থন কৰি দুআষাৰমান কব বিচাৰিছো। আমাৰ অসম এনেকুৱা এখন প্ৰদেশ য ত প্ৰাকৃতিক দুৰ্যোগ প্ৰতি বছৰত হোৱাটো অৱশ্যম্ভাৱী আমাৰ ইয়াত প্ৰাকৃতিক দুৰ্য্যোগ বিভিন্ন ধৰণে হয়। বানপানী আছেই ইয়াৰ লগতে গোটেই উত্তৰ পূৰ্বাঞ্চল এটা ভূমিকম্পৰ এলেকা বুলিয়েই কব পৰা যায়। তাৰ পিচত ধুমুহা চাইক্লোন মাজে মাজে আছে। এনেদৰে প্ৰাকৃতিক দুৰ্য্যোগ নানা ৰকমে আহি থাকে। কেন্দ্ৰীয় চৰকাৰৰ হাতী ধৰা নীতিৰ অসুবিধাৰ কাৰণে আমাৰ ইয়াত হাতীয়েও মাজে সময়ে দুৰ্য্যোগৰ সৃষ্টি কৰি থাকে। কিয়নো হাতী ধৰিব নোৱাৰি। সেই ধৰণে চালে কেন্দ্ৰীয় চৰকাৰৰ এই পলিচি আমাৰ অসমীয়া ৰাইজক হাৰাশাস্তি কৰা পলিচি বুলি কব পাৰ। আমাৰ অসমত বহুবাৰ ভূমিকম্প হৈছে। ১৯৬৯ চনত বৰাক ভেলিত ভূমিকম্প হোৱাৰ ফলত বৰাক ভেলিত বাৰে বাৰে বানপানী হৈ আছে। ১৮৯৭ চনত হোৱা প্ৰলয়ংকাৰী ভূমিকম্পৰ ফলত গোটেই অসমতে দুৰ্য্যোগ হৈ আছে। ১৯৫০ চনৰ ভূমিকম্পৰ ফলত ব্ৰহ্মপুত্ৰ নদীৰ তলি দাং খাই অহাৰ ফলত বানপানী বেছি হৈ আছে বুলি বৈজ্ঞানিক সকলে কৈছে। ডিব্ৰুগড় টাউনৰ পৰিস্থিতিও তেতিয়াৰ পৰাই বেয়া হৈছে। আনকি শীতকালতো টাউনৰ লেভেলতে নদীৰ পানী থাকে। তাৰ ফলত গোটেই অসমতে ভয়াবহ বানপানী হোৱাত সহায়ক হৈছে। যোৱা বছৰ ধেমাজিত ভূমিকম্প হব বুলি জনাৰ পিচত ৰাজ্যিক

* Speech not corected.

চৰকাৰৰ বহুত টকা খৰচ হৈছে। অৱশ্যে ঠিক যে চৰকাৰ বা মন্ত্ৰীয়ে প্ৰাকৃতিক দুৰ্যোগ হব নে নহব সেইটো কোনো প্ৰতিশ্ৰুতি দিব নোৱাৰে। প্ৰাকৃতিক দুৰ্যোগ আগজাননী দি নাহে। কিন্তু আজিৰ যুগত এই বৰ্ত্তমান সময়ত আমি বাস কৰা প্ৰাকৃতিক দুৰ্যোগ কেতিয়া আহে তাক জানিব নোৱাৰোতো ঠিক নহয় কিয়নো এই বিলাক জানিবলৈ বৈজ্ঞানিক সকলে নানান উপায় উদ্ভাবন কৰিছে। টেক্‌নোলজিৰ দ্বাৰা ভূমিকম্প কেতিয়া আহিব ক'ত ক'ত হব পাৰে ইত্যাদি বিষয়ক তথ্য জনাতো সম্ভবপৰ হৈছে। ইয়াৰ উপৰিও আন আন সাবধান বাণী পাব পৰা বিভিন্ন উপায় আছে। সেই বিলাকৰ ব্যবহাৰ কৰিব লাগিব আৰু আমি নাজানিলেও আমাৰ মন্ত্ৰী বা চৰকাৰে সেই বিলাক কথা জানিব পাৰিব লাগিব। তেহে সেইমতে আগতীয়া ব্যৱস্থা লব পৰা হব। এই কথা বিলাক বোধহয় আমাৰ সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ৰ গাত ৰৰকৈ লগা নাই কিয়নো টকাখিনি সেই বিভাগত দিলেও আচলতে বেলেগ বিভাগে টকা দিয়াৰ ব্যৱস্থাকৰে কাৰণেই তেখেতৰো কবলৈ একো নাথাকে। কিন্তু যিহেতু হেড একেটা সেই কাৰণে আমি আলোচনা কৰিবৰ সুযোগ পাইছো। চেয়াৰম্যান মহোদয়, ব্ৰহ্মপুত্ৰ নদীয়ে আমাৰ কাৰণে বছৰে বছৰে যুগে যুগে সমস্যাৰ সৃষ্টি কৰি আহিছে। ব্ৰহ্মপুত্ৰৰ লগত প্ৰায় এশৰো অধিক উপনৈবিলাকেও সমস্যাৰ সৃষ্টি কৰিছে। এই ক্ষেত্ৰত সচা কথা কবলৈ হলে অসমত বানপানী নোহোৱা ঠাই নাই। ইয়াৰ কাৰণে আমি কাকো দোষাৰোপ কৰা উচিত নহয়। যিহতু বানপানী হবই আমি বানপানীৰ লগতে থাকিব লাগিব। ইয়াৰ কাৰণে আমি কেইটামানে ব্যৱস্থা লব লাগে বুলি অনুৰোধ কৰিব বিচাৰিছো। এইটো ঠিক যে বানপানী হোৱা বহু ঠাইত যেনে ভৈয়াম অঞ্চলত কোনো ব্যবস্থা লব নোৱাৰে। তাৰ কাৰণে এটা উমৈহতীয়া ওখ ঠাইৰ ব্যৱস্থা কৰিব লাগে। বানপানী হলে গৰু ম'হ আমি তাত উঠি ৰক্ষা পাব পাৰিব। ঠিক তেনেকৈ কাজিৰঙা বন্য প্ৰাণী বিলাকৰ কাৰণেও ওখ ঠাইত বন্দবস্ত কৰিব পাৰি। মাজ ডোখৰতে তেনে ওখ মঞ্চ তৈয়াৰ কৰি ৰাখিলে যিহেতু আমি জানো যে বানপানী হবই তেতিয়া তাত বন্য প্ৰাণী বিলাক আশ্ৰয় লব পাৰিব। পশ্চিম বঙ্গত যদিও বানপানীৰ ইমান প্ৰাদুৰ্ভাৱ নাই তথাপি উত্তৰ বঙ্গত বানপানী হোৱা কাৰণে তাৰ চৰকাৰে তেনে ৰাজহুৱা ওখ ঠাইৰ বন্দবস্ত কৰিছে গৰু ম'হ আদিৰ কাৰণে আৰু তাৰ কাষতে দুমহলীয়া ঘৰ সাজি ৰাখিছে বানপানীৰ সময়ত মানুহ আদিয়ে আশ্ৰয় লোৱাৰ কাৰণে। যদি পশ্চিম বঙ্গ চৰকাৰে কৰিব পাৰে তেনেহলে আমাৰ চৰকাৰে নোৱাৰাৰ কাৰণ নাই। তাৰ পিচত চাব লাগিব আমাৰ

নদী বিলাকক কণ্ট্ৰল কৰাৰ কাৰণে। এই কথা মই বহুবাৰ কৈছো। তাৰ উপৰিও অল পাৰ্টি ডেলিগেশনতো মই এই কথা কৈছো যে উপনৈ বিলাক কণ্ট্ৰল কৰাৰ কাৰণে ব্যৱস্থা লব লাগে। এই ক্ষেত্ৰত এটা কথা লক্ষ্য কৰিবলগীয়া হৈছে যে এই উপনৈ বিলাক ১৯ টা আই-টি-ডি-পিৰ পৰা আহিছে। সেই বিলাক ঠাইত প্ৰায় ট্ৰাইবেল লোকৰ বসতি সেই কাৰণে এই উপনৈ বিলাক কণ্ট্ৰল কৰাৰ কাৰণে আমাৰ সুবিধা আছে। সেই বিলাক ঠাই এচ-টি-পি এলেকাত ধৰি সেই যোজনাৰ মাধ্যমত কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা পাব পাৰি। এচ-টি-পিত সান্নিবিষ্ট কৰিলে মই ডাঠি কব পাৰো যে শতকৰা ষাঠি ভাগ টকা আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা পাব লাগিব। তাৰ বিপৰীতে এতিয়া পৰিকল্পনাৰ টকা ধাৰলৈ বানপানীৰ সমস্যা নিয়ন্ত্ৰণ কৰিব নোৱাৰি। টকা ধাৰলৈ বানপানী প্ৰতিৰোধ কৰা সম্ভৱ নহয়। এই কামটো কৰি কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা উলিয়াবৰ কাৰণে মই চৰকাৰৰ ওচৰত অনুৰোধ ৰাখিলো।

সভাপতি মহোদয়, তাৰ পিচত আন এটা গুৰুত্বপূৰ্ণ কথা হৈছে যে মানুহৰ মনোভাৱৰ পৰিবৰ্ত্তন কৰা। মানুহৰ মনত বানপানী আহিছে বুলিলে এটা আতংকৰ সৃষ্টি হয়। আমি অসমত বানপানীৰে সৈতে বাস কৰিব লাগিব। আমি আতংকিত নহৈ বানপানীৰ লগত বাস কৰিবলৈ শিকিব লাগিব। আমি আতংকিত হলে বা ৰাজহৰ আতংকিত হলে নচলিব। তাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা ৰাইজৰ মনত বান্ধ সাহস কটকটীয়া হবৰ কাৰণে প্ৰচাৰ কৰিব লাগে। কিন্তু এতিয়া আমি দেখিছো ৰাইজৰ লগতে বিধায়ক সকলো আতংকিত হোৱাৰ ফলত বানপানী বুলিলে ৰিলিফ পাবনলগীয়াও বানপানী উঠা বুলি চিনাক্তকৰণ তালিকাত সোমাই ৰিলিফ লৈ যায়। ফলত বহুত ৰিলিফৰ টকা এনেয়ে যায়। ধনী সকলেও ৰিলিফ লোৱাত আগভাগ লয়। বানপানীৰ নামত আতংকিত হোৱাৰ ফলতেই এনে হবলৈ পায়। চোতালত এটুপিও পানী নুঠা সকলেও এই আতংকিত হোৱাৰ ফলতে বানপানীৰ নামত ৰিলিফ সাহায্য আদি লয়। বানপানীত ক্ষতিগ্ৰস্ত হওক বা নহওক বানপানী বুলিলেই আতংকিত হৈ সকলোৱে ৰিলিফৰ পিচত লাগি যায়। ৰেচন আদি দিয়াতো এই বিলাকৰ কাৰণেই অসুবিধা হয়।

( সময়ৰ সংকেত )

ৰাইজৰ মাজত যাতে আতংকৰ সৃষ্টি নোহোৱা এটা অৱস্থাৰ বা পৰিবেশৰ সৃষ্টি কৰিব পাৰি তাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা প্ৰচাৰ কৰিব লাগে। সভাপতি মহোদয়, মই বানপানী আহিলেও আতংকৰ সৃষ্টি নোহোৱাৰ ওপৰত

গুৰুত্ব বাৰে বাৰে কৈ হলেও আৰোপ কৰিব খুজিছো। কিয়নো এই বানপানীৰ নামত আতংকৰ ফলত অযথা বহুত অসুবিধা হয়। তাৰ সলনি আমি বানপানী যিহেতু আহিব বুলি জানোৱেই তাৰ লগত বসবাস কৰিবলৈ মানসিক ভাৱে প্ৰস্তুত থকা দৰকাৰ।

( সময়ৰ সংকেত )

সভাপতি মহোদয়, তাৰ পিচত সৰু সৰু ৰিলিফৰ ক্ষেত্ৰত ঘৰত জুই লগা প্ৰাকৃতিক দুৰ্যোগৰ ক্ষেত্ৰত কওঁ যে এই ডি-চি বা এচ-ডি-অ'ই যে এই ক্ষেত্ৰত পঞ্চাশ টকা ৰিলিফ দিয়ে এইটো ৰেট কেতিয়া ঠিক কৰিছিল নাজানো। হয়তো বৃটিচৰ দিনৰ ৰেট। এইটো নিতান্ত কম হৈছে। কম পক্ষেও পাচশ টকা হব লাগে। ঘৰত জুই লাগি যোৱাৰ পিচত মাত্ৰ পঞ্চাশ টকা সাহায্য দিয়াটো হাঁহি উঠা কথা। গতিকে মই অনুৰোধ কৰিছো এই ৰেটটো বঢ়াব লাগে আৰু তাৰ কাৰণে অতিসোনকালে ব্যৱস্থা লব লাগে। অন্ততঃ কম পক্ষেও পাচশ টকা কৰিবলৈ অনুৰোধ কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

* কুমাৰ দীপক দাস : মাননীয়া সভাপতি মহোদয়, প্ৰাকৃতিক দুৰ্যোগৰ শিতানত মাননীয় ৰাজহ মন্ত্ৰী ডাঙৰীয়াই যি দাবী মঞ্জুৰী বিচাৰিছে সেই দাবী মঞ্জুৰীৰ অনুমোদন মঞ্জুৰ কৰিবৰ কাৰণেই আৰু বিৰোধী দলৰ মাননীয় সদস্য সকলে উত্থাপন কৰা কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই দুআষাৰমান কথা কব খুজিছো।

মাননীয় সভাপতি মহোদয়, প্ৰথম কথা হৈছে, অসমত প্ৰাকৃতিক দুৰ্যোগ এটা নতুন ঘটনা নহয়, প্ৰত্যেক বছৰেই অসমৰ জনসাধাৰণ জৰ্জৰিত হৈ থকা এটা ঘটনা। অকল প্ৰাকৃতিক দুৰ্যোগৰ বলি হোৱা সকলক সকাহ দিবৰ কাৰণেই বিভিন্ন আঁচনি প্ৰস্তুত কৰি প্ৰাকৃতিক দুৰ্যোগ বন্ধ কৰাৰ বাবে ব্যৱস্থা হাতত লব লাগিছিল। ভাৰত স্বাধীন হোৱাৰ পিছতো প্ৰাকৃতিক দুৰ্যোগৰ জোৰা মাৰিব পৰাকৈ তেনে কোনো আঁচনি প্ৰস্তুত নোহোৱাৰ কাৰণে আমাৰ মানুহ দিনে দিনে প্ৰাকৃতিক দুৰ্যোগৰ সন্মুখীন হবলগীয়া হৈছে আৰু ইয়াৰ সন্মুখীন হব পৰাকৈ গোটেই খিনি সামৰি দুৰ্গত তথা বিপৰ্য্যস্ত লোকক সকাহ দিব পৰাকৈ দাবী মঞ্জুৰীত ধাৰ্য্য কৰা টকা যথেষ্ঠ হোৱা নাই। এটা কথা কব খুজিছো যে, অসমত বিশেষকৈ প্ৰাকৃতিক দুৰ্যোগ ধুমুহা আৰু বানপানীৰ ফলত হয়। ইয়াৰ বাহিৰেও অগ্নিকাণ্ড আৰু অনান্য কাৰণতো প্ৰাকৃতিক দুৰ্যোগ হয়। কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে বানপানীৰ সমস্যাটোক ৰাষ্ট্ৰীয় সমস্যা বুলি

* Speech not corrected.

স্বীকাৰ কৰি নিজাববীয়াকৈ ইয়াৰ ব্যৱস্থা লোৱাৰ সিদ্ধান্ত কৰিছে আৰু কেন্দ্ৰীয় চৰকাৰে এই বিষয়ে চোৱা চিতাও কৰিছে । এই পৰিপ্ৰেক্ষিততে মই এটা পৰামৰ্শ দিব খুজিছো যে, বানপানী সমস্যাটো সমাধানৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰে লোৱা স্বত্বেও যিহেতু সমস্যাটো সমাধান কৰাৰ ক্ষেত্ৰত কোনো আঁচনিয়েই কাৰ্য্যকৰী হোৱা নাই গতিকে প্ৰাকৃতিক দুৰ্য্যোগৰ ফলত ক্ষতিগ্ৰস্ত হোৱা সকলো খিনি লোকৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰেই বহন কৰা উচিত। এই ক্ষেত্ৰত আমাৰ ৰাজ্যিক চৰকাৰে কেন্দ্ৰীয় চৰকাৰক এটা পৰামৰ্শ দিব লাগে। তেতিয়াহে এই সমস্যাটোৰ সমাধান হব। কেন্দ্ৰীয় চৰকাৰে আধা দায়িত্ব পালন কৰি হাত সাৰিলেই নহব। 'ৰিহাবিলিটেশ্বন'ৰ ক্ষেত্ৰত অসম চৰকাৰে যথেষ্ট কৰিব লাগিছিল কিন্তু ইয়াৰ কাৰণে যথেষ্ট পৰিমাণে টকাৰ কথা জড়িত হৈ থকাৰ কাৰণেই ৰাজ্যিক চৰকাৰে সম্পূৰ্ণ ৰূপে সেই দায়িত্ব পালন কৰিব পৰা নাই। সেই কাৰণেই যিখিনি টকা এই শিতানত দিয়া হৈছে তাৰ সদব্যৱহাৰ হোৱাৰ কাৰণে নজৰ দিব লাগে। ১৯৮৫ চনত বৰপেটাত হোৱা প্ৰলয়ংকৰী ধুমুহাত ক্ষতিগ্ৰস্ত হোৱা লোক সকলৰ সকাহ দিয়াৰ কাৰণে যি টকা দিয়া হৈছিল সেই ১৯৮৫ চনৰ টকা খিনি ১৯৮৭ চনতহে বিতৰণ কৰা হয়। এই বিষয়ে যদি ৰাজ্যিক চৰকাৰে বিশেষ চকু নেৰাখে তেতিয়াহলে, এই আঁচনি সমূহৰ কাৰণে লোৱা টকা বিলাক সদ অৰ্থত ব্যৱহাৰ নহয়। গোটেই খিনি অসুবিধা দুৰ কৰিব নোৱাৰে। সময়মতে এই বিলাক দিয়াৰ ব্যৱস্থা কৰিব লাগে। ৰিহাবিলিটেশ্বনৰ ক্ষেত্ৰত যোৱা বছৰ আৰু তাৰ আগৰ বছৰত যিখিনি টকা হৈছিল সেই খিনি যথেষ্ঠ নাছিল। তাৰোপৰি, এই টকা খিনি এনেয়ে দিব নোৱাৰিলেও ঋণ হিচাবে দিয়াৰ ব্যৱস্থা কৰিব লাগে। এই বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিব লাগে। এনেধৰণৰ আঁচনিত কেন্দ্ৰীয় চৰকাৰে বাস্তৱ ৰূপ দিয়াৰ চেষ্টা কৰিব বুলি আশা কৰিছো। মাননীয় সভাপতি মহোদয়, মোৰ আৰু বেচি কবলগীয়া নাই। ৰিহাবিলিটেশ্বনৰ ক্ষেত্ৰত সম্পূৰ্ণ দায়িত্ব কেন্দ্ৰীয় চৰকাৰেই বহন কৰিব লাগে বুলি পৰামৰ্শ আগবঢ়াই মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীদেবেশ্বৰ বৰা : মাননীয় সভাপতি মহোদয়, ৰাজহ মন্ত্ৰীয়ে প্ৰাকৃতিক দুৰ্য্যোগৰ শিতানত অনা দাবী মঞ্জুৰীৰ সমৰ্থন কৰি আৰু বাজেট পৰ্য্যালোচনা কৰি কেইআষাৰমান কথা কব খুজিছো। মাননীয় সভাপতি মহোদয়, মাননীয় সদস্য সকলে ইতিমধ্যে অসমৰ প্ৰাকৃতিক দুৰ্য্যোগৰ বিৰুদ্ধে বিশ্লেষণ কৰি গৈছে।

Shri Mosir Uddin Ahmed : Mr. Chairman, Sir, there is no quorum in the House.

সভাপতি ( শ্ৰীদেৱ কুমাৰ বৰা ) :........ এতিয়া সদন অহা কালি ন বজালৈকে স্থগিত ৰখা হৈছে।

## ADJOURNMENT

The house then rose at 1.30 P. M. and stood adjourned till 9 A. M. on Tuesday, the 3rd May, 1988.

Dr. P. N. Hazarika.
Secretary.
Assam Legislative Assembly.

Dispur :
The 2nd May, 1988

:—:

Annexure—I

Statement Showing the Figure of Tax Collected from Check Gates Yearwise in Respect of Answer to Question No. (C)

| Year | Check Gates | Amount | Remarks |
|---|---|---|---|
| 1976-77 | | Rs. 2,30,898/- | From 1976-77 to 81-8 |
| 1977-78 | | Rs. 6,31,395/- | Taxes collected departmentally by GMC |
| 1978-79 | | Rs. 7,21,428/- | One New check Gate at Narengi established and in was stop again in 1980-81 till Ist April 1983. |
| 1979-80 | Khanapara | Rs. 2,60,795/- | |
| | Jalukbari | Rs. 1 23,837/- | |
| | Saraighat | Rs. 3.95,990/- | |
| | Narengi | Rs. 19,788/- | |
| | Total | Rs. 8,00,410/- | |
| 1980-81 | Khanapara | Rs. 2,44,077/- | |
| | Jalubari | Rs. 96,728/- | |
| | Saraighat | Rs. 3,39,905/- | |
| | Total | Rs. 6,80,700/- | |
| 1981-82 | Khanapara | Rs. 2,76,490/- | |
| | Jalukbari | Rs. 1,54,788/- | |
| | Saraighat | Rs. 4,41,339/- | |
| | Total | Rs. 8,72,617/- | |
| 1982-83 | Khanapara | Rs. 2,72,002/- | Jalukbari Check post shifted to Khanamukh in 1982-83. |
| | Khanamukh | Rs. 1,81,000/- | |
| | Saraighat | Rs. 4,92,000/- | |
| | Total | Rs. 9,45,002/- | |

| | | | |
|---|---|---|---|
| 1983-84 | Narengi | Rs. | 43,000/- |
| | Saraighat | Rs. | 17,30 000/- |
| | Khanamukh | Rs. | 5,11,786/- |
| | Khanapara | Rs. | 7,83,055/- |
| | Total | Rs. | 30,67,841/- |
| 1984-85 | Narengi | Rs. | 1,21,888/- |
| | Khanamukh | Rs. | 7,19,209/- |
| | Khanapara | Rs. | 10,83,447,75 |
| | Saraighat | Rs. | 12,96,786,99 |
| | Total | Rs. | 41,21,331/- |
| 1985-86 | Narengi | Rs. | 3,05,000/- |
| | Khanapara | Rs. | 27,01,176/- |
| | Saraighat | Rs. | 36,99,999/- |
| | Khanamukh | Rs. | 17,11,004/- |
| | Total | Rs. | 84,17,179/- |
| 1986-87 | Narengi | Rs. | 4,42,999/- |
| | Khanapara | Rs. | 38,61,552/- |
| | Saraighat | Rs. | 50,00,000/- |
| | Khanamukh | Rs. | 17,42,424.24 |
| | Total | Rs. | 1,10.36,975.24 |
| 1887-88 | Saraighat | Rs. | 45,71,552/- |
| | Khanapara | Rs. | 40,11,111/- |
| | Narengi | Rs. | 5,64,564/- |
| | Khanamukh | Rs. | 18,36,836/- |
| | Total | Rs. | 109,84,063/- |

ent form 1983-84 to 1987-88 with Figures

on (e)

| see | Settlment | |
|---|---|---|
| Iohan Kalita | Rs. | 43,000.00 |
| eka | Rs. | 17,30,000.00 |
| Enterprise | Rs. | 5,11,786.00 |
| da Das. | Rs. | 7,83,055.00 |
| akuria. | Rs. | 1,21,888.00 |
| a. | Rs. | 7,19,209.00 |
| prise. | Rs. | 10,83,447.75 |
| | Rs. | 21.96,786.99 |
| ria | Rs. | 3,05,000.00 |
| ia | Rs. | 27,01,176.00 |
| rise | Rs. | 36,99,999.00 |
| Enterprise | Rs. | 17,11,004.00 |
| ta. | Rs. | 4,42,999.00 |
| as. | Rs. | 38,61,552.00 |
| erciral Syndicate | Rs. | 17,42,424.24 |
| deep | Rs. | 50,00,000.00 |
| ntract Co-Opera- nited | Rs. | 45,71'552.00 |
| ound | Rs. | 40,11,111.00 |
| lukdar | Rs. | 5,64,564.00 |
| lukdar | Rs. | 18,36,836.00 |

Annexure—

Statement Showing the Names of the Parties Given S
of Settlement values : Accepted in respect of Answer to Q

| Year | Name of Gate | Name o |
|---|---|---|
| 1983-84 | Narengi Check Gate | Sri Math |
| -do- | Saraighat ,, ,, | Sri Rame |
| -do- | Khanamukh ,, ,, | Brahmap |
| -do- | Khanapara ,, ,, | Sri Nitya |
| 1984-85 | Narengi Check Gate | Sri Bimo |
| -do- | Khanamukh ,, ,, | Sir Sashi |
| -do- | Khanapara ,, ,, | Karana E |
| -do- | Saraighat ,, ,, | Syndicate |
| 1985-86 | Narengi Check Gate | Bimola T |
| | Khanapara ,, ,, | B. C. Th |
| | Saraighat ,, ,, | J. B. S. E |
| | Khanamukh ,, ,, | Brahmapu |
| 1986-87 | Narengi Check Gate | Mathura |
| | Kananpara ,, ,, | Nityanan |
| | Khanamukh ,, ,, | Assam C |
| | Saraighat ,, ,, | M. S. B. C |
| 1987-88 | Saraighat Check Gate | East India tive suppl |
| | Khanapara ,, ,, | Sri G. K. |
| | Narengi ,, ,, | Sir Kana |
| | Khanamukh ,, ,, | Sri Kana |

Annexure—III

(b) Statement Year wise and District wise

| Sl No. | Districts | 1984 | | | 1985 | | | 1986 | | | 1887 | | | 1988 | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | Substen-tiated | Un-subs-tiated | Pending | Substen-tiated | Un-subs-tiated | Pending | Substen tiated | Un-subs-tiated | Pending | Substen-tiated | Un-subs-tiated | Pending | Substen-tiated | Un-subs-tiated | Pending | Remarks (Total) |
| 1. | Dhubri | | | 1 | 1 | | | | 1 | | | | 5 | | | | =6 |
| 2. | Goalpara | | | | 2 | 1 | | | | 1 | | | | | | 1 | =5 |
| 3. | Kokrajhar | | | | | | | 1 | | 1 | | | | | | | =4 |
| 4. | Barpeta | | 1 | | 2 | | | | | | | | | | | | =5 |
| 5. | Nalbari | 1 | | | | | | | | | | | 1 | | | | =2 |
| 6. | Kamrup | 5 | 1 | 1 | 4 | 6 | 1 | 19 | 5 | 15 | 6 | 1 | 19 | | | | =79 |
| 7. | Darrang | | 1 | | 1 | 3 | | | | 1 | | | 2 | | | 1 | =9 |
| 8. | Sonitpur | | 1 | | | | | 1 | 1 | | | 1 | | | | | =4 |
| 9. | North-Lakhimpur | | | | 1 | | 1 | 1 | | | 1 | | 1 | | | 2 | =8 |
| 10. | Dibrugarh | | | | | | | | 4 | 1 | 1 | 1 | 1 | | | | =8 |
| 11. | Sibsagar | 2 | 1 | | | | | | | | | | | | | | =5 |
| 12. | Jorhat | | | | | 2 | | | 3 | 1 | | 1 | 1 | | | 2 | =10 |
| 13. | Golaghat | | | | | | | | | | | | 1 | | | | =1 |
| 14. | Nagaon | | | 1 | | | 1 | 6 | 3 | 2 | 2 | 1 | 3 | | | 3 | =22 |
| 15. | Karbi-Anglong | | | | 1 | 1 | | 1 | 1 | | | | | | | | =4 |
| 16. | N. C. Hills | | | | | | | 1 | | | 1 | | 1 | | | 1 | =4 |
| 17. | Cachar | | | | 1 | 1 | 1 | 1 | 2 | 4 | | | 1 | | | 2 | =15 |
| 18. | Karimganj | | | | | 1 | | | 1 | 1 | 1 | | 1 | | | | =5 |
| | Total | 9 | 5 | 3 | 12 | 15 | 4 | 13 | 19 | 25 | 12 | 5 | 55 | | | 12 | =188 |
| | Total | =17 | | | | | =32 | | | =75 | | | =32 | | | =12 | =188 |
| | | | | | | | | | | | | | | | | | Grand Total |

Total reported 881
No. of subtentiated =65
„ „ Un-subtentiated =44
„ „ Pending =79
Total nos. of criminal cases registered—14